www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মই বিফল হোৱা নাই। মই মাত্ৰ ১০ হাজাৰ উপায় বিচাৰি পাইছো যিবোৰে কাম নকৰে। — থমাছ এডিচন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ ☐ সংখ্যা- ৩২৩ ☐ বৃহস্পতিবাৰ ☐ ০১ অক্টোবৰ, ২০২৬ চন ☐ Volume/Year- I ☐ Issue- 323 ☐ Thursday ☐ 01st October, 2026 ☐ Asom Barta, Majuli ☐ PRGI Reg. No.- ASASS/25/A2361 ☐ Price- Rs. 10 ☐ Total Page-8

বর্ষাপাৰাত ৰানৰ বৰষুণ ঃ তচ্‌নচ্‌ 'কেৰিবিয়ান' বাহিনী



■ ১১৭টা বলত শুভমন গীলৰ বিশ্ব অভিলেখকাৰী দ্বি-শতক ■

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্তেম্বৰ ঃ গুৱাহাটীৰ বর্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত শুভমন গীলৰ বেটিং বিস্ফোৰণে ইতিহাস ৰচনা কৰিলে। ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া মেচত ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলে মাত্ৰ ১১৭টা বলত ২০০ ৰান সংগ্ৰহ কৰি এদিনীয়া ক্ৰিকেটৰ দ্ৰুততম দ্বি-শতকৰ বিশ্ব অভিলেখ গঢ়িছে। এই অভিলেখেৰে তেওঁ ইশান কিষাণৰ ১২৬টা বলত কৰা ২০০ ৰানৰ পূৰ্বৰ অভিলেখ ভংগ কৰে। ইয়াৰ লগে লগে বর্ষাপাৰা ষ্টেডিয়াম ঐতিহাসিক মুহূর্তৰ সাক্ষী হৈ পৰে। প্ৰথমে ৰেষ্ট ইণ্ডিজে বেটিং কৰি ভাৰতক ৪০৬ ৰানৰ কঠিন লক্ষ্য বান্ধি দিছিল। এই বৃহৎ লক্ষ্য অনুসৰণ কৰিবলৈ নামি গীল আৰম্ভণিৰে পৰা আক্ৰমণাত্মক বেটিং কৰে। তেওঁ মাত্ৰ ৬২টা বলত নিজৰ ১১ ☐ ৬ পৃষ্ঠাত

ভাৰত-ৰেষ্ট ইণ্ডিজ এদিনীয়া মেচত স্থানীয় সংস্কৃতি আৰু শিল্পীলৈ শ্ৰদ্ধাঞ্জলি

বর্ষাপাৰাৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মঞ্চত ৰবি শাস্ত্ৰীৰ কণ্ঠত "অসম আৰু জুবিন"

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্তেম্বৰ ঃ গুৱাহাটীৰ বর্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু ৰেষ্ট ইণ্ডিজৰ এদিনীয়া ক্ৰিকেট মেচখন আৰম্ভ হোৱাৰ আগমুহূর্তত ধাৰাভাষ্যকাৰ ৰবি শাস্ত্ৰীয়ে কৰা এক বিশেষ মন্তব্যৰে সমগ্ৰ ক্ৰিকেটপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰে। ☐ ৬ পৃষ্ঠাত



কাটাৰৰ ব্যৱসায়ীক ভাৰতৰ সৈতে বাণিজ্য-বিনিয়োগৰ সম্ভাৱনা অন্বেষণৰ আহ্বান নির্মলা সীতাৰমণৰ

ডোহাত কাটাৰ ব্যৱসায়ী সংঘৰ ঘূৰণীয়া মেজমেলত বিত্তমন্ত্ৰী

নেশ্যনেল ডেস্ক, অসম বার্তা, ৩০ ছেপ্তেম্বৰ: কেন্দ্ৰীয় বিত্তমন্ত্ৰী নির্মলা সীতাৰমণে কাটাৰৰ ব্যৱসায়ীসকলক ভাৰতৰ সৈতে বাণিজ্য আৰু বিনিয়োগ সহযোগিতাৰ সম্ভাৱনা সক্ৰিয়ভাৱে অন্বেষণ কৰিবলৈ তথা দ্বিপাক্ষিক অর্থনৈতিক সম্পৰ্কক অধিক সুদৃঢ় কৰিবলৈ আহ্বান জনাইছে। ডোহাত কাটাৰৰ ☐ ৬ পৃষ্ঠাত



মহিলাক অপমান কৰা বিজেপিক ভোট নিদিয়াৰ আহ্বান গৌৰৰ গগৈৰ

সাম্প্ৰদায়িক মেৰুকৰণৰ ৰাজনীতি নৰপ্ৰজন্মই নাকচ কৰিছে ঃ গৌৰৰ গগৈ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩০ ছেপ্তেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰে সময় কমি আহাৰ লগে লগে প্ৰচাৰে জোৰ পাইছে। ইয়াত কংগ্ৰেছ, বিজেপি আৰু এআইইউডিএফৰ মাজত ত্ৰিমুখী প্ৰতিদ্বন্দ্বিতা দেখা গৈছে। ভোটাৰক নিজৰ ফালে টানিবলৈ তিনিওটা দলেই পূৰ্ণ শক্তিৰে প্ৰচাৰ চলাইছে। উল্লেখ্য, আগতে মিঞা ভোটাৰৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰা বিজেপিয়েও ☐ ৬ পৃষ্ঠাত

■ কাইলৈ পুনৰ হাজিৰৰ নির্দেশ ■

প্ৰবাসী অসমীয়া তন্ময় ফুকনৰ তৃতীয় দিনাও সাক্ষ্য



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্তেম্বৰ ঃ জুবিন গার্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শর্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত আছে। আজি প্ৰবাসী অসমীয়া ☐ ৭ পৃষ্ঠাত

উজনি চিয়াং বহুমুখী প্ৰকল্পক লৈ ৰাষ্ট্ৰপতি, ৰাজ্যপালৰ হস্তক্ষেপ বিচাৰি দেৱব্ৰত শইকীয়াৰ পত্ৰ

নামনি অসমলৈ ভাবুকিৰ আশংকা ঃ স্বতন্ত্ৰ বৈজ্ঞানিক মূল্যায়ন, শ্বেতপত্ৰ আৰু জৰুৰীকালীন পৰিকল্পনাৰ দাবী



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্তেম্বৰ ঃ অৰুণাচল প্ৰদেশৰ চিয়াং অঞ্চলত প্ৰস্তাবিত উজনি চিয়াং বহুমুখী প্ৰকল্প (SUMP) লৈ ৰাজ্যজুৰি আপত্তি অব্যাহত আছে। এই প্ৰকল্পই নামনিৰ অঞ্চল বিশেষকৈ অসমলৈ ব্যাপক প্ৰভাৱ পেলাব বুলি আশংকা প্ৰকাশ কৰি অসমৰ জেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই ৰাষ্ট্ৰপতি দ্ৰৌপদী মুর্মু, অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচার্য আৰু অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল কে টি পৰনায়কলৈ পৃথক পত্ৰ প্ৰেৰণ কৰিছে। শইকীয়াই এই পত্ৰসমূহৰ জৰিয়তে উজনি চিয়াং বহুমুখী প্ৰকল্পৰ সবিশেষ চূড়ান্ত কৰাৰ পূৰ্বে ৰাষ্ট্ৰপতি আৰু দুয়োখন ৰাজ্যৰ ৰাজ্যপালৰ হস্তক্ষেপ বিচাৰিছে। তেওঁৰ মতে, অৰুণাচল প্ৰদেশৰ প্ৰস্তাবিত এই প্ৰকল্পই ব্ৰহ্মপুত্ৰৰ দৰে গুৰুত্বপূৰ্ণ নদী প্ৰণালীত প্ৰভাৱ পেলাব। সেয়েহে অসমৰ জনসাধাৰণৰ ☐ ৬ পৃষ্ঠাত

ব্যাপক গোলকীয় কৌশলগত অংশীদাৰিত্ব আগুৱাই নিয়াৰ বাবে ঘনিষ্ঠ যোগাযোগ বজাই ৰখাত সহমত

বাণিজ্য, প্ৰতিৰক্ষা, শক্তি আৰু কৌশলগত সহযোগিতা লৈ মোদী-ট্ৰাম্পৰ ফোন বার্তালাপ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৩০ ছেপ্টেম্বৰ ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ সৈতে ফোনযোগে গুৰুত্বপূৰ্ণ বার্তালাপ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। দুয়োগৰাকী নেতাৰ মাজত বাণিজ্য, প্ৰতিৰক্ষা আৰু শক্তিখণ্ডৰ বিভিন্ন বিষয়কে ধৰি একাধিক গুৰুত্বপূৰ্ণ প্ৰসংগত আলোচনা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে এই ☐ ৬ পৃষ্ঠাত

ৰোগীৰ জীৱনতকৈ মুখ্যমন্ত্ৰীৰ যাত্ৰা কেতিয়াও অগ্ৰাধিকাৰ নহয় ঃ মুখ্যমন্ত্ৰী

শিলচৰত এম্বুলেঞ্চ ৰখাই মুখ্যমন্ত্ৰীৰ কনভয় চলাচলৰ নির্দেশ ঃ নিলম্বিত চাৰিজন আৰক্ষী



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, শিলচৰ, ৩০ ছেপ্তেম্বৰ ঃ শিলচৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাৰ কনভয় চলাচলৰ বাবে এখন এম্বুলেঞ্চ ৰখাই থোৱাৰ ঘটনাক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনাক কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি স্পষ্ট কৰি মুখ্যমন্ত্ৰী ☐ ৬ পৃষ্ঠাত

শীঘ্ৰেই একক বদলিৰ আদেশ; বদলি সম্পূৰ্ণ নোহোৱালৈকে যুক্তিকৰণ স্থগিত

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্তেম্বৰ ঃ বুধবাৰে সর্বশিক্ষা অভিযানৰ কার্যালয়ত অনুষ্ঠিত সংবাদমেলত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে ৰাজ্যৰ শিক্ষক বদলি, যুক্তিকৰণ (Rationalisation) আৰু PGT শিক্ষক নিযুক্তি সম্পৰ্কত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে ৰাজ্যত পাৰস্পৰিক বদলি (Mutual Transfer) প্ৰক্ৰিয়া ইতিমধ্যে সম্পন্ন ☐ ৭ পৃষ্ঠাত

যোৰহাট, শিৱসাগৰ, নলবাৰী, নগাঁৰত সংবাদমেল

নির্বাচন আয়োগৰ পক্ষত বিজেপিৰ ৰাজ্যজুৰি প্ৰতিৰক্ষা অভিযান



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ছেপ্তেম্বৰ ঃ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু এছআইআৰ প্ৰসংগত কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চই তীব্ৰ ক্ষোভ প্ৰকাশ কৰি থকাৰ মাজতে বিজেপিয়ে নির্বাচন আয়োগৰ পক্ষত ৰাজ্যজুৰি প্ৰতিৰক্ষা আৰম্ভ কৰিছে। শেহতীয়াকৈ নির্বাচন আয়োগৰ ভিতৰত মতানৈক্যৰ অভিযোগ উঠাৰ পিছত বিৰোধী দলসমূহে বৈঠকত মিলিত হৈ বিজেপি চৰকাৰৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন কৰিছে। এনে পৰিস্থিতি ☐ ৬ পৃষ্ঠাত

ইণ্ডিয়া ব্লকৰ জৰুৰী বৈঠকত ছয়দফীয়া দাবী

৬ অক্টোবৰত সংসদৰ পৰা নির্বাচন আয়োগলৈ বিৰোধীৰ প্ৰতিবাদী সমদল

এছআইআৰ বাতিল আৰু জ্ঞানেশ কুমাৰৰ অপসাৰণৰ দাবী

নেশ্যনেল ডেস্ক, অসম বার্তা, ৩০ ছেপ্তেম্বৰ ঃ ৰাজধানী নতুন দিল্লীত বুধবাৰে বিৰোধী ঐক্যমঞ্চ তথা ইণ্ডিয়া ব্লকৰ এক জৰুৰী বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিশেষ নিবিড় পুনৰীক্ষণ (এছআইআৰ) বাতিল আৰু মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণৰ দাবীকে ধৰি মঠ ছয়টা দাবী উত্থাপন কৰা হয়। লগতে ৬ অক্টোবৰত সংসদ ভৱনৰ পৰা নির্বাচন আয়োগ কার্যালয়লৈ এক প্ৰতিবাদী সমদল উলিয়াবলৈ ☐ ৬ পৃষ্ঠাত

চৰকাৰী-প্ৰাদেশীকৃত বিদ্যালয়ত অভিভাৱক, নাগৰিকৰ প্ৰৱেশত নাই বাধা

শিক্ষা বিভাগে কোনো জাননী জাৰি কৰা নাই ঃ ৰণোজ পেগুৰ স্পষ্টীকৰণ

নিজ ডেস্ক, অসম বার্তা, ৩০ ছেপ্তেম্বৰ ঃ ৰাজ্যৰ চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ত অভিভাৱক তথা সাধাৰণ নাগৰিকৰ প্ৰৱেশ ক্ষেত্ৰত শিক্ষা বিভাগে কোনো ধৰণৰ নিষেধাজ্ঞা জাৰি কৰা নাই। এই সম্পৰ্কত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে আজি স্পষ্টীকৰণ দিয়ে। তেওঁৰ মতে, অভিভাৱক আৰু নাগৰিকসকলে বিদ্যালয়লৈ গৈ গঠনমূলক পৰামর্শ আগবঢ়াব পাৰে, কিন্তু নিয়মীয়া পাঠদানত ব্যাঘাত জন্মাই বিদ্যালয়ৰ শৈক্ষিক পৰিবেশ নষ্ট কৰা ☐ ৬ পৃষ্ঠাত

অস্ত্ৰোপচাৰ কক্ষত লাইটৰ অভাৱত স্থগিত অস্ত্ৰোপচাৰ

মংগলদৈত অসামৰিক চিকিৎসালয়ত পিত্তাশয়ৰ অস্ত্ৰোপচাৰ স্থগিতক লৈ মুখ্যমন্ত্ৰীক হস্তক্ষেপৰ দাবী

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩০ ছেপ্টেম্বৰ ঃ দৰং জিলাৰ পিপিৰাকুছি গাঁৱৰ বাসিন্দা তথা তৃণমূল কংগ্ৰেছ, অসম ৰাজিক সমিতিৰ প্ৰাক্তন সম্পাদক ৰেজেক আহমেদে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মা আৰু ৰাজ্য চৰকাৰৰ পৰা মংগলদৈ অসামৰিক চিকিৎসালয়ত তাৎক্ষণিক হস্তক্ষেপ বিচাৰিছে। ৰেজেকৰ মতে, তেওঁৰ ভাতৃৰ পিত্তাশলীৰ অস্ত্ৰোপচাৰ ২৮ ছেপ্টেম্বৰ, সোমবাৰে মংগলদৈ অসামৰিক চিকিৎসালয়ত হোৱাৰ কথা আছিল, কিন্তু অস্ত্ৰোপচাৰ কক্ষত (অ'টি) প্ৰয়োজনীয়া ☐ ৬ পৃষ্ঠাত



মাত্ৰ ৫ ঘণ্টাত সম্ভৱ হ'ব শিলচৰৰ পৰা শিলিগুড়িলৈ যাত্ৰা

ৰাকৰ উপত্যকাৰ সংযোগ ব্যৱস্থা সলনিৰ সম্ভাৱনা

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩০ ছেপ্তেম্বৰ ঃ অসমৰ যাতায়াত-পৰিবহণ খণ্ডত আগন্তুক সময়ত ডাঙৰ পৰিবর্তন আহিব। শিলিগুড়ি—শিলচৰ এক্সপ্ৰেছ কৰিডৰ নির্মাণ সম্পূৰ্ণ হ'লে গুৱাহাটীৰ পৰা শিলচৰলৈ যাত্ৰা মাত্ৰ ৫ ঘণ্টাত আৰু ☐ ৬ পৃষ্ঠাত

স্বৰ্ণৰ বাবে চীনৰ বাও ঝিয়িৰ সৈতে শুকুৰবাৰে যুঁজ

এছিয়ান গেমছৰ ফাইনেলত লাভলীনা



নিজ ডেস্ক, অসম বার্তা, ৩০ ছেপ্তেম্বৰ ঃ চলিত এছিয়ান গেমছত অসম কন্যা তথা অর্জুন বঁটা বিজয়ী বক্সিং তাৰকা লাভলীনা বৰগোহাঁয়ে মহিলাৰ ৭৫ কেজি শাখাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। টকিঅ' ২০২০ অলিম্পিকৰ ব্ৰঞ্জ পদক বিজয়ী লাভলীনাই বুধবাৰে অনুষ্ঠিত ছেমিফাইনেলত কাজাখস্তানৰ নাটালিয়া বগদানোভাক ৩-২ ৰ বিভক্ত ৰায়ত পৰাস্ত কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূর্ণ এই মেচখনত লাভলীনাই কঠিন জয় লাভ কৰি স্বর্ণ পদকৰ যুঁজত প্ৰৱেশ কৰে। এই সফলতাৰ লগে লগে লাভলীনা একেবাহে দুবাৰ এছিয়ান গেমছৰ ফাইনেলত উপনীত হোৱা প্ৰথমগৰাকী ভাৰতীয় মহিলা বক্সাৰ হিচাপে পৰিগণিত হৈছে। ২০২৩ চনত চীনৰ হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছত তেওঁ ৰূপৰ পদক অর্জন কৰিছিল। চলিত প্ৰতিযোগিতাতো তেওঁ ভাৰতৰ বাবে অন্ততঃ এটা ৰূপৰ পদক নিশ্চিত কৰিছে। উল্লেখ্য, লাভলীনাই পোনপটীয়াকৈ কোৱাৰ্টাৰ ফাইনেলত অংশগ্ৰহণ কৰিছিল। কোৱাৰ্টাৰ ফাইনেলত তেওঁ দক্ষিণ কোৰিয়াৰ ছিয়ং ছু-ইয়নক ৫-০ ব্যবধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান লাভ কৰিছিল। তাৰ পিছত ছেমিফাইনেলত কাজাখস্তানৰ বগদানোভাৰ ☐ ৬ পৃষ্ঠাত

■ আৰ্চাৰীত তিনিটা, শ্যুটিঙত এটা স্বৰ্ণ পদক ■

এছিয়ান গেমছত ভাৰতৰ সোণালী দিন

পুৰুষ, মহিলা আৰু মিক্সড কম্পাউণ্ড দলৰে স্বৰ্ণ; মিক্সড ট্ৰেপ্ত নিৰু-কনিননৰ যুটীলৈ সোণ

নিজ ডেস্ক, অসম বার্তা, ৩০ ছেপ্তেম্বৰ ঃ জাপানত অনুষ্ঠিত চলিত এছিয়ান গেমছত আজি ভাৰতে আর্চাৰীত তিনিটা আৰু শ্যুটিঙত এটা সোণৰ পদককে ধৰি মঠ চাৰিটা স্বর্ণ পদক অর্জন কৰে। আর্চাৰীত পুৰুষৰ কম্পাউণ্ড দলীয় শিতানত ছাহিল যাদৱ, কুশল দালাল আৰু গণেশ মণি ৰত্নমে চীনক পৰাস্ত কৰি স্বর্ণ ☐ ৬পৃষ্ঠাত



৭৯ নং চিচিবৰগাঁও সম-জিলা আয়ুক্ত কাৰ্যালয় স্থাপনৰ দাবীত উত্তাল প্ৰতিবাদ চিচিবৰগাঁৱত

অসম বাৰ্তা, ধেমাজি, ৩০ ছেপ্টেম্বৰ ঃ সম-জিলা আয়ুক্ত কাৰ্যালয় চিচিবৰগাঁৱত স্থাপনৰ দাবীত আজি চিচিবৰগাঁও সমষ্টিৰ বিভিন্ন স্থানৰ সহস্ৰাধিক লোকে চিচিবৰগাঁৱত এক বিশাল প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়িত কৰে। সম-জিলা আয়ুক্ত কাৰ্যালয় চিচিবৰগাঁৱত স্থাপনৰ দাবীত আজি চিচিবৰগাঁও সমষ্টিৰ বিভিন্ন স্থানৰ সহস্ৰাধিক লোকে চিচিবৰগাঁৱত এক বিশাল প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়িত কৰে। সম-জিলা কাৰ্যালয় দাবী সমিতিৰ আহ্বান মৰ্মে পুৱা প্ৰায় ১০ বজাত চিচিবৰগাঁও কৃষ্টি ভৱনত উপস্থিত হৈ চিচিবৰগাঁওবাসীৰ দীৰ্ঘদিনীয়া ন্যায্য দাবীক নস্যাৎ কৰি চৰম প্ৰৱঞ্চনাৰে চিচিবৰগাঁও সম জিলাৰ আয়ুক্ত কায্যালয় চিচিবৰগাঁৱত স্থাপন নকৰি অইন স্থানত স্থাপন কৰিবলৈ চক্ৰান্ত কৰা বুলি অভিযোগ উত্থাপন কৰি এক প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। চিচিবৰগাঁও, চৌখামটিং, সাতোলাচুক, গড়মৰা, মেছু, আমগুৰি, কেৰেকণি, চুমনি, টকৌবাৰী, শ্ৰীপাণি, ধুনাগুৰি, বৰমুকলি, পুকীয়া, থেকেৰাগুৰি, মৰিধল, লালুং তিনিআলি, নিলখ আদি বিভিন্ন অঞ্চলৰ পৰা অহা প্ৰতিবাদী ৰাইজে চিচিবৰগাঁও বিধান সভা সমষ্টিৰ কেন্দ্ৰস্থল চিচিবৰগাঁৱতে সম-জিলা আয়ুক্তৰ কাৰ্যালয় স্থাপন কৰিলেহে সমগ্ৰ চিচিবৰগাঁও সমষ্টিৰ ৰাইজৰ সুবিধা হ'ব বুলি মন্তব্য কৰে। যিকোনো বিনিময়ত চিচিবৰগাঁৱতে সম জিলা আয়ুক্তৰ কাৰ্যালয় হ'বই লাগিব বুলি দাবী কৰে প্ৰতিবাদকাৰীয়ে। ইয়াৰ পাছতে পুৰুষ-মহিলা সকলো প্ৰতিবাদীয়ে হাতে-হাতে বেনাৰ, প্লেকাৰ্ড লৈ "চিচিবৰগাঁৱত সমজিলা আয়ুক্তৰ কাৰ্যালয় স্থাপন কৰক", "এই দাবী ন্যায দাবী", "আমাৰ দাবী মানিবই লাগিব", "ইনক্লিলাৱ জিন্দাবাদ" আদি বিভিন্ন শ্ল'গান দি শাৰী পাতি সমদল কৰি চিচিবৰগাঁও চক্ৰবিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়িত কৰেচিচিবৰগাঁও সম-জিলা কাৰ্যালয় দাবী সমিতিৰ সভাপতি প্ৰমোদ ভূঞা, সম্পাদক পুলেন চুতীয়া, জাতীয়তাবাদী যুৱ পৰিষদৰ কৃষ্ণ ভূঞা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তপন শইকীয়া, ৰাইজৰ দলৰ ৰুদ্ৰ ভূঞা, চিচিবৰগাঁও গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতিদ্বয় ক্ৰমে ভৰত চুতীয়া আৰু গিৰীণ চুতীয়া আদিয়ে সভাত বক্তব্যত কয় যে, বৃহত্তৰ চিচিবৰগাঁও অঞ্চলৰ ৰাইজৰ লগতে ধেমাজি জিলাবাসীৰ দীৰ্ঘদিনীয়া দাবী অনুসৰি ভাৰত চৰকাৰৰ নিৰ্বাচন আয়োগে সমষ্টি পুনৰ নিৰ্ধাৰণৰ জৰিয়তে 'চিচিবৰগাঁও' অঞ্চলক কেন্দ্ৰ কৰি ধেমাজি জিলাত নতুনকৈ ৭৯ নং চিচিবৰগাঁও বিধানসভা সমষ্টি বুলি এটা সংৰক্ষণমুক্ত বিধানসভা সমষ্টি গঠন কৰা পাচত অসম চৰকাৰে যোৱা স্বাধীনতা দিৱসত চিচিবৰগাঁও সমষ্টিক এখন সম-জিলা হিচাপে ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে বৃহত্তৰ চিচিবৰগাঁও অঞ্চলক সামৰি এটা মহকুমা গঠনৰ বাবে দীৰ্ঘদিন ধৰি চিচিবৰগাঁৱৰ ৰাইজে যি দাবী কৰি আহিছিল, কাৰ্যতঃ সেই দাবী পূৰণ হৈছে। এই যুগান্তকাৰী পদক্ষেপে জিলাখনৰ অন্যতম পুৰণি তথা ঐতিহ্যপূৰ্ণ চিচিবৰগাঁও অঞ্চলটোৰ উন্নয়ন সাধিব বুলি ৰাইজে ধাৰণা কৰিছিল। ধেমাজি জিলাৰ ভিতৰত অন্যতম পুৰণি অঞ্চল চিচিবৰগাঁৱক বৃটিছ শাসনৰ সময়তে কেইবাখনো শিক্ষানুষ্ঠান, ডাকসেৱা, সেনা-আৰক্ষীৰ ছাউনী থকা চিচিবৰগাঁৱক সেইসময়তে বৃহৎ মৌজা হিচাপে গঠিত হৈছিল। ১৯৬৭ চনত ধেমাজি জিলাৰ ভিতৰত দ্বিতীয়টো আৰক্ষী প্ৰতিষ্ঠান-চিচিবৰগাঁও আৰক্ষী চকী স্থাপন কৰা হৈছিল, মুঠ ১৭খন গাঁও পঞ্চায়ত আৰু এখন পৌৰ সভা থকা চিচিবৰগাঁৱক ১৯৮১ চনতে এটা ৰাজহ চক্ৰ আৰু ১৯৯৪ চনত এটা উন্নয়নখণ্ড হিচাপে গঠিত হয়। সেয়েহে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে অঞ্চলটোৰ কেন্দ্ৰস্থল স্বৰূপ চিচিবৰগাঁৱতে কেন্দ্ৰ কৰিয়েই নৱগঠিত চিচিবৰগাঁও সম-জিলাৰ মুখ্যকাৰ্যালয়টো চিচিবৰগাঁৱতে স্থাপনৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ মুখ্যসচিব, ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰী, লক্ষ্মীমপুৰ লোকসভা সমষ্টিৰ সাংসদ, জোনাই সমষ্টিৰ বিধায়ক, ধেমাজি জিলা আয়ুক্ত, চিচিবৰগাঁও চক্ৰ বিষয়া ইতিমধ্যে লিখিতভাৱে জনোৱা হৈছে। এই বিষয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো কেইবাবাৰো লগ ধৰি অৱগত কৰাত মুখ্যমন্ত্ৰীয়ে ৰাইজক আশ্বাস প্ৰদান কৰিছিল যদিও বিগত প্ৰায় তিনি বছৰে কাৰ্যকৰী নহ'ল। যোৱা ২০২৩ বৰ্ষত অসম চৰকাৰে চিচিবৰগাঁৱক উপ-জিলা হিচাপে ঘোষণা কৰা পিছতে ধেমাজি জিলাৰ এজন অতিৰিক্ত আয়ুক্তক চিচিবৰগাঁও সম-জিলাৰ আয়ুক্ত হিচাপে ঘোষণাও কৰা হৈছিল। কিন্তু চিচিবৰগাঁৱত সম-জিলাৰ মুখ্য কাৰ্যালয় স্থাপনৰ দাবীৰ বাবেই সমগ্ৰ প্ৰক্ৰিয়াটো চৰকাৰে প্ৰক্ৰিয়াটো স্থবিৰ কৰি চিচিবৰগাঁও সমষ্টিৰ ৰাইজৰ প্ৰতি অন্যায়-অৱহেলা কৰা হয়। উল্লেখযোগ্য যে তদানীন্তন অসম চৰকাৰৰ কেবিনেট সিদ্ধান্ত মৰ্মে সমজিলাৰ মুখ্য কাৰ্যালয় সমষ্টিটোৰ কেন্দ্ৰস্থানত হ'ব লাগে বুলি চৰকাৰী নিৰ্দেশ ঘোষণা হৈছিল। সেই অনুসৰি কাৰ্যালয়টো চিচিবৰগাঁৱতে হ'ব লাগিছিল। কিন্তু চৰকাৰ-জনপ্ৰতিনিধিয়ে সেয়া হ'বলৈ দিয়া নাই বুলি মন্তব্য কৰে। উল্লেখ্য যে, যোৱা ২০২৩ বৰ্ষৰ ৩০ ডিচেম্বৰৰ পৰা ২০২৪ বৰ্ষৰ ২০ জানুৱাৰীলৈ ধেমাজি জিলাৰ বিভিন্ন দল-সংগঠন আৰু সমষ্টিৰ ৰাইজে চিচিবৰগাঁৱতে মুখ্য কাৰ্যালয় স্থাপনৰ দাবীত এক বিশাল প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিল। তদানীনতন্তন ধেমাজি জিলাৰ আয়ুক্তৰ আশ্বাস মৰ্মে ৰাইজে সেই কাৰ্যসূচী স্থগিত ৰাখিছিল যদিও চৰকাৰ-প্ৰশাসনে বিগত তিনিবছৰে কোনো পদক্ষেপ নল'লে বুলি ক্ষোভ প্ৰকাশ কৰে। সম-জিলাৰ মুখ্যকাৰ্যালয়টোৰ স্থাপনৰ বাবে প্ৰয়োজনীয় ভূমি আৰু অনান্য দিশত চৰকাৰ-প্ৰশাসনক সহায়-সহযোগ কৰিবলৈ অঞ্চলটোৰ ৰাইজ সদায় সাজু আছে বুলি প্ৰশাসনক জনোৱাৰ পাছতো কোনোধৰণৰ গুৰুত্ব নিদিলে বুলি আক্ষেপ প্ৰকাশ কৰে। চিচিবৰগাঁও উন্নয়ন সমিতি, সম-জিলা কাৰ্যালয় দাবী সমিতি আৰু ৰাইজে চিচিবৰগাঁও চক্ৰবিষয়াৰ কাৰ্যালয়ৰ চৌহদৰ ভিতৰতে অব্যৱহৃত অৱস্থাত থকা দুমহলীয়া এটি ভৱন, এটি পৰিদৰ্শন বাংলা, এটি নৱনিৰ্মিত আবাস ভৱন অছে আৰু তাতেই তৎকালীনভাৱে সম-জিলাৰ কাৰ্যালয়টো স্থাপন কৰিবলৈ সকলোখিনি সুবিধা উপলব্ধ আছে বুলি কোৱাৰ পাছতো চৰকাৰ-প্ৰশাসনে অদ্যাপি চিচিবৰগাঁৱতে সম-জিলাৰ মুখ্য কাৰ্যালয়টো স্থাপন কৰা নাই বুলি ক্ষোভ উজাৰে। আজি চিচিবৰগাঁও চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ৰাইজে প্ৰতিবাদী কাৰ্যসূচী চলাই থকা কেইঘণ্টামান পাছতে চিচিবৰগাঁও চক্ৰ বিষয়া চিন্ময় নেওগে প্ৰতিবাদী ৰাইজৰ লগত আলোচনাত মিলিত হয় আৰু দাবী সমিতিৰ হাতৰ পৰা চিচিবৰগাঁৱতে সম-জিলাৰ মুখ্যকাৰ্যালয়টো স্থাপন কৰিবলৈ দাবী জনাই অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰিত স্মাৰক-পত্ৰ গ্ৰহণ কৰে। লগতে বিষয়টো আলোচনা কৰিবলৈ ধেমাজি জিলা আয়ুক্তই দাবী সমিতিৰ এটা প্ৰতিনিধিৰ দলক আমন্ত্ৰণ কৰা বুলি জানিবলৈ দিয়ে। আজি সন্ধিয়াৰ পূবে দাবী সমিতিৰ সৈতে যোৱা প্ৰতিবাদী ৰাইজৰ এটা দল আৰু জিলা আয়ুক্তৰ মাজত বৈঠক হয় যদিও আয়ুক্তই কোনো সমিধান দিব নোৱাৰাত আলোচনা বিফল হয়। উল্লেখযোগ্য যে যোৱা ১৮ আগষ্টত অনুষ্ঠিত হোৱা অসম চৰকাৰৰ কেবিনেট সিদ্ধান্তৰ মৰ্মে সম-জিলাৰ সদৰ স্থান চূড়ান্ত কৰাৰ বাবে জিলা আয়ুক্তৰ লগত জিলা অভিভাৱক মন্ত্ৰীয়ে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে। এই ক্ষেত্ৰত দাবীসমিতিয়ে ইতিমধ্যে ধেমাজি জিলা অভিভাৱক মন্ত্ৰী অতুল বৰাক লগ কৰি সকলো কথা বিৱৰি কৈ স্মাৰক পত্ৰ প্ৰদান কৰিছে যদিও বিষয়টো মিমাংসা হোৱা নাই। ইফালে অলপতে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভুবন পেগুৱে ৰাইজৰ দাবীক নস্যাৎ কৰি সামাজিক মাধ্যমত চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত থকা খেলুৱৈ আৱাস গৃহ এটিৰ ফটো নিৰ্মীয়মান চিচিবৰগাঁও সম-জিলাৰ আয়ুক্ত কাৰ্যালয় বুলি প্ৰচাৰ কৰা কাৰ্যত চিচিবৰগাঁও অঞ্চলৰ লগতে সমষ্টিটোৰ ধেমাজি গোহাঁই পঞ্চায়ত, মৰিধল, মাছখোৱা, বৰদলনি, নৰোৱাথান আদি অঞ্চলৰ ৰাইজো অসন্তুষ্ট হৈছে বুলি দাবী সতিয়ে জানিবলৈ দিছে। বিষয়টো অসমৰ মুখ্যমন্ত্ৰীয়ে গুৰুত্ব সহকাৰে লৈ তৎকালে বৃহত্তৰ চিচিবৰগাঁও অঞ্চলৰ দাবী অনুসৰি সমাধান কৰিবলৈ আহ্বান জনাইছে। ইফালে প্ৰতিবাদী কাৰ্য্যসূচীৰ মাজতে দুপৰীয়া চিচিবৰগাঁও ৰাজহচক্ৰ বিষয়াই প্ৰতিবাদকাৰী সকলৰ ওচৰত উপস্থিত হৈ বিয়লি ৫ বজাত জিলা আয়ুক্তৰ সৈতে বিষয়টো সম্পৰ্কে এক আলোচনাত বহি এক সমাধান দিয়া প্ৰতিশ্ৰুতি দিয়ে। ৰাজহচক্ৰ বিষয়াৰ প্ৰতিশ্ৰুতিৰ মৰ্মে বিয়লি ৫ বজাত জিলা আয়ুক্তৰ সভাকক্ষত প্ৰতিবাদকাৰী সকলৰ সৈতে আলোচনা বহে যদিও জিলা আয়ুক্তইজিলা অভিভাৱক মন্ত্ৰী অতুল বৰাৰ সৈতে বিষয়টো আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ কৌশলী বক্তব্যত ৰাইজে কোনো মতে সন্তুষ্ট নোহোৱাত দুয়োপক্ষৰ আলোচনা বিফল হ'ল। প্ৰতিবাদকাৰী সকলে যি কোনো কাৰণতে হ'লেও চিচিবৰগাঁও সমষ্টিৰ সদৰত শীঘ্ৰেই সমজিলা কাৰ্য্যালয় স্থাপন কৰাৰ দাবীত অটল হৈ থাকিব। এই দাবী পূৰণ নোহোৱা পৰ্যন্ত অনিৰ্দিষ্ট কাললৈকে ৰাইজে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি যাব বুলি ৰাইজক স্থিতি স্পষ্ট কৰি দিছে।

কোকৰাঝাৰত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ পৰ্যালোচনা মন্ত্ৰী অজন্তা নেওগৰ



অসম বাৰ্তা, কোকৰাঝাৰ, ৩০ ছেপ্টেম্বৰ ঃ অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন তথা পৰ্যটন মন্ত্ৰী অজন্তা নেওগে আজি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ অগ্ৰগতি পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে কোকৰাঝাৰৰ ডিমালগাঁৱত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনত নিৰ্মাণ হৈ থকা কৰ্মৰত মহিলাৰ ছাত্ৰাবাস পৰিদৰ্শন কৰে। নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত থকাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ শেহতীয়া স্থিতি আৰু চলি থকা কামৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ উপৰি জিলাখনত নিৰ্মাণ হৈ থকা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা কাৰ্যালয় ভৱন পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতি পৰ্যালোচনা কৰে। বাকী থকা কামসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ পিছত কোকৰাঝাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক শিউলি মহিলাৰী, বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়, পৰ্বতঝৰা বিধানসভা সমষ্টিৰ বিধায়ক আশ্ৰাফুল ইছলাম শ্বেখ, বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰকাশ বসুমতাৰী, বিটিচিৰ সচিব পামি ব্ৰহ্ম, কোকৰাঝাৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, অতিৰিক্ত জিলা আয়ুক্তসকল, যুটীয়া সঞ্চালক তথা চিএইচডি, জিলা সমাজ কল্যাণ বিষয়া, শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীক আদৰণি জনাই জিলা আয়ুক্তগৰাকীয়ে মহিলা আৰু শিশু উন্নয়ন বিভাগক শক্তিশালী কৰা আৰু জিলাখনত বিভাগটোৰ বিভিন্ন আঁচনিৰ ৰূপায়ণ উন্নত কৰাৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰি অহা পদক্ষেপৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত মন্ত্ৰীগৰাকীয়ে জিলাখনত নিৰ্মাণ হৈ থকা অংগনবাড়ী কেন্দ্ৰসমূহৰ অগ্ৰগতি, বৰ্তমানৰ অংগনবাড়ী কেন্দ্ৰসমূহৰ কাৰ্যক্ষমতা, আইচিডিএছ প্ৰকল্পসমূহৰ অগ্ৰগতি আৰু মহিলা তথা শিশুৰ কল্যাণৰ বাবে ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ বুজ লয়। 'বেটী বচাও, বেটী পঢ়াও' আৰু 'প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা' অধিক ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনাও প্ৰদান কৰে। বিভাগটোৰ সেৱা প্ৰদান ব্যৱস্থা শক্তিশালী কৰাৰ লগতে সকলো স্তৰতে বিভাগটোৰ কাম-কাজ সুচাৰুৰূপে চলাবলৈ খালী হৈ থকা পদসমূহ যোগ্যতাৰ ভিত্তিত অতি সোনকালে পূৰণ কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী অজন্তা নেওগে মহিলা, স্তনপান কৰাই থকা মাতৃ আৰু শিশুৰ মাজত পুষ্টি সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্বাস্থ্যসন্মত খাদ্যাভ্যাস আৰু উন্নত স্বাস্থ্যচৰ্চা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ কথাও তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে ডাইনী সন্দেহত নিৰ্যাতন, ঘৰুৱা হিংসা আৰু শিশুৰ যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা আইন (POCSO Act) - ৰ অধীনৰ ঘটনা আদি সমাজৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত অধিক সজাগতা সৃষ্টি কৰাৰ বাবেও মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। মন্ত্ৰী নেওগে মহিলা আৰু শিশুৰ কল্যাণ তথা বিভিন্ন আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰ, বিটিচি আৰু জিলা প্ৰশাসনে ঘনিষ্ঠ সমন্বয়েৰে কাম কৰিব লাগিব বুলি উল্লেখ কৰে।

পদযাত্ৰা কৰি আছুৰ প্ৰতিবাদ; ঘটনাস্থলীত আৰক্ষী-প্ৰশাসন

ছয়গাঁৱত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ দাবীত আছুৰ তীব্ৰ প্ৰতিবাদ



অসম বাৰ্তা, ছয়গাঁও, ৩০ ছেপ্টেম্বৰ ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ছয়গাঁৱত নিৰ্মাণ কাৰ্য্য চলি থকা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হৈ আহিছে দুৰ্ঘটনা। এই দুৰ্ঘটনাত কেবাজনো লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক ঘুণীয়া হয়। দেওবাৰে নিশা মেধাৱী ছাত্ৰ ঢেকেনাবড়ীৰ বিমান বিকাশ কেশৰ দুৰ্ঘটনাত নিহত হোৱাৰ পিছত আজি স্থানীয় ৰাইজৰ সহযোগত আছুৱে উলিয়াইছিল প্ৰতিবাদী কাৰ্যসূচী। পিছে এই প্ৰতিবাদ স্থলীত ছয়গাঁও আছুৰ বাদে স্থানীয় লোকৰ সঁহাৰি দেখা পোৱা নগ'ল। বৰঞ্চ স্থানীয় ৰাইজে দূৰৈৰ পৰা দৃশ্যটো চাই মোবাইলত বন্দী কৰাহে দেখিবলৈ পোৱা গৈছিল। আছুৰ নেতৃত্বই ছয়গাঁও হৰিমন্দিৰ প্ৰাংগনৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে পদযাত্ৰা কৰি ঢেকেনাবড়ীৰ দুৰ্ঘটনাগ্ৰস্ত অঞ্চলটোলৈ গৈ প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাস্থলীত উপস্থিত হয় পলাশবাৰী সম জিলাৰ আৰক্ষী অধীক্ষক ডেইজী গগৈ আৰু ছয়গাঁৱৰ ৰাজহ চক্ৰ বিষয়া নিথি কলিতা সহ ছয়গাঁও আৰক্ষীৰ বিশাল দল। প্ৰতিবাদ সাব্যস্ত কৰাৰ মাজতে বন্ধ কৰি দিয়ে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ। যাৰ ফলত গুৱাহাটী গোৱালপাৰা অভিমুখী যান বাহন সমূহ বহুসময় ধৰি স্তব্ধ হৈ থাকিব লগীয়াত পৰে। অৱশ্যে এটা সময়ত ১০/১৫ দিনৰ ভিতৰত ছয়গাঁৱৰ পথটো মেৰামতি কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়াত পথটো মুকলি কৰি দিয়ে।

ৰঙ্গতীৰ্থ কলা কেন্দ্ৰই নলবাৰী জিলাৰ শিয়ালমাৰীত 'পাৰিজাত হৰণ' নাট পৰিৱেশন

অসম বাৰ্তা, দেওমৰনৈ, ৩০ ছেপ্টেম্বৰ ঃ সমগ্ৰ ৰাজ্যৰ লগতে নলবাৰী জিলাৰ শিয়ালমাৰী ৰাজহুৱা হৰিমন্দিৰ প্ৰাংগনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, শিয়ালমাৰী প্ৰাথমিক শাখাৰ উদ্যোগত আৰু আঞ্চলিক ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ ৫৭৮ সংখ্যক গুৰু আৱিৰ্ভাৱ মহোৎসৱৰ নিশা জগত কুমাৰী পাঠক সোঁৱৰণি মঞ্চত অনুষ্ঠিত হোৱা সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ শিল্পীসকলে পৰিৱেশন কৰে গুৰুজনাৰ অনবদ্য সৃষ্টি অঙ্কীয়া ভাওনা "পাৰিজাত হৰণ" নাট। ভাওনা ভাগি পৰিৱেশনৰ আগমুহূৰ্তত শিল্পীসকলে গুৰু বন্দনাৰে শুভাৰম্ভ কৰে। শিল্পীসকলে পৰিৱেশন কৰা খোলবাদন, গায়ন-বায়ন আৰু সাৱলীল অভিনয়েৰে মন্ত্ৰমুগ্ধ কৰাৰ লগতে দৰ্শকৰ হৃদয় জিনিবলৈ সক্ষম হয়। ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ দ'লটোত অংশগ্ৰহণ কাৰি শিল্পীসকল হ'ল ক্ৰমে সূত্ৰধাৰ-সোণাক্ষী কলিতা, শ্ৰীকৃষ্ণ-ধ্ৰুৱজ্যোতি ডেকা, ইন্দ্ৰ-চিণ্টুমণি হাজৰিকা, নাৰদ-ৰিংকু কলিতা, গৰুড়-জোনজ্যোতি হাজৰিকা, নৰকাসুৰ-ৰাজু সেনাপতি, ৰুক্মিণী-মৃদুস্মিতা হাজৰিকা, সত্যভামা-ধূৰলিকা বৰুৱা, শচী-নিহাৰিকা বৰা, অদিতি-পল্লৱী বৈশ্য, ৰখীয়া- নিলোপল হাজৰিকা, ভাৰ্গৱ ডেকা, ধৃতিমান কলিতাৰ লগতে সভাপতি তথা সামগ্ৰিক পৰিকল্পনা-মৃত্যুঞ্জয় ডেকা, নাট পৰিচালক- ত্ৰৈলোক্য নাথ, সম্পাদক তথা ব্যৱস্থাপনা- জ্যোতি প্ৰসাদ ডেকা, দ'ল পৰিচালক- ধীৰেশ্বৰ ডেকা আৰু অচ্যুত কৃষ্ণ চহৰীয়া। এই আধ্যাত্মিক পৰিৱেশ উপভোগ কৰিবলৈ অঞ্চলটোৰ শ শ ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটে বুলি আয়োজক সমিতিৰ সভাপতি প্ৰবীন ডেকাই জনায়।

বকোৰ শিংৰাত শিংৰা-পালাহপাৰা শাৰদীয় দুৰ্গোৎসৱৰ লাইখুঁটা স্থাপন

অসম বাৰ্তা, বকো, ৩০ ছেপ্টেম্বৰ ঃ হিন্দু দেৱী মা দুৰ্গাৰ আৰাধনাক কেন্দ্ৰ কৰি প্ৰতি বছৰে সমগ্ৰ দেশৰ লগতে অসমতো উলহ-মালহেৰে পালন কৰা হয় শাৰদীয় দুৰ্গোৎসৱ। হিন্দু সম্প্ৰদায়ৰ অন্যতম বৃহৎ ধৰ্মীয় আৰু সামাজিক উৎসৱ হিচাপে পৰিচিত এই দুৰ্গোৎসৱক লৈ ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰম্ভ হৈছে ব্যাপক প্ৰস্তুতি। ইয়াৰ সমান্তৰালভাৱে কামৰূপ জিলাৰ শিংৰা-পালাহপাৰাতো শাৰদীয় দুৰ্গোৎসৱ উদযাপনৰ বাবে আৰম্ভ হৈছে প্ৰস্তুতি। প্ৰত্যেক বছৰৰ দৰে এইবাৰো শিংৰা-পালাহপাৰা শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত উলহ-মালহেৰে অনুষ্ঠিত হ'ব মা দুৰ্গাৰ পূজা-অৰ্চনা। অহা ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ শিংৰাত অনুষ্ঠিত হ'ব এই শাৰদীয় দুৰ্গোৎসৱ। ইয়াৰ অংশ হিচাপে আজি দুৰ্গোৎসৱ উদযাপনৰ স্থলীত ধৰ্মীয় আৰু মাংগলিক ৰীতি-নীতিৰে আনুষ্ঠানিকভাৱে স্থাপন কৰা হয় লাইখুটা। বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰাজু মেছৰ জৰিয়তে সম্পন্ন কৰা হয় এই লাইখুটা স্থাপন কাৰ্যসূচী। লাইখুটা স্থাপনৰ সময়ত উপস্থিত থাকে দুৰ্গোৎসৱ উদযাপন সমিতিৰ বিষয়ববীয়াৰ লগতে স্থানীয় ৰাইজ। শিংৰা-পালাহপাৰা শাৰদীয় দুৰ্গোৎসৱ উদযাপন সমিতিৰ সভাপতি অনন্ত ৰয় আৰু সম্পাদক জীৱেশ্বৰ পাঠকে জানিবলৈ দিয়া মতে, আগন্তুক দুৰ্গোৎসৱ সাফল্যমণ্ডিতভাৱে উদযাপনৰ বাবে ইতিমধ্যে বিভিন্ন প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ধৰ্মীয় পৰম্পৰা আৰু ভক্তিৰে মা দুৰ্গাৰ আৰাধনাৰ লগতে কেইবাদিনো ধৰি বিভিন্ন কাৰ্যসূচীৰে এই দুৰ্গোৎসৱ উদযাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে উদযাপন সমিতিয়ে। লাইখুটা স্থাপনৰ লগে লগে এতিয়া শিংৰা-পালাহপাৰাত শাৰদীয় দুৰ্গোৎসৱক লৈ সৃষ্টি হৈছে এক উৎসৱমুখৰ পৰিৱেশ।

হাজো আৰক্ষীৰ অভিযানত জব্দ বৃহৎ পৰিমাণৰ গাঞ্জা; এজনক আটক

অসম বাৰ্তা, হাজো, ৩০ ছেপ্টেম্বৰ ঃ হাজো আৰক্ষীৰ বৃহৎ সাফল্য। নিশা হাজোৰ মোখনীয়াত অভিযান চলাই জব্দ বৃহৎ পৰিমাণৰ নিষিদ্ধ গাঞ্জা। ঘটনাৰ বিৱৰণী অনুসৰি নিশা হাজোৰ মোখনীয়াত গাঞ্জা সৰবৰাহৰ এখন নিৰ্ভৰযোগ্য খবৰৰ ভিত্তিত হাজো আৰক্ষীয়ে ৰামদিয়া আৰক্ষী চকীৰ সহযোগত এক নাকা চেকিং বহুৱাই। কিন্তু গুৱাহাটী দিশৰ পৰা অহা গাঞ্জা সৰবৰাহ কৰা AS01ET2527 নম্বৰৰ MG HECTOR বাহন খনে চেকিংৰ উমান পাই অন্য পথেদি গৈ হিৰণ্য ঠাকুৰীয়া ওৰফে ৰাজীৱৰ ফাৰ্ম হাউচত গাঞ্জাখিনি ৰাখি থয়। পিছত হাজো আৰক্ষী আৰু ৰামদিয়া আৰক্ষীয়ে স্থানীয় গাওবুঢ়াৰ উপস্থিতিত তালাচী চলাই পশ্চিম মোখনীয়াস্থিত ফাৰ্ম হাউচৰ গোপন সুৰংগৰ পৰা জব্দ কৰে নিষিদ্ধ গঞ্জাখিনি। অভিযুক্ত হিৰণ্য ঠাকুৰীয়াই ফাৰ্ম হাউচৰ শোৱনি কোঠাৰ বিছনাৰ তলত গোপন সুৰংগত ৬টা প্লাষ্টিকৰ বস্তাত লুকুৱাই ৰাখিছিল নিষিদ্ধ গাঞ্জা খিনি। উদ্ধাৰ হোৱা গাঞ্জা খিনিৰ ওজন প্ৰায় ৩১ কেজি আৰু ইয়াৰ বজাৰ মূল্য প্ৰায় পাঁচ লক্ষাধিক টকা। উল্লেখ্য যে নিচা যুক্ত সামগ্ৰীৰ ব্যৱসায়ৰ লগত জড়িত হিৰণ্য ঠাকুৰীয়াক পূৰ্বেও আৰক্ষীৰ এক অভাযান গুলীয়াই ছিল। আনহাতে অভিযানৰ ঘটনাস্থলী কমলপুৰ থানাৰ এলেকাধীন হোৱাৰ বাবে জব্দকৃত বাহন, গাঞ্জা আৰু অভিযুক্তক আইনগত ব্যৱস্থাৰ বাবে কমলপুৰ আৰক্ষীক চমজাই দিয়ে হাজো আৰক্ষীয়ে।

২ অক্টোবৰত বৰক্ষেত্ৰী জ্যেষ্ঠ নাগৰিকৰ সন্মিলন

অসম বাৰ্তা, দৌলাশাল, ৩০ ছেপ্টেম্বৰ ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৃতীয় দ্বি বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি চলিছে। জ্যেষ্ঠ নাগৰিকৰ ৬ ছেপ্টেম্বৰত অনুষ্ঠিত সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মে ২ অক্টোবৰত দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে তৃতীয় দ্বি বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলাইছে। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰতলাস্থিত বৰতলা হাইস্কুলত ২ অক্টোবৰত আৰম্ভপূৰ্ণভাৱে অনুষ্ঠিত হব অধিবেশনৰ কাৰ্যসূচী। সাধাৰণ সভাই ইতিমধ্যেই বৰতলা হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি তথা সমাজহিতৈষী শশীভূষণ ডেকাক সভাপতি আৰু বৰতলা হাইস্কুলৰ প্ৰধান শিক্ষক নৰেন ৰবি দাসক সম্পাদক হিচাপে লৈ ১০ জনীয়া আদৰণি সমিতি গঠন কৰাত আদৰণি সমিতিয়ে পূৰ্ণগতিৰে চলাইছে অধিৱেশনৰ পাৰম্ভিক কাম কাজ। অধিৱেশনতেই জ্যেষ্ঠ নাগৰিকৰ জীৱনী সংকলনৰে "অগ্ৰজজ্যোতি" নামেৰে এখন গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰি সম্পাদনা সমিতিৰ সভাপতি দীনেশ চন্দ্ৰ কলিতা আৰু সম্পাদক নগেন দাসে গ্ৰন্থৰ কাম সম্পূৰ্ণ কৰি তুলিছে বুলি জানিবলৈ দিয়ে। অধিৱেশনৰ কাৰ্যসূচী মৰ্মে ২ অক্টোবৰত পুৱা ৮ বজাত জ্যেষ্ঠ নাগৰিকৰ পতাকা উত্তোলন কৰিব বৰক্ষেত্ৰী আঞ্চলিক সন্মিলনৰ সভাপতি ভবেন্দ্ৰ নাথ শৰ্মাই। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক হাতেম আলীয়ে আৰু গছপুলি ৰোপণ কৰিব ক্ৰমে কুশল ডেকা, হলধৰ বৰ্মন, দামোদৰ হালৈ আৰু মতিউৰ ৰহমানে। দিনৰ ২ বজাত মুকলি সভা উদ্বোধন কৰিব নলবাৰীৰ দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক হিৰণ্য বৰ্মনে। ভবেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত জ্যেষ্ঠ নাগৰিকৰ জীৱনী সংকলন "অগ্ৰজজ্যোতি" উন্মোচন কৰিব দিনমণি ভাগুৱ কায়স্থই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ নাগৰিক অসমৰ প্ৰধান সম্পাদক প্ৰসন্ন কুমাৰ বৰঠাকুৰ, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব জ্যেষ্ঠ চিকিৎসক ডাঃ দিপম বৰ্মন আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব নলবাৰী জিলাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি-সম্পাদক ক্ৰমে দক্ষৰাম বৰ্মন আৰু প্ৰিয়নাথ বৰ্মন। দিনযোৱা বিস্তৃত কাৰ্যসূচীত বৰক্ষেত্ৰী আঞ্চলিক জ্যেষ্ঠনাগৰিক সন্মিলনৰ প্ৰতিগৰাকী সদস্যক উপস্থিত থাকিবলৈ আহ্বান জনাইছে সন্মিলনৰ সম্পাদক ভুৱনেশ্বৰ নাথে। মুকলি সভাতেই চাৰি মৌজাৰে গঠিত বৰক্ষেত্ৰীৰ কেইবাগৰাকী জ্যেষ্ঠনাগৰিকক সন্মান প্ৰদান কৰা হব বুলিও জানিবলৈ দিয়ে ভুৱনেশ্বৰ নাথে।

চেলেংহাটত অইল মে' এনাৰ্জীৰ বিৰুদ্ধে কৃষক মুক্তিৰ প্ৰতিবাদ; স্মাৰকপত্ৰ প্ৰদান



অসম বাৰ্তা, চেলেংহাট, ৩০ ছেপ্টেম্বৰ ঃ যোৰহাট জিলাৰ চেলেংহাট অঞ্চলৰ স্থানীয় ৰাইজৰ বিভিন্ন সমস্যা সমাধান, বান সাহায্য আৰু স্থানীয় লোকৰ কৰ্মসংস্থাপনৰ দাবীত আজি অইল মে' এনাৰ্জী প্ৰাইভেট লিমিটেডৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট আঞ্চলিক সমিতিয়ে। সংগঠটোৱে চেলেংহাটস্থিত আমগুৰি তৈল ক্ষেত্ৰৰ ০৬ নং খাদৰ সমুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদস্থলীত সংগঠনটোৰ নেতা-কৰ্মীসকলে অইল মে' এনাৰ্জী কৰ্তৃপক্ষক তীব্ৰ ভৰ্ৎসনা কৰি স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবী উত্থাপন কৰে। প্ৰতিবাদস্থলীত কৃষক নেতা অৰিন্দম গগৈ, ঋতুমণি হাজৰিকা, ৰবীন হাজৰিকা, অম্লান গগৈকে ধৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বহু নেতা-কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ইয়াৰ পাছতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট আঞ্চলিক সমিতিয়ে অইল মে' এনাৰ্জী প্ৰাইভেট লিমিটেডৰ আমগুৰি অইল ফিল্ডৰ সংস্থাপন ব্যৱস্থাপকলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সমিতিৰ সভাপতি বিৰেণ গগৈ আৰু সম্পাদক দুদুমণি মহন্তই স্বাক্ষৰ কৰা স্মাৰকপত্ৰত উল্লেখ কৰা অনুসৰি, দীৰ্ঘদিন ধৰি কোম্পানীটোৱে চেলেংহাট অঞ্চলৰ ০৬ নং খাদৰ পৰা বৃহৎ পৰিমাণৰ খাৰুৱা তেল আহৰণ কৰি আহিছে। এই কাৰ্যত স্থানীয় ৰাইজৰ সহযোগিতা থকাৰ পাছতো স্থানীয় লোকসকলে উত্থাপন কৰি অহা বিভিন্ন সমস্যা আৰু দাবীসমূহৰ যথাযথ সমাধান নকৰাৰ অভিযোগ উত্থাপন কৰে সংগঠনটোৱে। বিশেষকৈ শেহতীয়া বানপানীত চেলেংহাট অঞ্চলৰ বহু লোক ক্ষতিগ্ৰস্ত হোৱাৰ পাছতো কোম্পানীটোৰ তৰফৰ পৰা পৰ্যাপ্ত বান সাহায্য আৰু বানৰ পাছৰ পুনৰুদ্ধাৰ কাৰ্যত সহযোগিতা আগবঢ়োৱা নহ'ল বুলি অভিযোগ উত্থাপন কৰে কৃষক মুক্তিয়ে। স্মাৰকপত্ৰযোগে সংগঠনটোৱে কোম্পানীটোৰ সামাজিক দায়বদ্ধতা (CSR)ৰ অধীনত স্থানীয় কমিউনিটি ক্লাব আৰু ৰাজহুৱা কমিউনিটি হলসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ধন আবণ্টন, স্থানীয় ৰাইজৰ বাবে ৮০ শতাংশ কৰ্মসংস্থাপনৰ ব্যৱস্থা, বানপীড়িত লোকসকলক টিনপাত, বাচন-বৰ্তন, টোকা আদি প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা আৰু প্ৰতি তিনিমাহৰ মূৰে মূৰে স্থানীয় ৰাইজৰ বাবে স্বাস্থ্য সেৱা শিবিৰ অনুষ্ঠিত কৰাৰ দাবী জনায়। সংগঠনটোৱে কয় যে তৈলক্ষেত্ৰৰ কাম-কাজত স্থানীয় ৰাইজে সহযোগিতা আগবঢ়াই অহাৰ পৰিপ্ৰেক্ষিতত স্থানীয় লোকসকলৰ সমস্যা আৰু দাবীসমূহৰ প্ৰতিও কোম্পানী কৰ্তৃপক্ষই দায়বদ্ধতা প্ৰদৰ্শন কৰা উচিত। দাবীসমূহ শীঘ্ৰে পূৰণ নকৰিলে সংগঠটোৱে গণতান্ত্ৰিকভাৱে পৰৱৰ্তী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে।

হোজাইত বন বিভাগৰ সেৱা সংকল্প অভিযান আৰম্ভ

অসম বাৰ্তা, ডবকা, ২৯ ছেপ্টেম্বৰ ঃ দক্ষিণ নগাঁও সংমণ্ডল বন প্ৰাধিকাৰি বিষয়া নয়নজ্যোতি ৰাজবংশীৰ নেতৃত্বত হোজাই জিলাৰ বিভিন্ন প্ৰান্তত যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা এমাহযোৱা কাৰ্যসূচীৰে সেৱা সংকল্প অভিযান আৰম্ভ হয়। তাৰে সমান্তৰালকৈ শনিবাৰে ডবকাৰ বুঢ়ীগংগা পিকনিক স্থলীত বন বিভাগৰ বিষয়া-কৰ্মচাৰী সকলে চাফাই অভিযান চলোৱাৰ লগতে সৌন্দৰ্য বৃদ্ধি আৰু সেউজ পৰিৱেশৰ ওপৰত গুৰুত্ব প্ৰদান কৰি উক্ত স্থানত গছ-পুলি ৰোপণ কৰাৰোপৰিও ৰাইজৰ মাজত গছ-পুলি বিতৰণ কৰে। লগতে বনাঞ্চল সংৰক্ষণ কৰাৰ বাবে স্থানীয় ৰাইজৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰে। এই কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰাৰ বাবে স্থানীয় ৰাইজক অশেষ ধন্যবাদ জ্ঞাপন কৰে হোজাই বন বিষয়া নয়নজ্যোতি ৰাজবংশীয়ে। উক্ত কাৰ্যসূচীত হোজাই দক্ষিণ নগাওঁ বন প্ৰাধিকাৰি বিষয়া নয়নজ্যোতি ৰাজবংশী, ডবকা যমুনাভেলী বনাঞ্চলিক বিষয়া দীপক মহন্ত আদিকৰি বনকৰ্মী সহ স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে বুঢ়ীগংগা পিকনিক স্থলীত দৈনিক শ শ লোকৰ আগমনে পৰিৱেশ বিনষ্ট হোৱা দেখিবলৈ পাই বন বিভাগৰ লোকে চাফাই অভিযান কাৰ্যসূচী হাতত লোৱাৰ বাবে স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰে।

মিচিং আৰু অসমীয়া ভাষাত নিৰ্মিত পূৰ্ণদৈৰ্ঘ্যৰ কথাছবি 'সময়ে কন্দোৱাই'ৰ পোষ্টাৰ মুকলি

১৭ অক্টোবৰত ছবিগৃহত শুভমুক্তি

অসম বাৰ্তা, নুমলীগড়, ২৯ ছেপ্টেম্বৰ ঃ অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী মিচিং সমাজে নিজৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অহা মিচিং সমাজৰ ভাষা-সংস্কৃতি আৰু সামাজিক জীৱনক আধাৰ কৰি ইতিমধ্যে কেইবাখনো বোলছবি নিৰ্মাণ আৰু প্ৰদৰ্শন হৈছে। এই ধাৰাবাহিকতাত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক তথা প্ৰযোজক তৰুলতা কুটুমৰ নৱতম সৃষ্টি মিচিং আৰু অসমীয়া ভাষাৰ পূৰ্ণদৈৰ্ঘ্যৰ কথাছবি 'সময়ে কন্দোৱাই' (A: YIRE KAMMC: DAG) অহা ১৭ অক্টোবৰত ছবিগৃহত শুভমুক্তি লাভ কৰিব বুলি জানিব পৰা গৈছে। ছবিখনৰ শুভমুক্তিৰ প্ৰাকক্ষণত ২৫ ছেপ্টেম্বৰত গোলাঘাটৰ কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাৰ কাৰ্যালয়ত ছবিখনৰ সৈতে জড়িত উদ্যোগক্তাসকলে এখন সংবাদমেল অনুষ্ঠিত কৰি ছবিখনৰ কাহিনী, নিৰ্মাণ, কলা-কুশলী আৰু কাৰিকৰী দিশসমূহৰ বিষয়ে অৱগত কৰে। সংবাদমেলতে ছবিখনৰ পোষ্টাৰো মুকলি কৰা হয়। সংবাদমেলত ছবিখনৰ সহকাৰী প্ৰযোজক জীৱন দলে জানিবলৈ দিয়া মতে, যথেষ্ট ব্যয় বহুলভাৱে নিৰ্মাণ কৰা ছবিখনৰ কাৰিকৰী কাম বৰ্তমান অন্তিম পৰ্যায়ত আছে। ছবিখনৰ সংগীত পৰিচালনাৰ দায়িত্বত আছে শিৱব্ৰত শৰ্মা (বাবলু)। আনহাতে, গুৱাহাটীৰ চিকমিক ষ্টুডিঅ'ত ছবিখনৰ সম্পাদনাৰ কাম চলি আছে আৰু সম্পাদনা কৰিছে বিতুল কোঁৱৰে। বেনিল বৰিয়ে আৰু তৰুলতা কুটুমে যুটীয়াভাৱে ছবিখনৰ কাহিনী ৰচনা কৰিছে। ছবিখনত তৰুলতা কুটুম, নীল তামোলী, বিনোদ পেগু, বুলু মৰাং দলে, দিবাকৰ পেগু, দিলীপ দলে আৰু ভূপেন কামানকে ধৰি মিচিং জনগোষ্ঠীৰ কেইবাগৰাকীও অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিছে। মিচিং জনগোষ্ঠীৰ ভাষা, সংস্কৃতি, পৰম্পৰা আৰু সামাজিক জীৱনৰ বিভিন্ন দিশ চলচ্চিত্ৰৰ জৰিয়তে দৰ্শকৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যৰে নিৰ্মাণ কৰা হৈছে 'সময়ে কন্দোৱাই' ছবিখনৰ সৈতে জড়িত কলা-কুশলীসকলে আশা প্ৰকাশ কৰে যে ছবিখনে মুক্তিৰ পাছত দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব। উল্লেখ্য যে মিচিং ভাষাত নিৰ্মিত কেইবাখনো বোলছবিয়ে ইতিমধ্যে অসমৰ বিভিন্ন স্থানৰ লগতে দিল্লী, মুম্বাইসহ দেশৰ বিভিন্ন প্ৰান্তত প্ৰদৰ্শিত হৈ মিচিং ভাষা-সাহিত্য আৰু সংস্কৃতিক বহল পৰিসৰত পৰিচিত হৈছে। এই পৰম্পৰাৰ ধাৰাবাহিকতাত 'সময়ে কন্দোৱাই' ছবিখনৰ আগন্তুক মুক্তিয়ে মিচিং চলচ্চিত্ৰ জগতলৈ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি সংশ্লিষ্ট মহলে আশা প্ৰকাশ কৰিছে।

অস্মিতা ফাউণ্ডেচনৰ দশম বৰ্ষপূৰ্তিৰ উপলক্ষত 'শিশুৰ কৰ্কট ৰোগ সম্পৰ্কীয়জন সচেতনতা সভা'ৰ আয়োজন

বিশিষ্ট সঙ্গীতশিল্পী প্ৰদ্যুৎ হাজৰিকাক প্ৰদান কৰিব 'অস্মিতা ফাউণ্ডেচন বঁটা'

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৯ ছেপ্টেম্বৰ ঃ বিগত ২০১৬ চনত সমাজসেৱাৰ এক সেচ্ছাসেৱী সংগঠনৰূপে জন্ম লাভ কৰা তিনিচুকীয়াৰ বৰদলৈ নগৰত মুখ্য কাৰ্যালয়স্থিত অস্মিতা ফাউণ্ডেচনৰ দশম বৰ্ষপূৰ্তি আৰু বঁটা প্ৰদান অনুষ্ঠানটি অহা ২ অক্টোবৰৰ দিনৰ ১১ বজাত তিনিচুকীয়াৰ সমীপৰ গুইজানস্থিত 'বনশ্ৰী ইক' কেম্পৰ 'মায়াৱিনী' সভাকক্ষত অনুষ্ঠিত হ'ব। বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি এখনি 'শিশুৰ কৰ্কট ৰোগ সম্পৰ্কীয়জন সচেতনতা সভা'ৰো আয়োজন কৰা হৈছে। উক্ত সভাত ডিব্ৰুগড়ৰ বিশিষ্ট কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ জলী ৰাভাই সমল ব্যক্তিৰূপে নিৰ্দিষ্ট বিষয় সম্পৰ্কে আলোচনা আগবঢ়াব। এই সভাতেই ডিগবৈৰ বাসিন্দা তথা বিশিষ্ট সঙ্গীতশিল্পী প্ৰদ্যুৎ হাজৰিকাক তেখেতৰ নিৰালস্য সঙ্গীত সাধনাৰ স্বীকৃতিস্বৰূপে 'অস্মিতা ফাউণ্ডেচন বঁটা' প্ৰদান কৰা হ'ব। এই বঁটাত আছে অংগবস্ত্ৰ, স্মাৰক আৰু নগদ ৫ হেজাৰ টকাৰ মাননি। উক্ত সভাতেই 'মাধৱীলতা সাহিত্য ন্যাস'ৰ দ্বাৰা প্ৰকাশিত তথা অস্মিতা ফাউণ্ডেচনৰ সভাপতি, বিশিষ্ট অনুবাদক অতুল চন্দ্ৰ শৰ্মাৰ অনূদিত উপন্যাস 'ভিক্ষু প্ৰিয় আৰু পৰাশৰ' আৰু বিশিষ্ট কবি-সাহিত্যিক প্ৰণতি বৰুৱাৰ শিশুগল্পৰ পুথি 'অকণিহঁতৰ গল্প' উন্মোচন কৰা হ'ব। উল্লেখ্য যে, অস্মিতা ফাউণ্ডেচনে প্ৰতিষ্ঠা লাভ কৰাৰ পাছৰে পৰাই সমাজৰ উত্তৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। বাণিজ্যিক চহৰ তিনিচুকীয়া বৰদলৈ নগৰৰ বাসিন্দা তথা পাঞ্জাৱ নেচনেল বেংকৰ অৱসৰপ্ৰাপ্ত প্ৰবন্ধক তথা সাহিত্যিক অতুল চন্দ্ৰ শৰ্মা আৰু তেখেতৰ পত্নী অজন্তা শৰ্মাই গঢ়ি তোলা এই সংস্থাটি তেওঁলোকৰ দ্বিতীয়া কন্যা অস্মিতাৰ নামেৰে নামকৰণ কৰি বিগত সময়চোৱাত সমাজৰ বিকাশৰ বাবে সেৱা আগবঢ়াই আহিছে। অস্মিতাই জীৱনৰ সোণোৱালী দিন আৰম্ভ কৰাৰ পদূলিতেই কৰ্কট ৰোগত আক্ৰান্ত হৈ এই পৃথিৱীৰ পৰা আঁতৰি যায়। অস্মিতাৰ পিতৃ-মাতৃয়ে সেয়েহে তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যেৰে এই অস্মিতা ফাউণ্ডেচনৰ যোগেদি সমাজৰ অসহায় ৰোগীসকললৈ প্ৰতি বছৰে সহায়ৰ হাত আগবঢ়াই আহিছে।

ছাৰ্ভিছ ৰাইফলৰ গুলীত কৰ্তব্যৰত আৰক্ষী জোৱানৰ মৃত্যু

হাউলিস্থিত ২৮ নং অসম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত অঘটন

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৯ ছেপ্টেম্বৰ ঃ বৰপেটা জিলাৰ হাউলীত অৱস্থিত ২৮ নং অসম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত সংঘটিত এক শোকাৱহ ঘটনাই আৰক্ষী মহলৰ লগতে সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কৰ্তব্যৰত অৱস্থাত থকা এগৰাকী আৰক্ষী জোৱান ছাৰ্ভিছ ৰাইফলৰ গুলীত মৃত্যুমুখত পৰে। প্ৰাপ্ত তথ্য অনুসৰি, মৃত জোৱানজন নলবাৰী জিলাৰ মুকালমুৱাৰ নিবেদ মেধি। কৰ্তব্যৰত অৱস্থাত থকা সময়তে জোৱানজনৰ ছাৰ্ভিছ ৰাইফলৰ পৰা গুলী ওলাই তেওঁৰ দেহত লাগে বুলি প্ৰাথমিকভাৱে জানিব পৰা গৈছে। অৱশ্যে ঘটনাটো আত্মহননৰ ফল নে আন কোনো পৰিস্থিতিত গুলীচালনাৰ ঘটনা সংঘটিত হৈছে, সেই বিষয়ে এই মুহূৰ্তত নিশ্চিত তথ্য প্ৰকাশ পোৱা নাই। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ঘটনাটোৰ প্ৰকৃত কাৰণ আৰু সম্পূৰ্ণ পৰিস্থিতি জানিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰাৰ সম্ভাৱনা আছে। আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ পাছতহে ঘটনাটোৰ সন্দৰ্ভত অধিক স্পষ্ট তথ্য পোহৰলৈ আহিব। কৰ্তব্যৰত অৱস্থাত এগৰাকী আৰক্ষী জোৱানৰ আকস্মিক মৃত্যুৰ ঘটনাই তেওঁৰ পৰিয়াল, সহকৰ্মী আৰু আত্মীয়-স্বজনৰ মাজত গভীৰ শোকৰ সৃষ্টি কৰিছে। এগৰাকী কৰ্তব্যৰত জোৱানৰ হাতত থকা চৰকাৰী আগ্নেয়াস্ত্ৰৰ পৰা কেনেদৰে এই শোকাৱহ ঘটনা সংঘটিত হ'ল, সেই বিষয়টোও স্বাভাৱিকতে তদন্তৰ গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। ঘটনাটোৰ সৈতে জড়িত প্ৰকৃত তথ্য আৰু মৃত্যুৰ কাৰণ তদন্তকাৰী কৰ্তৃপক্ষৰ আনুষ্ঠানিক বক্তব্যৰ পাছতহে নিশ্চিত হ'ব।

বৰদলনিত জুবিন গাৰ্গৰ সোঁৱৰণত দ্বিতীয় বাৰ্ষিক 'বৰদলনি প্ৰিমিয়াৰ লীগ'

মায়াবিনীৰ সুৰেৰে আৰম্ভণি দিৱা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাৰ

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৯ ছেপ্টেম্বৰ ঃ মন্দিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ১ নং মন্দিয়া বৰদলনিৰ যুৱ আৰু ছাত্ৰ সমাজৰ উদ্যোগত ২৬ আৰু ২৭ ছেপ্টেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত হয় দ্বিতীয় বাৰ্ষিক 'বৰদলনি প্ৰিমিয়াৰ লীগ' দিৱা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা। বৰদলনি-ভেলেঙী নদীৰ পাৰত অনুষ্ঠিত এইবাৰৰ প্ৰতিযোগিতাখন অসমৰ গৌৰৱ তথা প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত আয়োজন কৰা হয়। প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মইনা দাসে। উদ্বোধনী অনুষ্ঠানত ট্ৰফী আৰু প্ৰাইজমানিৰ দাতা হিচাপে উপস্থিত থাকে মন্দিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী মমতাজ বেগম, মেধিৰটাৰীৰ ৰাজিদুল ইছলাম, মন্দিয়া হোলছেল ফাৰ্মাচীৰ স্বত্বাধিকাৰী ছাইফুল ইছলাম, মন্দিয়া পাথাৰৰ সোণাৰী দোকানৰ স্বত্বাধিকাৰী আলী হোছেইন আৰু টি কে এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী বাবুল খান। অনুষ্ঠানত ক্ৰিকেট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি শিৰাজুল হকৰ লগতে সমাজৰ মুৰব্বী সুৰ্যত আলী, তছুৰ উদ্দিন, অৱসৰপ্ৰাপ্ত শিক্ষক নুৰ মহম্মদ আলী, শিক্ষক আতোৱাৰ ৰহমান আৰু ফালু আহমেদে নৱপ্ৰজন্ম তথা যুৱ সমাজক উদ্দেশ্য কৰি বিভিন্ন পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। তেওঁলোকে ক্ৰীড়াৰ জৰিয়তে যুৱসমাজক সুস্থ, শৃংখলাবদ্ধ আৰু সমাজমুখী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, ফুটবলৰ প্ৰতি গভীৰ অনুৰাগ থকা জুবিন গাৰ্গৰ সোঁৱৰণত তেওঁৰ জনপ্ৰিয় 'মায়াবিনী' গীতৰ সুৰেৰে ক্ৰিকেট প্ৰতিযোগিতাখনৰ শুভাৰম্ভ কৰা হয়। ক্ৰীড়াৰ সৈতে সংগীত আৰু স্মৃতিৰ এই সংযোগে উদ্বোধনী অনুষ্ঠানটোত এক আবেগিক পৰিৱেশৰ সৃষ্টি কৰে। যুৱ আৰু ছাত্ৰ সমাজৰ এনে উদ্যোগে অঞ্চলটোত ক্ৰীড়া-সংস্কৃতিৰ বিকাশৰ লগতে নৱপ্ৰজন্মক ইতিবাচক দিশত আগুৱাই নিয়াত সহায় কৰিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে।

খিলঞ্জীয়াৰ ভূমি সংৰক্ষণৰ দাবীত গোলাঘাটত বীৰ লাচিত সেনাৰ ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৯ ছেপ্টেম্বৰ ঃ খিলঞ্জীয়া লোকৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ লগতে ভূমি সংৰক্ষণৰ বাবে এখন শক্তিশালী ভূমি সংৰক্ষণ আইন প্ৰণয়নৰ দাবীত গোলাঘাটত প্ৰতিবাদ সাব্যস্ত কৰে বীৰ লাচিত সেনা, অসমৰ গোলাঘাট জিলা সমিতিয়ে। সংগঠনটোৰ উদ্যোগত আজি ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে খিলঞ্জীয়া লোকৰ ভূমি যাতে অবৈধভাৱে হস্তান্তৰ বা বেদখল নহয়, তাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে চৰকাৰে খিলঞ্জীয়াৰ ভূমি অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি দাবী জনায়। লগতে খিলঞ্জীয়াৰ ভূমি সংৰক্ষণৰ বাবে এখন সুস্পষ্ট আৰু শক্তিশালী আইন শীঘ্ৰে প্ৰণয়ন কৰিবলৈ চৰকাৰৰ ওচৰত আহ্বান জনায়।

ছাত্ৰীৰ গাত হাত দিয়াৰ অভিযোগত শিক্ষকক লৈ কাকাৰাগাঁৱত চাঞ্চল্য

অসম বাৰ্তা, বাসুগাঁও, ২৯ ছেপ্টেম্বৰ ঃ এগৰাকী ছাত্ৰীক ফুচুলাই মাতি নি মৰম কৰাৰ চলেৰে দেহৰ বিভিন্ন অংগত হাত দিয়াৰ অভিযোগক কেন্দ্ৰ কৰি কাকাৰাগাঁও অঞ্চলত ব্যাপক চৰ্চা অব্যাহত আছে। অভিযোগৰ আঙুলি উঠিছে কাকাৰাগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক আনন্দ সিংহৰ বিৰুদ্ধে। অভিযোগ অনুসৰি, যোৱা ২২ ছেপ্টেম্বৰৰ পুৱা শিক্ষকগৰাকীয়ে খোজকঢ়াৰ সময়ত বিদ্যালয়খনৰ এগৰাকী ছাত্ৰীক ফোনযোগে মাতি পঠিয়ায়। ছাত্ৰীগৰাকীয়ে দুগৰাকী বান্ধৱীৰ সৈতে শিক্ষকগৰাকীৰ ওচৰলৈ যোৱাৰ পাছত আন দুগৰাকীক খোজকঢ়িবলৈ দি এগৰাকী ছাত্ৰীক পূৰ্বৰ প্ৰাথমিক বিদ্যালয়ৰ দিশলৈ লৈ যায়। তাত মৰম কৰাৰ চলেৰে ছাত্ৰীগৰাকীৰ দেহৰ বিভিন্ন অংগত হাত দিয়াৰ অভিযোগ উত্থাপিত হৈছে। ছাত্ৰীগৰাকীয়ে আপত্তি কৰা সত্ত্বেও শিক্ষকগৰাকীয়ে এনে কাৰ্য অব্যাহত ৰখাৰ অভিযোগত ছাত্ৰীগৰাকীয়ে তাৰ পৰা আঁতৰি গৈ পৰিয়ালক ঘটনাটো অৱগত কৰে। ঘটনাটোক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইফালে, অভিযোগৰ তদন্তৰ বাবে আজি শিক্ষা বিভাগৰ ঊৰ্ধ্বতন বিষয়াসকল বিদ্যালয়খনত উপস্থিত হৈ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু সংশ্লিষ্ট লোকৰ বক্তব্য গ্ৰহণ কৰে। তদন্তত অভিযোগ প্ৰমাণিত হ'লে শিক্ষকগৰাকীৰ বিৰুদ্ধে বিধি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ক্ষুব্ধ ৰাইজক আশ্বাস দিয়ে বিষয়াসকলে।

২৪ ঘণ্টাৰ ভিতৰত দোষীক কৰায়ত্ত নকৰিলে গোলাঘাট স্তব্ধ কৰি দিয়াৰ হুংকাৰ আছুৰ

গোলাঘাটত ছাত্ৰ একতা সভাৰ নিৰ্বাচন কেন্দ্ৰিক সংঘাত; অসম ছাত্ৰ পৰিষদৰ সদস্যৰ আক্ৰমণত আহত আছুকৰ্মী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৯ ছেপ্টেম্বৰ ঃ গোলাঘাটৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি যোৱা ২৭ ছেপ্টেম্বৰৰ নিশা অসম ছাত্ৰ পৰিষদৰ এগৰাকী সদস্যই সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী সদস্যক আক্ৰমণ কৰা ঘটনা সংঘটিত হয়। গোলাঘাট নগৰত সংঘটিত হোৱা এই হিংসাত্মক কাৰ্যকলাপক ধিক্কাৰ জনাইছে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই। আছু কৰ্মী সান্দিপ ভূঁঞাক নিৰ্বাচনকেন্দ্ৰীক বাক্-বিতণ্ডাক লৈ যোৱা নিশা চোকা অস্ত্ৰৰে আক্ৰমণ কৰিছিল অসম ছাত্ৰ পৰিষদৰ ছাহিল আহমেদ নামৰ এজন যুৱকে। তাৰ পিছতেই সংবাদ মাধ্যমৰ যোগেৰে অতি শীঘ্ৰে অপৰাধীটোক কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ প্ৰশাসনক দাবী জনাইছিল সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই। কিন্তু পৰিতাপৰ বিষয় ঘটনাৰ এটা দিন উকলি যোৱাৰ পিছটো দোষীক কৰায়ত্ত কৰিবলৈ সক্ষম নাই হোৱা গোলাঘাটৰ আৰক্ষী প্ৰশাসন। এই সন্দৰ্ভত আজি সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিবৰ্তন গোস্বামী, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা গোলাঘাট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাৰ সৈতে এক বিশেষ আলোচনাত মিলিত হয়। গোলাঘাট জিলাখনত অবাধ গতিত বাঢ়ি যোৱা ড্ৰাগছ-ভাঙ আৰু মাদক দ্ৰব্যৰ বেহাৰ বাবেই এনে ঘটনা সংঘটিত হোৱা বুলি মত পোষণ কৰে ছাত্ৰ সন্থাৰ সঁজাতি দলটোৱে। সদৌ অসম ছাত্ৰ সন্থাই অহিংস পন্থাৰে ছাত্ৰ ৰাজনীতি পৰিচালিত হোৱাতো কামনা কৰে। এনে আক্ৰমণৰ ঘটনা গণতন্ত্ৰৰ পৰিপন্থী। দুচকীয়া বাহনেৰে আহি দহ-বাৰজন সদস্যই এগৰাকী নিষ্ঠাৱান ছাত্ৰকৰ্মীক নিশাৰ আন্ধাৰৰ সুযোগ লৈ বৰ্বৰভাৱে আক্ৰমণ কৰা ঘটনা কোনো কাৰণতেই সহ্য কৰা নহ'ব বুলি উল্লেখ কৰে। আলোচনাৰ অন্তত অতি সোনকালে দোষীক কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ আশ্বাস দিয়ে জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে। অতি সোনকালেই গোলাঘাট আৰক্ষীক অভিযুক্ত গৰাকীক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান নকৰিলে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলি এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ আৰু সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই।

'Generosity' আৰু পশু চিকিৎসা বিভাগৰ যৌথ উদ্যোগত সজাগতা সভা আৰু ভেকচিনেচন ড্ৰাইভ

নলবাৰীত বিশ্ব ৰেবিছ দিৱস উদযাপন



অসম বাৰ্তা, নলবাৰী, ২৯ ছেপ্টেম্বৰ ঃ আজি বিশ্ব ৰেবিছ দিৱস উপলক্ষ্যে নলবাৰীত 'Generosity: Desire to Help' নামৰ স্বেচ্ছাসেৱী সংস্থা আৰু ৰাজ্যিক পশুপালন তথা পশু চিকিৎসা বিভাগ, নলবাৰীৰ যৌথ উদ্যোগত আৰু ১ অসম বেটেলিয়ন এন.চি.চি. সহযোগত এক বিস্তৃত সজাগতা সভা আৰু বিনামূলীয়া এণ্টি-ৰেবিছ ভেকচিনেচন ড্ৰাইভ সফলতাৰে সম্পন্ন হয়। নলবাৰী কলেজ চৌহাদত অনুষ্ঠিত এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল সমাজত ৰেবিছ (জলাতংক) ৰোগ সম্পৰ্কে সজাগতা সৃষ্টি কৰা আৰু পথৰ আশ্ৰয়হীন জীৱ-জন্তুক ৰেবিছ মুক্ত কৰি মানৱীয় সুৰক্ষা প্ৰদান কৰা। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে RAIO, জিলা পশু চিকিৎসা বিষয়া, বিশিষ্ট পশু চিকিৎসকসকল, নলবাৰী কলেজৰ অধ্যক্ষ তথা শিক্ষক-কৰ্মচাৰীবৃন্দ, আৰু ১ অসম বেটেলিয়ন এন.চি.চি. (নলবাৰী কলেজ ইউনিট)ৰ কমাণ্ডাৰ আৰু কেডেটসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বক্তব্য ৰাখি বক্তাসকলে কয় যে ৰেবিছ এবিধ অতি মাৰাত্মক ৰোগ হ'লেও সঠিক সময়ত ছিটা প্ৰদান আৰু পোহনীয়া তথা পথৰ কুকুৰসমূহক নিয়মিত ভেকচিনেচন কৰিলে এই ৰোগ ১০০ শতাংশ প্ৰতিৰোধ কৰিব পৰা যায়। সভাৰ সমান্তৰালভাৱে অঞ্চলটোৰ বহুসংখ্যক পথৰ আশ্ৰয়হীন কুকুৰক বিনামূলীয়াকৈ ৰেবিছ প্ৰতিষেধক ভেকচিন প্ৰদান কৰা হয়। 'Generosity: Desire to Help'ৰ ফালৰ পৰা আজিৰ সমগ্ৰ কাৰ্যসূচীত উপস্থিত থাকি দিহা-পৰামৰ্শ আগবঢ়োৱা বিশিষ্ট পশু চিকিৎসকসকল, শিক্ষাবিদসকল, এন.চি.চি. কেডেটসকল, ছাত্ৰ-ছাত্ৰী সকল আৰু নিস্বাৰ্থ স্বেচ্ছাসেৱকসকললৈ অন্তৰৰ পৰা গভীৰ ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰা হয়। সংস্থাটোৱে নলবাৰীক এক ৰেবিছমুক্ত আৰু জীৱ-জন্তুৰ প্ৰতি সহানুভুতিশীল জিলা হিচাপে গঢ়ি তোলাৰ সংকল্প পুনৰ ব্যক্ত কৰে।

ড° সুকন্যা গোস্বামীলৈ ৰামচৰণ ভৰালী সোঁৱৰণী বঁটা

অসম বাৰ্তা, দৌলাশাল, ২৯ ছেপ্টেম্বৰ ঃ নলবাৰীৰ স্বেচ্ছাসেৱী সংস্থা 'সংবাদ সাহিত্য সমাজ গোষ্ঠী'ৰ প্ৰথম বাৰ্ষিক অধিৱেশনত ড° সুকন্যা গোস্বামীক লোকশিল্পী 'ৰামচৰণ ভৰালী সোঁৱৰণী' বঁটাৰে সন্মানিত কৰা হয়। সংবাদ-সাহিত্য-সমাজ গোষ্ঠীৰ বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি আজি নলবাৰী যজ্ঞভূমিস্থিত সেউজী সাহিত্য কাননৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনাচক্ৰত এই বঁটাটি প্ৰদান কৰা হয়। সংগীতৰ ক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ড° সুকন্যা গোস্বামীক এই বঁটাৰে সন্মানিত কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানটোত ড° বিনয় কুমাৰ মজুমদাৰ, ড° জ্ঞানেন্দ্ৰ বৰ্মন, উৎপল কুমাৰ গোস্বামী, ড° সুশান্ত কুমাৰ কাশ্যপ, ড° ওৱাহিদুৰ ৰহমান আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে সংগীতৰ মাজেদিয়েই এখন সুস্থ সমাজ গঢ়াৰ পৰিকল্পনা কৰি অহৰ্নিশে চেষ্টা চলাই অহা নলবাৰী জিলাৰ বিদ্যাপুৰ নিবাসী শিক্ষাবিদ উৎপল কুমাৰ গোস্বামী আৰু প্ৰবক্তা বীণা দেৱীৰ একমাত্ৰ কন্যা ড° সুকন্যা গোস্বামীয়ে সৰুৰে পৰাই সংগীত সাধনাত ব্ৰতী হৈ সম্প্ৰতি এক সুকীয়া পৰিচয় অৰ্জন কৰিবলৈ সক্ষম হৈছে। অসমৰ বিভিন্ন মঞ্চত সংগীত পৰিৱেশনৰ উপৰি তেওঁ কেইবাটাও গীতত কণ্ঠদান কৰিছে। অসমীয়া চলচ্চিত্ৰ আৰু মোবাইল থিয়েটাৰৰ বাবেও তেওঁ কণ্ঠ নিগৰাই দৰ্শক-শ্ৰোতাৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সংগীতৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁ ইতিমধ্যে কেইবাটাও ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈছে। আনহাতে শিক্ষকতাক ব্ৰত হিচাপে লোৱা সুকন্যা গোস্বামীয়ে নলবাৰী জিলা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা হিচাপে সেৱা আগবঢ়াই আহিছে। 'সংবাদ সাহিত্য সমাজ গোষ্ঠীয়ে ড° সুকন্যা গোস্বামীক 'লোকশিল্পী ৰামচৰণ ভৰালী সোঁৱৰণী' বঁটা প্ৰদান কৰাত নলবাৰীৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শুভেচ্ছা জ্ঞাপন কৰিছে।

এশ বছৰত ভৰি দিলে তেজপুৰৰ কেবি'জ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানে

অসম বাৰ্তা, তেজপুৰ সদৰ, ২৯ ছেপ্টেম্বৰ ঃ ১৯২৬ চনত অবিভক্ত দৰং জিলা বৰ্তমান শোণিতপুৰ জিলা সদৰ তেজপুৰৰ মাজমজিয়াত কেডাৰমল বাগাৰীয়া ব্যৱসায় যাত্ৰা আৰম্ভ কৰা কৰা আৰু পৰবৰ্তী পৰ্যায়ত কেডাৰমলৰ উত্তৰসূৰী বদ্ৰীনাৰায়ণ বাগাৰীয়া আৰু বৰ্তমান ওম প্ৰকাশ বাগাৰীয়া আৰু বিনোদ বাগাৰীয়াই কেবিজৰ ব্যৱসায় অভিযান অক্ষুণ্ণ ৰখা প্ৰতিষ্ঠানখনৰ ১০০বছৰীয়া ব্যৱসায়ৰ যাত্ৰাত তেজপুৰত ব্যৱসায়িক আৰু আৰ্থিক উত্তৰনত অৰিহণা যোগাবলৈ সক্ষম হৈছে। সাংস্কৃতিক নগৰী তেজপুৰৰ লগতে শোণিতপুৰ জিলা আৰু অৰুণাচল প্ৰদেশৰ বমডিলা টাৱাং চেক্টৰৰ পৰ্য্যটক সকলৰ পৰিচিত কেবিজৰ এশ বছৰ পূৰ্তি উপলক্ষে আজি তেজপুৰৰ এক অভিজাত হোটেলৰ সভাকক্ষত অনুষ্ঠিত বিশেষ সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংঘালে তেজপুৰৰ লগতে অসমৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰাত কেবিজৰ অৱদান স্মৰন কৰি কেবিজৰ উত্তৰসূৰী তথা ১৯৬৩চনত আইআইটি খড়গপুৰৰ পৰা কাৰিকৰী শিক্ষাত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত চৰকাৰী চাকৰিৰ পৰিবৰ্তে ব্যৱসায় খণ্ডত জড়িতহৈ অসমত চাহপাত উৎপাদন কৰিবলৈ মিচন চাৰিআলিত চাহপাত ফেক্টৰীৰ বাবে মেচিন নিৰ্মাণ কৰাৰ সময়তে ১৯৬৫চনত চাহপাত উৎপাদন কৰাৰ বাবে প্ৰথম উদ্ভাৱন কৰা চি টি চি মেচিন অসমৰ বিভিন্ন চাহপাত ফেক্টৰীৰ লগতে দেশ বিদেশতো সমাদৰ লাভ কৰাৰ কথা ব্যক্ত কৰে। মন্ত্ৰী সিংঘালে কেবিজৰ শতবৰ্ষ উপলক্ষে প্ৰকাশ পোৱা স্মৰণিকা "এক শতিকাৰ আস্থা" উন্মোচন কৰে। অনুষ্ঠানত তেজপুৰৰ বিশিষ্ট লোক সকলৰ লগতে তেজপুৰ আৰু বৰছলা বিধানসভা সমষ্টিৰ বিধায়কদ্বয় পৃথ্বীৰাজ ৰাভা আৰু ঋতুবৰন শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য্য অধ্যাপক অমৰেন্দ্ৰ কুমাৰ দাসেও বক্তব্য প্ৰদান কৰে।

আদৰ্শ খেতিয়ক ধনীৰাম চেতিয়াক দুষ্কৃতিকাৰীৰ হত্যাৰ চেষ্টা

গুৰুতৰভাৱে আহত ধনীৰাম চিকিৎসাধীন

অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৯ ছেপ্টেম্বৰ ঃ যোৱা নিশা তিনিচুকীয়া জিলাৰ পেঙেৰী নিকটৱৰ্তী কিন্তু বৰডুমচা থানাৰ অন্তৰ্গত টকৌপথাৰৰ এখন চাহ বাগিচাত কেঁচা চাহ পাতৰ চোৰৰ দ্বাৰা আক্ৰমণৰ সন্মুখীন হয় আদৰ্শ খেতিয়ক ধনীৰাম চেতিয়া। উল্লেখ্য যে টেকেৰী নিবাসী ধনীৰামে পোনতে কালি ঘটনা সংঘটিত হোৱা ডিগবৈৰ জে এন বৰুৱা মালিকাধীন বাগিচাখনতে নিয়মীয়াকৈ নৈশ চকীদাৰৰ চাকৰী কৰিছিল। কিন্তু উদ্যান শস্যৰ খেতিয়ক হিচাপে জনপ্ৰিয়তা অৰ্জন কৰাৰ পাছৰে পৰা উক্ত দায়িত্বৰ পৰা তেওঁ অব্যাহতি লয় যদিও গৰাকী বৰুৱাই তেওঁক দায়িত্বৰ পৰা একেবাৰে এৰি দিয়া নাছিল। সেই সূত্ৰেই তেওঁ প্ৰয়োজন সাপেক্ষে কালি নিশা দুপৰত নৈশ চকীদাৰসকলৰ কাতৰ অনুৰোধ মৰ্মে গৈ বাগিচাখনত উপস্থিত হৈছিলগৈ। গৈ দেখে যে ৬জন যুৱকে চাহ পাত ছিঙি আছে। টৰ্চৰ পোহৰত যুৱকৰ দলটোৰ দুজনমানক চিনি পাই ধনীৰামে স্বভাৱসুলভভাৱে বুজাবলৈ আগবাঢ়ি গৈছিল। দলটিৰ হাতত আছিল চোকা দাজাতীয় অস্ত্ৰ আৰু কাণ্ডমাৰি। দা লৈ আগবাঢ়ি অহা যুৱক এজনক প্ৰতিৰোধ কৰিবলৈ লওঁতেই পাছফালৰ পৰা এজনে দাৰে প্ৰহাৰ কৰে। তেজেৰে লুতুৰিপুতুৰি হৈ পৰা ধনীৰামক সতীৰ্থ নৈশ চকীদাৰসকলে এম্বুলেঞ্চ মাতি লগে-লগে চিকিৎসালয়লৈ লৈ যায়। সম্প্ৰতি তেওঁ চাবুৱাৰ ছেণ্ট লুকছ হাস্পতালত চিকিৎসাধীন হৈ আছে। তেওঁ বিপদমুক্ত বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আদৰ্শ খেতিয়ক ধনীৰাম চেতিয়া এইবাৰেই নহয়, পূৰ্বতেও কেইবাবাৰ বিপথগামী যুৱকৰ হাতত শাৰীৰিকভাৱে অপদস্থ হৈছে। এই ঘটকাক সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কেন্দ্ৰীয় মুখপাত্ৰ তথা প্ৰচাৰ সম্পাদক বিক্ৰম বৰগোহাঁইয়ে কয় যে এই আক্ৰমণ এদল সাধাৰণ চোৰৰ দলে কৰা আক্ৰমণ নহয়, ই এক ছিষ্টেমৰ ওপৰত আক্ৰমণ। তেওঁ অচিৰেই ক্ষুদ্ৰ চাহ খেতিয়কৰ স্বাৰ্থত 'এন অ' চি' প্ৰৱৰ্তনৰ দাবীত তিনিচুকীয়াত গণ আন্দোলন আৰম্ভ কৰাৰ কৰাৰ কথা অৱগত কৰে। এন অ' চি প্ৰৱৰ্তনে উক্ত দুষ্কাৰ্যসমূহ আঁতৰ কৰাত সহায় কৰিব। এই ঘটনাক বিভিন্ন সংগঠন আৰু ব্যক্তি বিশেষে গৰিহণা দিছে আৰু অতি শীঘ্ৰে দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰি নিদৰ্শনমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে।

সম্পাদকীয়

স্বেচ্ছামূলক ৰক্তদান ঃ প্ৰাণ ৰক্ষা, সচেতনতাৰ অংগীকাৰ

আজিৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষতে 'ৰাষ্ট্ৰীয় স্বেচ্ছাকৃত ৰক্তদান দিৱস' (National Voluntary Blood Donation Day) হিচাপে পালন কৰা হয়। ১৯৭৫ চনৰ পৰা আৰম্ভ হোৱা এই বিশেষ দিৱসটোৰ মূল উদ্দেশ্য হৈছে ৰক্তদানৰ গুৰুত্ব সম্পৰ্কে জনসাধাৰণৰ মাজত ব্যাপক সচেতনতা সৃষ্টি কৰা আৰু স্বেচ্ছাকৃতভাৱে তেজ দান কৰাসকলক ধন্যবাদ জ্ঞাপন কৰা। আমাৰ দেশত চিকিৎসা বিজ্ঞানৰ অভূতপূৰ্ব উন্নতি ঘটিছে যদিও আজিলৈকে মানুহৰ তেজৰ কোনো কৃত্ৰিম বিকল্প আৱিষ্কাৰ হোৱা নাই। এটুপি তেজে মুমূৰ্ষু ৰোগীক নতুন জীৱন দিব পাৰে। গতিকে, স্বেচ্ছামূলক ৰক্তদান কেৱল এক উপকাৰী কাৰ্যই নহয়, ই মানবীয়তাৰ এক মহৎ সামাজিক দায়িত্ব।

ভাৰতবৰ্ষৰ দৰে বিশাল জনসংখ্যাৰ দেশখনত প্ৰতিদিনে হাজাৰ হাজাৰ লিটাৰ তেজৰ প্ৰয়োজন হয়। পথ দুৰ্ঘটনা, জটিল অস্ত্ৰোপচাৰ, প্ৰসৱকালীন ৰক্তক্ষৰণ, কেন্সাৰ চিকিৎসা, তথা থেলাছেমিয়া, এনিমিয়া আৰু হৃদৰোগত আক্ৰান্ত ৰোগীসকলৰ বাবে তেজ বা ইয়াৰ উপাদানেই (যেনে— প্লেটলেট, প্লাজমা) হৈছে একমাত্ৰ জীৱন ৰক্ষাকৰী উপায়। বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) অনুসৰি, দেশ এখনৰ মুঠ জনসংখ্যাৰ অন্ততঃ ১ শতাংশই নিয়মিত ৰক্তদান কৰিলে তেজৰ ঘাটি দূৰ হয়। কিন্তু আমাৰ দেশত চাহিদাৰ তুলনাত আজিও স্বেচ্ছাকৃত ৰক্তদাতাৰ সংখ্যা পৰ্যাপ্ত নহয়। এই অভাৱৰ অন্যতম প্ৰধান কাৰণ হৈছে অসম তথা সমগ্ৰ দেশৰে সমাজত বৰ্তি থকা নানা অন্ধবিশ্বাস, ভুল ধাৰণা আৰু ভয়। বহুলোকে ভাবে যে ৰক্তদান কৰিলে শৰীৰ দুৰ্বল হৈ পৰে, বেমাৰ-আজাৰ হয় বা শৰীৰৰ ওজন কমে। কিন্তু চিকিৎসা বিজ্ঞানৰ মতে, এইবোৰ সম্পূৰ্ণ ভিত্তিহীন ধাৰণা। এজন সুস্থ আৰু সাবালক মানুহৰ (১৮ পৰা ৬৫ বছৰ বয়সৰ, ওজন ন্যূনতম ৪৫ কেজি) শৰীৰত প্ৰায় ৫-৬ লিটাৰ তেজ থাকে। তাৰে কেৱল ৩৫০ ৰ পৰা ৪৫০ মিলিলিটাৰ তেজহে দান কৰা হয়, যিটো শৰীৰে মাত্ৰ ২৪ ৰ পৰা ৪৮ ঘণ্টাৰ ভিতৰত পুনৰ প্ৰাকৃতিকভাৱে উৎপাদন কৰি লয়। বৰঞ্চ, নিয়মিত ৰক্তদানে শৰীৰৰ অতিৰিক্ত আইৰন নিয়ন্ত্ৰণ কৰি হৃদৰোগ আৰু ষ্ট্ৰোকৰ আশংকা কমায়।

সম্প্ৰতি ৰক্তদান ব্যৱস্থাত এক ডাঙৰ প্ৰত্যাহ্বান হৈছে ৰক্ত বেংকসমূহত দেখা দিয়া "প্ৰতিষ্ঠাপন ভিত্তিক ৰক্তদান" (Replacement Donation)-ৰ আধিপত্য। অৰ্থাৎ, আপোনজন অসুস্থ হ'লেহে অন্য এগৰাকী সদস্যই তেজ দিবলগীয়া হয়। ইয়াৰ বিপৰীতে, স্বেচ্ছামূলক ৰক্তদানৰ প্ৰচলন বৃদ্ধি নাপালে জৰুৰীকালীন অৱস্থাত বা অকলশৰীয়া ৰোগীয়ে সময়মতে তেজ পাবলৈ কঠিন হৈ পৰে। ইয়াৰ উপৰি, অপৰিষ্কাৰ পৰিবেশত অবৈধভাৱে চলাই থকা ৰক্তদান ব্যৱস্থা আৰু তেজৰ ক'লা বজাৰ বন্ধ কৰিবলৈ চৰকাৰ আৰু স্বাস্থ্য বিভাগৰ কঠোৰ নিৰীক্ষণ অতি আৱশ্যক।

ৰক্তদান আন্দোলনক সফল কৰিবলৈ চৰকাৰ, ব্যক্তিগতখণ্ড, বেচৰকাৰী সংস্থা (NGO), শিক্ষানুষ্ঠান আৰু সংবাদ মাধ্যমৰ একত্ৰিত প্ৰচেষ্টাৰ প্ৰয়োজন। স্কুল-কলেজসমূহত যুৱপ্ৰজন্মক স্বেচ্ছামূলক ৰক্তদানৰ বিষয়ে সচেতন কৰি তোলাটো সময়ৰ আহ্বান। আধুনিক প্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ সহায় লৈ অনলাইন 'ৰক্তদাতা ডাটাবেছ' আৰু মোবাইল এপ্লিকেচনসমূহ অধিক সক্ৰিয় কৰি তুলিব লাগে, যাতে জৰুৰী সময়ত সহজে ৰক্তদাতাৰ সৈতে যোগাযোগ কৰিব পৰা যায়। ৰক্তদান কোনো জাতি, ধৰ্ম বা সম্প্ৰদায়ৰ মাজত সীমিত হৈ নাথাকে; ৰক্তদানে মানৱতাক এক সূতাৰে বান্ধি ৰাখে। আজিৰ এই পৱিত্ৰ দিৱসত আমি প্ৰত্যেকেই সংকল্প লওঁ আহক— "স্বেচ্ছাই কৰিম ৰক্তদান, বচাম বহু মূল্যৱান প্ৰাণ।" কোনো এজন ব্যক্তিয়েও যাতে তেজৰ অভাৱত অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া নহয়, তাক নিশ্চিত কৰাটোৱেই হ'ব ৰাষ্ট্ৰীয় স্বেচ্ছাকৃত ৰক্তদান দিৱসৰ প্ৰকৃত সফলতা।

বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে

বৃদ্ধ সকলৰ সুখৰ উৎস আৰু সামাজিক দায়িত্ব

বৃদ্ধাৱস্থা হৈছে মানুহৰ জীৱনৰ এনে এটা পৰ্যায়, যি পৰ্যায়ত দেহ আৰু মন দুয়োটা বয়সজনিত কাৰণত ধীৰে ধীৰে সলনি হ'বলৈ ধৰে। সাধাৰণতে, মানুহৰ বয়স ৬০ বছৰত উপনীত হোৱাৰ পাছত বৃদ্ধাৱস্থাৰ আৰম্ভ বুলি ধৰা হয়। যদিও এই বয়স কিছু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে, তথাপি বিশ্ব স্বাস্থ্য সংস্থাই ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ লোকক 'বৃদ্ধ' হিচাপে গণ্য কৰে। বৃদ্ধাৱস্থা হৈছে মানুহৰ জীৱনৰ শেষ পৰ্যায়।

যেতিয়া মানুহৰ আয়ুস নিৰ্দিষ্ট পৰিসীমাৰ ওচৰ চাপি আহে আৰু প্ৰত্যাশিত আয়ুস অতিক্ৰম কৰি জীৱনৰ অন্তিম পৰিসমাপ্তিৰ দিশে আগবাঢ়ে তেতিয়া সেই সময়ছোৱাকেই বৃদ্ধাৱস্থা বুলি কোৱা হয়। বৃদ্ধ বয়সৰ লোকসকলক বৃদ্ধ, বয়োজ্যেষ্ঠ, জ্যেষ্ঠনাগৰিক, বয়সস্থ বা প্ৰাপ্তবয়স্ক বুলিও কোৱা হয়। বৃদ্ধাৱস্থাত মানুহৰ শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন হৈ শৰীৰৰ অংগ-প্ৰত্যংগৰ কাৰ্যক্ষমতা কমি আহে, স্মৃতি শক্তি হ্ৰাস পায়, আৰু ব্যক্তিজনে অধিক যত্নৰ প্ৰয়োজন বোধ কৰে। সৰল ভাষাত, বৃদ্ধাৱস্থা হৈছে জীৱনৰ শেষভাগত উপনীত হোৱাৰ সময়, যি সময়ত দেহ আৰু মন দুয়োটাৰে অধিক সাৱধানতা আৰু বিশেষ যত্নৰ প্ৰয়োজন হয়।

জীৱনৰ শেষ পৰ্যায়ত উপনীত হোৱা বৃদ্ধসকলৰ জীৱন সুখী, শান্তিপূৰ্ণ আৰু সন্মানজনক হোৱাটো সভ্য সমাজৰ প্ৰধান লক্ষ্য হোৱা উচিত। বৃদ্ধসকল সমাজৰ অমূল্য সম্পদ, কিয়নো তেওঁলোকৰ জ্ঞান, অভিজ্ঞতা আৰু ত্যাগৰ দ্বাৰা একোখন সমাজ আৰু একোটা পৰিয়াল গঢ় লৈ উঠে। সমাজৰ ভেটি সুদৃঢ় কৰাত তেওঁলোকৰ জীৱনজোৰা সাধনা আৰু দিকদৰ্শনৰ ভূমিকা অনন্য। কিন্তু দুখৰ বিষয়, আজিকালি বহুতো বৃদ্ধ ব্যক্তি অৱহেলা, অসহায় অৱস্থা আৰু একাকিত্বত ভুগিবলগীয়া হোৱা পৰিস্থিতিৰ সৃষ্টি হৈছে। বহুতেই বৃদ্ধসকলক বোজা বুলি ভাবি লোৱা দেখা যায়। এনে ক্ষেত্ৰত বৃদ্ধাৱস্থাত উপনীত হোৱা লোকসকলৰ সুখৰ উৎসসমূহ চিনাক্ত কৰি সমাজ আৰু পৰিয়ালে তেওঁলোকৰ প্ৰতি কেনে ধৰণৰ দায়িত্ব পালন কৰিব লাগে, সেই বিষয়ে আলোচনা কৰাটো অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে। বৃদ্ধসকলে পাব লগা সুখ কেৱল আৰ্থিক সচ্ছলতাতেই সীমাবদ্ধ হ'ব নোৱাৰে। বৰঞ্চ তেওঁলোকৰ সুখৰ আধাৰ মানসিক, সামাজিক আৰু আধ্যাত্মিক দিশৰ ওপৰতহে নিৰ্ভৰ কৰে। আমাৰ এই লেখাত বৃদ্ধাৱস্থাত পাব লগা সুখৰ আধাৰসমূহৰ সম্পৰ্কত এটি আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

বৃদ্ধসকলৰ জীৱনৰ অভিজ্ঞতা কনিষ্ঠসকলৰ বাবে সদায় পথ প্ৰদৰ্শক হৈ আহিছে। শৈশৱ আৰু কৈশোৰৰ পৰা বৃদ্ধ অৱস্থালৈকে সমগ্ৰ সময়ছোৱাত তেওঁলোকে জীৱনৰ উত্থান-পতন দেখিছে, সংগ্ৰাম কৰিছে আৰু সেই সংগ্ৰামৰ পৰা শিক্ষা লাভ কৰি অভিজ্ঞতাপুষ্ট হৈ উঠিছে। আমাৰ জীৱনৰ সমস্যাবোৰৰ সমাধানৰ পথত তেওঁলোকৰ আদৰ্শ আৰু পৰামৰ্শই আমাক সহায় কৰে। উদাহৰণস্বৰূপে, এজন বৃদ্ধই নিজৰ জীৱন কালত সন্মুখীন হোৱা কঠিন সময়ৰ কথা বৰ্ণনা কৰি তাৰ পৰা উদ্ধাৰ পোৱাৰ উপদেশ প্ৰদান কৰিলে, আমি ধৈৰ্য আৰু সাহসৰ শিক্ষা পোৱাৰ লগতে নিজকে সাজু কৰিবৰ বাবে প্ৰেৰণা লাভ কৰোঁ। গতিকে এনে শিক্ষাই আমাক সুখী জীৱন যাপনৰ বাবে পথ দেখুৱাই। আনহাতে পৰিয়ালত বৃদ্ধসকলৰ উপস্থিতিয়ে আৱেগিক স্থিতিশীলতা আনে। তেওঁলোকৰ স্নেহ, আশীৰ্বাদ আৰু পৰামৰ্শই পৰিয়ালৰ সদস্যসকলক একত্ৰিত কৰি ৰাখে। শিশুসকলৰ ক্ষেত্ৰত তেওঁলোকে ককা-আইতা হিচাপে সংস্কাৰ আৰু সংস্কৃতিৰ জ্ঞান প্ৰদান কৰে। তেওঁলোকৰ সৈতে কটোৱা সময়খিনি শিশুৰ মানসিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ। ককা, আইতাই বৰ্ণনা কৰা লোককথা বা নীতিশিক্ষাই শিশুৰ মনত সুখৰ সৃষ্টি কৰাৰ উপৰিও এটা সংস্কাৰী মন গঢ়ি তোলাত অৰিহণা যোগায়। সমাজতো বৃদ্ধসকলৰ ভূমিকা অনন্য।

তেওঁলোকৰ মান-সন্মান হ্ৰাস পায়, আৰু মুকলিমূৰীয়া হৈ জীৱনটো উপভোগ কৰাত তেওঁলোকৰ অসুবিধা হয়। ইয়াৰ ফলতেই জন্ম পায় এই 'বোজা' বুলি ভাবিব পৰা মনোভাৱটোৱে। এই কথা আমি পাহৰিব নালাগে যে, আমি সকলোৱেই এদিন বৃদ্ধ হ'ম আৰু আমি আমাৰ পিতৃ-মাতৃক বৃদ্ধ অৱস্থাত যেনে ব্যৱহাৰ কৰিছিলোঁ আমাকো আমাৰ সন্তানে এদিন তেনে ব্যৱহাৰ কৰিব। গতিকে পিতৃ-মাতৃৰ ত্যাগ আৰু আদৰ্শক কেতিয়াও পাহৰিব নাপায় আৰু বৃদ্ধাৱস্থা প্ৰাপ্ত তেওঁলোকক উচিত সন্মান আৰু মৰ্যাদা দি প্ৰতিপালন কৰাটো আমাৰ কৰ্তব্য আৰু দায়িত্ব। এইটো নিশ্চিত যে, আমি তেওঁলোকৰ প্ৰতি সন্মান, যত্ন আৰু সময় দিব পৰাটোৱেই হ'ল তেওঁলোকৰ সুখৰ মুখ্যতম উৎস। দৰাচলতে তেওঁলোকৰ সৈতে কটোৱা প্ৰতিটো মুহূৰ্তই আমাৰ জীৱনক সুখময় কৰি তোলে।

ব্যয় বহন কৰাটো এক দুৰ্বিষহ বোজা হৈ পৰে। সেয়েহে চৰকাৰীভাৱে প্ৰদান কৰা বৃদ্ধ পেঞ্চনৰ ধনৰাশি সময়োপযোগীভাৱে বৃদ্ধি কৰাৰ লগতে কৃষক, দিনহাজিৰা কৰা লোক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে সৰ্বাংগীণ সামাজিক সুৰক্ষা পেঞ্চন আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণ অতি জৰুৰী। বয়স বৃদ্ধি পোৱাৰ লগে লগে বহুজনেই ধৰ্ম আৰু আধ্যাত্মিকতাৰ আশ্ৰয় লয়। পূজা-আৰাধনা, ধৰ্মীয় গ্ৰন্থ অধ্যয়ন, ধ্যান-ধাৰণাই তেওঁলোকৰ মনত এনে এটা শান্তি আৰু তৃপ্তি দিয়ে যে, জীৱনৰ শেষ সময়ছোৱাত তেওঁলোকে মনৰ সান্ত্বনা আৰু তৃপ্তি অনুভৱ কৰি উৎসাহিত হয়। আনহাতে বৃদ্ধসকলে নিজৰ ইচ্ছা আৰু মতামতক সন্মান দিয়াটোও সমানে কামনা কৰে। তেওঁলোকেও নিজৰ সিদ্ধান্ত নিজে ল'ব বিচাৰে। গতিকে তেনে স্বাধীনতা পালে প্ৰতিটো মুহূৰ্ততে তেওঁলোক সুখী হয়।


ইয়াৰ উপৰিও পৰিয়ালেই নহয়, সমাজ আৰু ৰাষ্ট্ৰৰো দায়িত্ব আছে বৃদ্ধসকলৰ ভৱিষ্যৎ নিৰাপদ আৰু মৰ্যাদাপূৰ্ণ কৰি তোলাৰ। সকলো সময়তে পৰিয়াল সমূহে বৃদ্ধসকলৰ যত্ন লবলৈ সক্ষম নহ'বও পাৰে। তেনে অৱস্থাত চৰকাৰ আৰু সমাজ আগবাঢ়ি আহি বৃদ্ধাৱস্থা প্ৰাপ্ত লোক সকলক সুব্যৱস্থা প্ৰদান কৰি উপযুক্ত ভাৱে বৃদ্ধনিবাস, আধুনিক চিকিৎসা কেন্দ্ৰ, আৰু সেৱা কেন্দ্ৰসমূহৰ দ্বাৰা নিৰাপদ আশ্ৰয় প্ৰদান কৰাটো প্ৰয়োজন। বিনামূলীয়া চিকিৎসা, পেঞ্চন ব্যৱস্থা, আৰু আমোদ-প্ৰমোদৰ বিশেষ সুবিধাই বৃদ্ধসকলৰ জীৱন সহজ আৰু সুৰক্ষিত কৰি তোলে। দৰিদ্ৰ আৰু অসহায় বৃদ্ধসকলৰ বাবে আৰ্থিক সহায় আগবঢ়োৱাটো বৰ্তমান সময়ৰ এক জৰুৰী পদক্ষেপ হোৱা উচিত। লগতে মানসিক সুস্থতা ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় কাউন্সেলিং সেৱা, ধ্যান শিবিৰ, আৰু সামাজিক মিলনমেলাৰ সুবিধা আগবঢ়াব লাগে। এইবোৰে বৃদ্ধসকলৰ মাজত আত্মীয়তা, আশ্বাস আৰু জীৱনৰ প্ৰতি আশাৰ সঞ্চাৰ কৰি মানসিকভাৱে সবল কৰাত সহায় কৰে। ভাৰত চৰকাৰে বৃদ্ধসকলৰ মৌলিক অধিকাৰ আৰু ভৰণ-পোষণ নিশ্চিত কৰাৰ উদ্দেশ্যে ২০০৭ চনতে 'অভিভাৱক আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ তথা কল্যাণ আইন' (The Maintenance and Welfare of Parents and Senior Citizens Act, 2007) প্ৰণয়ন কৰিছে। এই আইন অনুসৰি সন্তানে পিতৃ-মাতৃৰ ভৰণ-পোষণৰ দায়িত্ব পালন নকৰিলে বা তেওঁলোকক অৱহেলা-পৰিত্যাগ কৰিলে আইনীভাৱে শাস্তি আৰু জৰিমনাৰ ব্যৱস্থা আছে। আনকি পিতৃ-মাতৃয়ে সন্তানৰ নামত স্থানান্তৰ কৰা সম্পত্তিৰ হস্তান্তৰো বাতিল কৰাৰ অধিকাৰ এই আইনে প্ৰদান কৰিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সজাগতাৰ অভাৱৰ বাবে বহু বৃদ্ধই এই আইনী সুৰক্ষাৰ বিষয়ে জ্ঞাত নহয়। সেয়েহে কেৱল আইন প্ৰণয়নেই যথেষ্ট নহয়, ইয়াৰ কঠোৰ প্ৰয়োগ আৰু প্ৰশাসনৰ তৎপৰতাহে বৃদ্ধসকলৰ সন্মানজনক জীৱনৰ আধাৰ হ'ব পাৰে। এক কথাত সমাজত বৃদ্ধসকলৰ প্ৰতি সন্মান আৰু দায়িত্ববোধ গঢ়ি তুলিবলৈ প্ৰয়োজন শিক্ষাৰ পৰা আৰম্ভ হোৱা সচেতনতা। বিদ্যালয়, সংবাদ মাধ্যম আৰু সামাজিক অনুষ্ঠানসমূহে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে।

পৰিশেষত ক'ব পৰা যায় যে, বৃদ্ধসকলৰ সুখী জীৱন গঢ়ি তোলাটো কেৱল এটা নৈতিক দায়িত্বই নহয়, ই হৈছে আমাৰ সভ্যতাৰ পৰিচায়ক। যিসকলৰ ত্যাগ আৰু আশীৰ্বাদৰ ভেটিত আজিৰ প্ৰজন্মই নিজৰ ভৱিষ্যত গঢ়ি তুলিছে, সেইসকল বয়োজ্যেষ্ঠ পিতৃ-মাতৃ তথা অভিভাৱকক জীৱনৰ বিয়লি বেলাত মৰ্যাদা, সুৰক্ষা আৰু আন্তৰিক সান্নিধ্য প্ৰদান কৰাটো আমাৰ পৰম দায়িত্ব। পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰই যদি একগোট হৈ তেওঁলোকৰ প্ৰতি দায়িত্ব পালন কৰে, তেন্তে বৃদ্ধসকলৰ জীৱন হ'ব উজ্জ্বল আৰু সুখময়। এনে এক সমাজেই হ'ব প্ৰকৃত অৰ্থত সভ্য আৰু মানৱীয় মূল্যবোধৰ অধিকাৰী। সেই অৰ্থতেই মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল- 'বৃদ্ধসকলৰ সেৱাই হৈছে ঈশ্বৰৰ সেৱা'।

বৃদ্ধসকলৰ বাবে জীৱনৰ প্ৰকৃত আনন্দৰ উৎস হ'ল পৰিয়াল। সন্তান, নাতি-নাতিনী, ঘৰুৱা পৰিৱেশ- এই সকলোবোৰে তেওঁলোকৰ জীৱনটোক অপাৰ সুখ আৰু আনন্দৰে ভৰাই তোলে। নাতি-নাতিনীৰ সৈতে সময় কটোৱা, পুৱা-সন্ধিয়া তেওঁলোকৰ সৈতে কৰা গল্প-গুজব, খেল-ধেমালিয়ে বৃদ্ধসকলৰ মুখত হাঁহি আনে। যদি পৰিয়ালৰ সদস্যসকলে তেওঁলোকক যথেষ্ট সময় দিয়ে, মৰমেৰে সন্মান কৰে আৰু সময়ত পৰামৰ্শ লয়, তেন্তে বৃদ্ধসকলে নিজৰ অস্তিত্বক গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰিব। পৰিয়ালৰ বাহিৰেও বৃদ্ধসকলৰ মানসিক শান্তি আৰু ভালপোৱাৰ লগত জড়িত থাকে তেওঁলোকৰ সমাজত সক্ৰিয় অংশগ্ৰহণ কৰিব পৰা দিশটো। সামাজিক অনুষ্ঠান, ধৰ্মীয় কাৰ্যকলাপ, সমবয়সীয়া বন্ধু-বান্ধৱীৰ সৈতে সময় কটোৱা এইবোৰে তেওঁলোকৰ জীৱনত নতুন প্ৰাণশক্তি যোগায়। নিজকে বয়সীয়া আৰু কৰ্মহীন বুলি ভাবি মনৰ মাজত যি শূন্যতা জন্মে, সেয়া এইবোৰ মাধ্যমৰে বহু পৰিমাণে হ্ৰাস কৰিব পাৰি। শৰীৰ আৰু মন- এই দুয়োটা সুস্থ থকাটো বৃদ্ধসকলৰ সুখী জীৱনৰ মুখ্যতম আধাৰ। পুষ্টিকৰ খাদ্য, নিয়মিত স্বাস্থ্যপৰীক্ষা, নিয়মিত ব্যায়াম, ধ্যান এইবোৰে তেওঁলোকক কেৱল সুস্থই নহয়, আত্মবিশ্বাসী আৰু উদ্যমী কৰিও ৰাখে।

তেওঁলোকে ঐতিহ্য ৰক্ষা কৰে, পৰম্পৰা জীয়াই ৰাখে আৰু নতুন প্ৰজন্মক পথ দেখুৱায়। তেওঁলোকৰ শান্ত স্বভাৱ আৰু সহনশীলতাই সমাজত শান্তিৰ পৰিৱেশ সৃষ্টি কৰে। যেতিয়া আমি তেওঁলোকক সেৱা কৰোঁ, তেওঁলোকৰ কথা শুনো, তেতিয়া আমাৰ মনত স্বাভাৱিক ভাৱেই সন্তুষ্টি আৰু সুখৰ অনুভৱ হয়।

আজিকালি বহু লোকে বৃদ্ধাৱস্থা প্ৰাপ্ত লোকক অৰ্থাৎ পিতৃ, মাতৃক পৰিয়ালৰ বোজা বুলি ভাবি লয়। যিটো একেবাৰে অনুচিত। অৱশ্যে এই ধাৰণাটোৰ কিছুমান বিশেষ কাৰণ আছে। বয়স হোৱাৰ লগে লগে মানুহৰ শৰীৰ আৰু মন দুয়োটাই আগৰ দৰে সক্ৰিয় হৈ নাথাকে। তেওঁলোকে আগৰ দৰে কাম কৰিব নোৱাৰে, অৰ্থ উপাৰ্জন কৰিব নোৱাৰে, আৰু বহু ক্ষেত্ৰত আনৰ সহায়ৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। ফলস্বৰূপে, পুত্ৰ-বোৱাৰীয়ে ভাবি লয় যে, বৃদ্ধগৰাকীয়ে কেৱল ল'বহে জানে, দিব নোৱাৰে। যিটো দৃষ্টিভংগী অত্যন্ত ভুল আৰু অত্যন্ত হৃদয়বিদাৰক।


নলিনী ৰঞ্জন ভূঞা

আনহাতে সম্প্ৰতি অতি আধুনিকতাৰ পৰশত সমাজৰ গঠন সলনি হৈছে। আগতে যি সমূহ যুগ্ম পৰিয়ালত বৃদ্ধসকলে মৰম, যত্ন, আদৰ আৰু সন্মানৰ সৈতে বাস কৰি আছিল, এতিয়া সেই ধৰণৰ যুগ্ম পৰিয়ালো নাই আৰু সেই পৰিবেশো দিনক দিনে হ্ৰাস পাই আহিছে। বৰ্তমানৰ ব্যস্ত জীৱনশৈলীত মানুহ নিজৰ কামত ইমানেই ব্যস্ত হৈ পৰিছে যে, পিতৃ-মাতৃ বা ককা-আইতাকৰ কথাও মনত ৰাখিবলৈ সময় নোপোৱাৰ দৰে অৱস্থা হৈছেগৈ। ইয়াৰ ফলত, বহু বৃদ্ধ ব্যক্তিয়ে নিজৰ ঘৰতে নিজৰ পুত্ৰ-বোৱাৰীৰ পৰা আঁতৰি পৰাৰ অনুভৱ কৰিবলৈ বাধ্য হৈছে। ইয়াৰ উপৰিও, নিত্য নতুন প্ৰযুক্তি, জ্ঞান আৰু পাশ্চাত্য সংস্কৃতিৰ ঢৌত নিজকে বিলীন কৰি নতুন প্ৰজন্মই ভাবিবলৈ ধৰিছে যে, বয়োজ্যেষ্ঠ লোকসকলৰ কাৰণেই সমাজত

বৃদ্ধসকলৰ বাবে জীৱনৰ প্ৰকৃত আনন্দৰ উৎস হ'ল পৰিয়াল। সন্তান, নাতি-নাতিনী, ঘৰুৱা পৰিৱেশ- এই সকলোবোৰে তেওঁলোকৰ জীৱনটোক অপাৰ সুখ আৰু আনন্দৰে ভৰাই তোলে। নাতি-নাতিনীৰ সৈতে সময় কটোৱা, পুৱা-সন্ধিয়া তেওঁলোকৰ সৈতে কৰা গল্প-গুজব, খেল-ধেমালিয়ে বৃদ্ধসকলৰ মুখত হাঁহি আনে। যদি পৰিয়ালৰ সদস্যসকলে তেওঁলোকক যথেষ্ট সময় দিয়ে, মৰমেৰে সন্মান কৰে আৰু সময়ত পৰামৰ্শ লয়, তেন্তে বৃদ্ধসকলে নিজৰ অস্তিত্বক গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰিব। পৰিয়ালৰ বাহিৰেও বৃদ্ধসকলৰ মানসিক শান্তি আৰু ভালপোৱাৰ লগত জড়িত থাকে তেওঁলোকৰ সমাজত সক্ৰিয় অংশগ্ৰহণ কৰিব পৰা দিশটো। সামাজিক অনুষ্ঠান, ধৰ্মীয় কাৰ্যকলাপ, সমবয়সীয়া বন্ধু-বান্ধৱীৰ সৈতে সময় কটোৱা এইবোৰে তেওঁলোকৰ জীৱনত নতুন প্ৰাণশক্তি যোগায়। নিজকে বয়সীয়া আৰু কৰ্মহীন বুলি ভাবি মনৰ মাজত যি শূন্যতা জন্মে, সেয়া এইবোৰ মাধ্যমৰে বহু পৰিমাণে হ্ৰাস কৰিব পাৰি।

শৰীৰ আৰু মন- এই দুয়োটা সুস্থ থকাটো বৃদ্ধসকলৰ সুখী জীৱনৰ মুখ্যতম আধাৰ। পুষ্টিকৰ খাদ্য, নিয়মিত স্বাস্থ্যপৰীক্ষা, নিয়মিত ব্যায়াম, ধ্যান এইবোৰে তেওঁলোকক কেৱল সুস্থই নহয়, আত্মবিশ্বাসী আৰু উদ্যমী কৰিও ৰাখে। লগতে অৰ্থনৈতিক নিৰ্ভৰশীলতা থাকিলে তেওঁলোকে অধিক আত্মমৰ্যাদাৰে জীৱন পাৰ কৰাত সুবিধা হয়। পেঞ্চন, ব্যক্তিগত সঞ্চয় অথবা পৰিয়ালৰ সহায়ে তেওঁলোকক আৰ্থিকভাৱে সুৰক্ষিত কৰি তুলিব পাৰে। বিশেষকৈ আমাৰ দেশৰ অসংগঠিত খণ্ডৰ সৈতে জড়িত বিপুলসংখ্যক শ্ৰমিক বা ব্যক্তিয়ে অৱসৰৰ পাছত কোনো ধৰণৰ নিশ্চিত পেঞ্চন লাভ নকৰে। তেনে লোকসকলৰ বাবে বৃদ্ধাৱস্থাত আৰ্থিক অনিশ্চয়তা আৰু চিকিৎসাৰ

সাহিত্য চৰ্চা আৰু জাতীয় চেতনা

সাহিত্য চৰ্চা মানেই বুজিব লাগিব যে ই হৈছে এটা জাতিৰ আত্মপৰিচয়ৰ এক প্ৰকৃত আত্মপ্ৰকাশ। মানুহৰ সমাজ, সংস্কৃতি, ইতিহাস, পৰম্পৰা, জীৱনৰ সুখ-দুখ আৰু আশা-আকাংক্ষাৰ যি সজীৱ প্ৰকাশ সাহিত্যৰ মাধ্যমেৰে ঘটে, তাৰ মাজতেই এটা জাতিৰ চিন্তা আৰু জাতীয় চেতনাৰ পৰিচয় পোৱা যায়। সেইয়ে সাহিত্য কেৱল মনোৰঞ্জনৰ মাধ্যমেই নহয়, ই সমাজ গঠনৰ এক শক্তিশালী আহিলা আৰু জাতীয় চেতনাৰ এক জাগ্ৰত মাধ্যম। এখন দেশ বা এটা জাতিৰ প্ৰতি মানুহৰ দায়িত্ববোধ, নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি সন্মান, ঐতিহ্য সংৰক্ষণৰ ইচ্ছা আৰু সমাজৰ প্ৰতি দায়বদ্ধতাকেই বহল অৰ্থত জাতীয় চেতনাৰ অংশ বুলি ক'ব পাৰি। এই চেতনা গঢ়ি তোলাত সাহিত্য চৰ্চাৰ ভূমিকা অতুলনীয়। কবিতা, গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, জীৱনী আৰু লোকসাহিত্যৰ মাজেৰে এটা জাতিয়ে নিজৰ অতীতক জানে, বৰ্তমানক বুজে আৰু ভৱিষ্যতৰ সপোন দেখে।

অসমীয়া সাহিত্যৰ ইতিহাসলৈ চালে জাতীয় চেতনাৰ সৈতে সাহিত্যৰ গভীৰ সম্পৰ্ক স্পষ্ট হৈ উঠে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য-সংস্কৃতিৰ আন্দোলনে অসমীয়া সমাজত ধৰ্মীয় আৰু সামাজিক চেতনাৰ লগতে এক সাংস্কৃতিক ঐক্য গঢ়ি তুলিছিল। বৈষ্ণৱ সাহিত্য, বৰগীত, অংকীয়া নাট, নামঘৰীয়া সংস্কৃতি আদিয়ে অসমীয়া সমাজৰ জীৱনধাৰাত গভীৰ প্ৰভাৱ পেলাইছে। ঠিক সেই দৰে পৰৱৰ্তী সময়ত অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত 'অৰুণোদই' যুগৰ পৰা আধুনিক সাহিত্যিক সকলকে ধৰি বহু ব্যক্তিৰ অৱদান উল্লেখযোগ্য। সাহিত্যই অসমীয়া ভাষাক কেৱল প্ৰকাশৰ মাধ্যম হিচাপেই শক্তিশালী কৰা নাই, ই নিজৰ ভাষা আৰু পৰিচয়ৰ প্ৰতি মানুহৰ আত্মবিশ্বাসো বৃদ্ধি কৰিছে।



এইটোও আমি উল্লেখ কৰিব লাগিব যে সাহিত্য চৰ্চাৰ সৈতে জাতীয় চেতনা থকা মানে কেৱল দেশপ্ৰেমৰ কথাকেই কোৱা নহয়, ই নিজৰ মাতৃভাষাক সন্মান কৰা, নিজৰ সংস্কৃতিক জীয়াই ৰখা, ঐতিহাসিক সম্পদ সংৰক্ষণ কৰা, সামাজিক বৈষম্যৰ বিৰুদ্ধে মাত মতা, প্ৰকৃতি আৰু পৰিৱেশ ৰক্ষা কৰা আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ প্ৰতি দায়িত্বশীল হোৱা। এই সকলোবোৰো জাতীয় চেতনাৰ একো একোটা অংশ। সাহিত্যিকে সমাজৰ সুখ-দুখৰ সাক্ষী হিচাপে কাম কৰে। সমাজত অন্যায়, শোষণ, বৈষম্য বা অন্ধবিশ্বাস দেখিলে সাহিত্যিকে কলমৰ জৰিয়তে তাৰ বিৰুদ্ধে জনমত গঢ়িবলৈ চেষ্টা কৰে। সেইবাবেই বহু সময়ত এটা শক্তিশালী কবিতা, এটা সাৰ্থক গল্প বা এটা চিন্তাশীল প্ৰবন্ধই মানুহৰ মনত গভীৰ প্ৰশ্নৰ জন্ম দিয়ে আৰু সামাজিক পৰিৱৰ্তনৰ বাট মুকলি কৰে।

আজিৰ ডিজিটেল যুগতো সাহিত্যৰ এই ভূমিকা কমি যোৱা নাই। ছপা কাকত আৰু আলোচনীৰ লগতে সামাজিক মাধ্যম, অনলাইন আলোচনী আৰু বিভিন্ন ডিজিটেল মঞ্চই সাহিত্য চৰ্চাৰ পৰিসৰ বহুগুণে বৃদ্ধি কৰি ৰাখিছে। নতুন প্ৰজন্মৰ বহু লেখক-লেখিকাই এই মাধ্যমসমূহৰ জৰিয়তে নিজৰ সৃষ্টি পাঠকৰ মাজলৈ লৈ গৈছে। ফলত ভাষা আৰু সাহিত্য চৰ্চাৰ নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে।

কিন্তু এই সময়তে নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি উদাসীন হৈ পৰাৰ আশংকাও আছে। বিশ্বায়নৰ যুগত বিভিন্ন ভাষা-সংস্কৃতিৰ সংস্পৰ্শলৈ অহাটো স্বাভাৱিক। সেয়ে আন ভাষা শিকাৰ লগতে নিজৰ মাতৃভাষাৰ চৰ্চা আৰু ব্যৱহাৰ বৃদ্ধি কৰাটোও সমানেই প্ৰয়োজনীয়। যি জাতিয়ে নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতিক অৱহেলা কৰে, সেই জাতিৰ জাতীয় পৰিচয়ো ক্ৰমাৎ দুৰ্বল হৈ পৰিব।

বিশেষকৈ নতুন প্ৰজন্মক সাহিত্যৰ সৈতে সংযোগ কৰাটো সময়ৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যপুথিৰ বাহিৰেও কবিতা পাঠ, সাহিত্য সভা, গ্ৰন্থমেলা, আলোচনী প্ৰকাশ, নাট্যচৰ্চা আৰু স্থানীয় ইতিহাস-সংস্কৃতিৰ চৰ্চাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক নিজৰ সমাজ আৰু পৰম্পৰাৰ সৈতে পৰিচিত কৰিব পাৰি। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত স্থানীয় ইতিহাস, লোকসংস্কৃতি, লোকগীত, লোককথা, সত্ৰ-নামঘৰ, নদ-নদী, পাহাৰ-পৰ্বত, কৃষিজীৱন আৰু গ্ৰাম্য সমাজৰ জীৱনধাৰাক লৈ অধিক চৰ্চা হোৱাটো প্ৰয়োজন। কাৰণ এখন জাতিৰ প্ৰকৃত পৰিচয় কেৱল বৃহৎ ইতিহাসতেই নহয়, সাধাৰণ মানুহৰ দৈনন্দিন জীৱনতো সেই পৰিচয় লুকাই থাকে। সাহিত্যৰ শক্তি হৈছে মানুহৰ হৃদয় স্পৰ্শ কৰিব পৰা শক্তি। আইন বা নিৰ্দেশে যি কাম সদায় কৰিব নোৱাৰে, এটা সাৰ্থক সাহিত্যই কেতিয়াবা মানুহৰ মন সলনি কৰি সেই কাম সম্ভৱ কৰি তুলিব পাৰে। সেয়ে সাহিত্য চৰ্চাক কেৱল ব্যক্তিগত প্ৰতিভা প্ৰকাশৰ ক্ষেত্ৰ হিচাপে নেদেখি সামাজিক আৰু জাতীয় দায়িত্বৰ অংশ হিচাপেও গ্ৰহণ কৰা উচিত।

শেষত ক'ব পাৰি যে সাহিত্যই জাতিৰ অতীতক সংৰক্ষণ কৰে, বৰ্তমানক প্ৰশ্ন কৰে আৰু ভৱিষ্যতৰ পথ দেখুৱায়। জাতীয় চেতনাৰে সমৃদ্ধ সাহিত্যই মানুহক নিজৰ শিপাৰ সৈতে সংযোগ কৰে আৰু সমাজৰ প্ৰতি দায়বদ্ধ হ'বলৈ শিকায়। সেইয়ে আজিৰ সময়ত অধিক সাহিত্য চৰ্চাৰ প্ৰয়োজন, কিন্তু তাতকৈ অধিক প্ৰয়োজন সুস্থ, দায়িত্বশীল আৰু জাতীয় চেতনাৰে সমৃদ্ধ সাহিত্য চৰ্চাৰ। কলমত থাকক সত্য, সৃষ্টিত থাকক মানৱীয়তা আৰু সাহিত্যৰ অন্তৰত জীয়াই থাকক নিজৰ মাটি, মানুহ, ভাষা আৰু সংস্কৃতিৰ প্ৰতি ভালপোৱা— তেতিয়াহে সাহিত্যই এখন সুস্থ, সচেতন আৰু আত্মমৰ্যাদাশীল সমাজ গঢ়াৰ ক্ষেত্ৰত নিজৰ প্ৰকৃত ভূমিকা পালন কৰিব পাৰিব।

শংকৰ দেৱ
দেৰগাঁও

অসমত থকা নেপালী বা গোৰ্খাসকলৰ দুৰ্গা পূজা

চন্দ্ৰ শেখৰ পৰাজুলী

নেপালী সম্প্ৰদায়ৰ মূলতঃ অতীততে প্ৰধান বাসভূমি নেপাল ৰাষ্ট্ৰই আছিল। কিন্তু সময়ৰ অগ্ৰগতি ফলত কাল ক্ৰমান্বয়ে নেপালী সম্প্ৰদায়ৰ লোকসকলে বিশ্বৰ ভিন্ন ভিন্ন ঠাইত নিজৰ সুবিধা অনুসৰি বিচৰণ কৰি সেই ঠাই সমূহকে নিজৰ কৰি তাতেই জীৱন ধাৰণা কৰিবলৈ ধৰে। সেই অনুসৰি ভাৰতৰ ভূমিৰ অসম ৰাজ্যৰ নেপালী সকলৰ আগমনৰ কথা একেবাৰে সঠিককৈ তথ্য অনুসৰি উল্লেখ কৰাটো সম্ভৱপৰ নহয়। নেপালী সম্প্ৰদায়ৰ লোকসকল মূলতঃ হিন্দু ধৰ্মাৱলম্বী আৰু ভাৰত তথা অসম ৰাজ্যৰ লোকসকলো বেছিভাগে হিন্দু ধৰ্মাৱলম্বী লোকসকলে আছে। গতিকে ধাৰ্মিক সূত্ৰৰ অনুসৰিও নেপালী সম্প্ৰদায়ৰ লোকসকল ভাৰত তথা অসম ভূমিৰ ওতপ্ৰোত ভাৱে সাঙোৰ খাই আছে। সেয়েহে অসমৰ চুকে-কোণে উদ্‌যাপন কৰি অহা দুৰ্গা পূজা হল নেপালী জাতিৰ জাতীয় উৎসৱ। শাস্ত্ৰমতে আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গাপূজা পালন কৰা হয়। চ'ত অৰ্থাৎ বসন্ত-কালৰ দুৰ্গাপূজাক বাসন্তী দুৰ্গাপূজা আৰু আহিন অৰ্থাৎ শৰৎ-কালৰ দুৰ্গাপূজাক শাৰদীয় দুৰ্গাপূজা নামে জনাজাত। অসম তথা ভাৰতৰ কিছু কিছু ৰাজ্যত দুৰ্গা পূজা সাধাৰণতে আহিনৰ শুক্ল পক্ষৰ ষষ্ঠতম দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত থাকে এই দুৰ্গোৎসৱ। এই পাঁচদিন যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়া দশমী নামে জনাজাত। কিন্তু নেপাল ৰাষ্ট্ৰৰ পৰম্পৰা অনুসৰি অসমত বসবাস কৰা নেপালী সকলেও উদ্‌যাপন কৰা দুৰ্গা পূজাৰ আগমন ১৬ শ্ৰাদ্ধ অৰ্থাৎ পূৰ্ণিমাৰ পৰা আৰম্ভ হৈ একেবাৰে গৈ গৈ লক্ষ্মী পূৰ্ণিমাৰ পূজাৰ দিনা সামৰণি ঘটে। ১৬ শ্ৰাদ্ধক ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত পিতৃপক্ষ বা মহালয়া নামেৰেও পৰিচিত। নেপালী সকলে পালন কৰি অহা এই পিতৃপক্ষৰ ১৬ দিন ধৰি একেবাৰে শ্ৰাদ্ধৰ আকাৰত এসাজ অন্ন গ্ৰহণ কৰি নিজ নিজ মৃত পূৰ্ব পুৰুষ সকলক ধূপ-বন্তি জ্বলাই শ্ৰদ্ধা নিবেদন বা স্মৰণ কৰা হয়। তাৰ পৰৱৰ্তী পৰ্যায়ত সাময়িক ধৰণে নৱৰাত্ৰিত পালন কৰি দেৱী দুৰ্গাৰ চৰণৰ প্ৰতিদিনে পূজা অৰ্চনা কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অৰ্থাৎ বিজয়া দশমীৰ দিনা নেপালী সম্প্ৰদায়ৰ লোকসকলে ঘৰে ঘৰে যিকোনো শুদ্ধ পাত্ৰত অংকুৰিত হ'বলৈ দিয়া গোমধানৰ গজালি পাতবোৰ (জমৰাক) দেৱী দুৰ্গাক উৎসৰ্গিত কৰি একেবাৰে দশমীৰ দিনৰ পৰা আৰম্ভ কৰি লক্ষ্মী পূৰ্ণিমাৰ দিনালৈকে নিজ আত্মীয়, সম্বন্ধীয় সকলে তথা নিজ নিজ অভিভাৱক সকলে পৰিয়ালৰ সকলোবোৰ সদস্য সকলে বয়জেষ্ঠ পৰা জমৰাৰ জৰিয়তে চাউলৰ ৰঙা ফুট লৈ আশীৰ্বাদ গ্ৰহণ কৰি যায়।



নেপালী সম্প্ৰদায়ে উদযাপন কৰা দুৰ্গা পূজাক দশাইন নামেৰেও জনা যায়। এই উৎসৱত দুৰ্গাৰ শক্তি পূজা কৰা হয়। ইয়াৰ উপৰিও দুৰ্গা পূজা হ'ল নেপালী সম্প্ৰদায়ৰ বাবে আত্মীয়, সম্বন্ধীয় তথা পাৰিবাৰিক মিলন, সংযোগৰ এক পবিত্ৰ সময়। যেনেকৈ আমি অসমত বসবাস কৰি অসমৰ জাতীয় উৎসৱ বিহু বহু আনন্দ, উল্লাখৰ মাজৰে পালন কৰি যাওঁ ঠিক সেইদৰে অসমত আহি জীৱন নিৰ্বাহ কৰি থকা আমি নেপালী সম্প্ৰদায়ৰ লোকসকলে নিজৰ জাতীয় উৎসৱ দুৰ্গা পূজা সকলো অসমীয়া জাতি-জনজাতিৰ লগত একলগ হৈ অতি আনন্দ উৎসাহৰ মাজেদি প্ৰতিবছৰে পালন কৰি আহিছোঁ।

টংলাত সুৰাৰ অবৈধ ৰমৰমীয়া বেহাত নীৰৱ ভূমিকা আবকাৰী বিভাগৰ

টংলাত বৈধ সুৰাৰ অবৈধ ব্যৱসায়

ড্ৰাই ডে আৰু নিশা ১০ বজাৰ পিছতো উপলব্ধ বিলাতী সুৰা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩০ ছেপ্টেম্বৰ ঃ ১৯৭১ চনতে অবিভক্ত দৰং জিলাৰ টংলাত প্ৰতিষ্ঠা হৈছিল টংলা নগৰ সমিতি আৰু পৰৱৰ্তী সময়ত টংলা নগৰৰ সমিতিৰ পৰা বৰ্তমান উন্নীত হৈ ওদালগুৰি জিলাৰ পৌৰ সভাৰ অন্যতম টংলা এখন ব্যৱসায়ী চহৰ আৰু ওদালগুৰি জিলাৰ অন্যতম শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বৃহত্তৰ টংলা চহৰ অঞ্চলৰ প্ৰায় এক ডেৰ কিলোমিটাৰ ব্যাসাৰ্দ্ধত প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক, উচ্চ, উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈ প্ৰায় ৪০খন শিক্ষানুষ্ঠান আছে। শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ টংলাত আচৰিত ভাবে বৃদ্ধি পাইছে অনুজ্ঞাপত্ৰৰ বিলাতী সুৰাৰ দোকান। এখন বিলাসী সুৰাৰ দোকানৰ পৰা বৰ্তমান ১১ খনলৈ বৃদ্ধি পাইছে অনুজ্ঞাপত্ৰৰ বিলাতী সুৰাৰ দোকান। গুৰুত্বপূৰ্ণ যে টংলাত বৈধ সুৰাৰ দোকানৰ সমানে বৃহত্তৰ টংলা অঞ্চলৰ বিভিন্ন পান তামোলৰ দোকান আৰু গ্ৰ্চাৰী দোকানত অতি সুলভ বিলাতী সুৰা। ওদালগুৰি জিলা আবকাৰি বিভাগ এটা থকাৰ পিছতো কেনেকৈ দিনক দিনে বৃদ্ধি পাইছে অবৈধ সুৰাৰ ৰমৰমীয়া ব্যৱসায়। আবকাৰী বিভাগে বজাৰে বজাৰে দেশীয় মদৰ দোকান আৰু মদৰ ঘাটি উচ্ছেদ কৰি থকাৰ সমান্তৰালভাৱে জিলাখন গাঁৱে গাঁৱে বিশেষভাৱে গ্ৰ্চাৰি দোকান আৰু পান তামোলৰ দোকানত অবৈধভাবে বিক্ৰী হোৱা বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায় বন্ধ কৰিব সক্ষম নোহোৱা কাৰ্যই ৰাইজৰ সন্দেহ উপজিছে বিভাগটোৰ ওপৰত। তদুপৰি প্ৰতিখন সুৰাৰ দোকানৰ ভঁৰালত জমা সুৰাৰ বটলৰ হিচাব আৰু বিক্ৰীৰ হিচাব পৰীক্ষা কৰাৰ ক্ষেত্ৰত আবকাৰী বিভাগে গ্ৰহণ কৰা পদক্ষেপ সন্দেহজনক বুলি অভিযোগ ৰাইজৰ। সচেতন ৰাইজৰ অভিযোগ, অবৈধ সুৰাৰ দোকানৰ পৰা সংশ্লিষ্ট বিভাগলৈ মাহিলী উৎকোচৰ লেনদেন হয় নেকি। টংলাৰ ৰাইজে অভিযোগ উত্থাপিত কৰিছে যে, আবকাৰী বিভাগৰ নাকৰ আগতে কেনেকৈ নিশা দহ বজাৰ পিছতো টংলাত অনুজ্ঞাপত্ৰ থকা বিলাতী সুৰাৰ দোকানৰ পৰা দুপৰ নিশালৈ সুৰা বিক্ৰী হয়। তদুপৰি ড্ৰাই ডেৰ দিনকেই টাতো বিশেষভাৱে সন্ধিয়াৰ পৰা দুপৰ নিশালৈকে অনুজ্ঞাপত্ৰ বিলাতী সুৰাৰ দোকানৰ আশে পাশে সুৰা সেৱনকাৰীসকলে মুকলি ভাবে সুৰা ক্ৰয় কৰিব সক্ষম হয় সেয়া ডাঙৰ প্ৰশ্ন। টংলাৰ বিলাতী সুৰাৰ দোকানৰ সুৰা বিক্ৰীৰ ক্ষেত্ৰত বিভাগীয় নীতি নিয়ম অনুসৰণ কৰে নে নকৰে সেই লৈ ৰাইজৰ প্ৰশ্ন। কাৰণ টংলাত আছে কেইবাখনো ৱাইন শ্বপ আৰু অন শ্বপ। অন শ্বপ কেইখনে বিলাতী সুৰা প্ৰিয় গ্ৰাহকক আছুতীয়া কক্ষত বহুৱাই বিলাতী সুৰা পেক হিচাবে খাবলৈ দি বিক্ৰী কৰিব লাগে আৰু ৱাইন শ্বপ কেইখনে বিলাতী সুৰাৰ বটলৰ সুপা নোখোলাকৈ বিক্ৰী কৰিব লাগে যদিও বাস্তৱত ইয়াৰ বিপৰীত ছবি দেখিব পোৱা যায়। ৰাইজৰ অভিযোগ অনুসৰি, ৱাইন শ্বপ আৰু অন শ্বপ কেইখনে সৰু চাৰিচকীয়া বাহন আৰু মটৰ চাইকেলেৰে গাঁৱে গাঁৱে গ্ৰ্চাৰি দোকান আৰু পান তামোলৰ দোকানত অবৈধ ভাবে বিলাতী সুৰা যোগান ধৰে। কাৰ ছত্ৰছায়াত এনেদৰে বৈধ সুৰাৰ দোকানৰ পৰা অবৈধভাৱে সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলা সম্পৰ্কত ৰাইজৰ প্ৰশ্ন। ড্ৰাই ডেৰ সময়ত আবকাৰী বিভাগে তহল দি থকা অৱস্থাত যোৱা ২১ ছেপ্টেম্বৰ তাৰিখে টংলাৰ এখন বন্ধ অৱস্থাত থকা বিলাতী সুৰাৰ দোকানৰ সন্মুখৰ পৰা বিলাতী সুৰাৰ যথেষ্ট পৰিমাণৰ বিলাতী সুৰাৰ বটল উদ্ধাৰ কৰা কাৰ্যই টংলা অঞ্চলত অবৈধ সুৰাৰ ৰমৰমীয়া বেহাৰ অভিযোগৰ সত্যতা প্ৰমাণ কৰে। এইয়া এটা মাত্ৰ উদাহৰণ। টংলাৰ সৰহ সংখ্যক বিলাতী সুৰাৰ দোকানৰ বিৰুদ্ধে আবকাৰী বিভাগৰ নীতি-নিয়ম ভংগ কৰি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে আৰু এই ক্ষেত্ৰত দেখিও নেদেখাৰ ভাও আবকাৰী বিভাগে লৈছে বুলি ৰাইজৰ অভিযোগ। আবকাৰী বিভাগৰ নাকৰ সন্মুখত চকুৰ আগত অনুজ্ঞাপত্ৰ থকা বিলাতী সুৰাৰ দোকানৰ এনে ধৰণৰ বৈধ সুৰাৰ অবৈধ ব্যৱসায়ক লৈ ৰাইজৰ ক্ষোভ। টংলাৰ দৰে এখন ক্ষুদ্ৰ চহৰ য'ত ৰাইজে সাধাৰণতে শিক্ষাৰ প্ৰাণকেন্দ্ৰ বুলি বিবেচনা কৰে আৰু তাতেই দৈনিক হাজাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণৰ উদ্দেশ্যে প্ৰেৰণ কৰে তাতেই বৰ্ত্তমান ১১খন বিলাতী বৈধ সুৰাৰ লগতে বহু অবৈধ সুৰাৰ দোকানৰ এনেবোৰ নীতি বৰ্হিভুত কাৰ্যই টংলাত শিক্ষাৰ ক্ষেত্ৰত যে প্ৰভাৱ পেলাইছে সেয়া নিশ্চিত। এই ক্ষেত্ৰত আবকাৰী বিভাগে আৰু জিলা প্ৰশাসনে কি ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষণীয় বিষয়। বৈধ বিলাতী সুৰাৰ দোকানৰ অবৈধ সুৰাৰ ৰমৰমীয়া বেহা বন্ধ কৰাৰ ক্ষেত্ৰত বিভাগীয় কি ব্যৱস্থা গ্ৰহণ কৰে তাকে লৈ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া। শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ তিথি উপলক্ষে ঘোষণা কৰা ড্ৰাই ডে'ৰ দিনাও ওদালগুৰি জিলাৰ টংলাত অবৈধভাৱে সুৰা বিক্ৰীৰ অভিযোগক লৈ সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়া। ড্ৰাই ডে'ৰ নীতি-নিয়মক আওকাণ কৰি একাংশ অসাধু ব্যৱসায়ীয়ে মুকলিকৈ সুৰাৰ বেহা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, টংলাৰ বিভিন্ন স্থানত অনুজ্ঞাপত্ৰ থকা একাংশ সুৰাৰ বিপণীয়ে নিৰ্ধাৰিত সময়ৰ পিছতো দোকান বন্ধ নকৰাৰ লগতে যিকোনো সময়তে সুৰা বিক্ৰী কৰি অহাৰ অভিযোগ আছে। ইয়াৰ উপৰি বহিঃৰাজ্য আৰু ভুটানৰ পৰা অবৈধভাৱে সুৰা সৰবৰাহ হৈ থকাৰ অভিযোগো সময়ে সময়ে উত্থাপিত হৈ আহিছে। ইফালে আবকাৰী বিভাগৰ লগতে আৰক্ষী-প্ৰশাসনৰ চকুৰ সন্মুখতে টংলা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত কাঠফুলাৰ দৰে গঢ় লৈ উঠা একাংশ ৰেষ্টুৰেণ্ট আৰু ৰিজৰ্টতো নিয়ম বহিৰ্ভূতভাৱে সুৰা বিক্ৰী চলি থকাৰ অভিযোগ উঠিছে। কিন্তু এইক্ষেত্ৰত সংশ্লিষ্ট বিভাগে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ কৰিছে স্থানীয় একাংশ লোকে। স্থানীয় ৰাইজৰ মতে, জিলাখনৰ বিভিন্ন প্ৰান্তত অনুজ্ঞাপত্ৰবিহীনভাৱে সুৰা বিক্ৰী চলি থকাৰ ফলত সামাজিক পৰিৱেশৰ লগতে আইন-শৃংখলাজনিত পৰিস্থিতিৰ ওপৰতো ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিছে। সুৰাৰ অবাধ বিক্ৰীৰ সৈতে পথ দুৰ্ঘটনা আৰু অন্যান্য অপৰাধমূলক ঘটনাৰ সম্পৰ্ক থাকিব পাৰে বুলিও উদ্বেগ প্ৰকাশ কৰিছে একাংশ সচেতন নাগৰিকে। আনহাতে, টংলাৰ লগতে ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তত অবৈধ সুৰাৰ বেহাৰ আঁৰত কোনো ধৰণৰ গোপন বুজাবুজি বা বিভাগীয় গাফিলতি আছে নেকি, সেই বিষয়টো উচ্চপৰ্যায়ৰ তদন্তৰ জৰিয়তে স্পষ্ট কৰাৰ দাবী উত্থাপন হৈছে। ৰাইজৰ প্ৰশ্ন এতিয়া এটাই— ড্ৰাই ডে'ৰ দৰে বিশেষ দিনতো যদি মুকলিকৈ অবৈধ সুৰা বিক্ৰী হয়, তেন্তে জিলাখনত আবকাৰী আইন কিমানদূৰ কাৰ্যকৰী হৈছে? অৱশ্যে, উত্থাপিত অভিযোগসমূহৰ সত্যতা আৰু সংশ্লিষ্ট পক্ষৰ ভূমিকা তদন্তৰ পিছতহে নিশ্চিত হ'ব। এই সন্দৰ্ভত আবকাৰী বিভাগ আৰু সংশ্লিষ্ট পক্ষৰ বক্তব্য পোহৰলৈ অহাটোও গুৰুত্বপূৰ্ণ।

উত্তৰ প্ৰদেশৰ সাংস্কৃতিক বৈভৱত মুখৰ অসম হাইটছ পাব্লিক স্কুল



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ ছেপ্টেম্বৰ ঃ উত্তৰ প্ৰদেশৰ বৰ্ণিল সাংস্কৃতিক ঐতিহ্য, লোক-পৰম্পৰা আৰু ঐতিহাসিক বৈভৱে সোমবাৰে তিনিচুকীয়াৰ 'অসম হাইটছ পাব্লিক স্কুল'ৰ পৰিৱেশত এক অনন্য ৰূপ লাভ কৰে। বিদ্যালয়খনৰ সপ্তমৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত 'কলা-সমন্বিত প্ৰদৰ্শনী ২০২৬' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠান অনুষ্ঠিত হয়। 'উত্তৰ প্ৰদেশৰ সাংস্কৃতিক বৈভৱ' বিষয়বস্তুক কেন্দ্ৰ কৰি আয়োজন কৰা প্ৰদৰ্শনীত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন শিল্পকৰ্ম, আৰ্হি, মডেল আৰু সৃষ্টিশীল উপস্থাপনৰ জৰিয়তে উত্তৰ প্ৰদেশৰ কলা-সংস্কৃতি, স্থাপত্য, লোক-পৰম্পৰা আৰু ঐতিহাসিক ঐতিহ্যক জীৱন্ত ৰূপত তুলি ধৰে। পুৱা ১০ বজাত বিদ্যালয়ৰ পুথিভঁৰাল কক্ষত অধ্যক্ষ ই. শ্ৰীনিবাসনে প্ৰদৰ্শনীখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ ট্ৰাষ্টী সভাপতি মধুকৰ আগৰৱালা আৰু ট্ৰাষ্টী সচিব অংকিতা আগৰৱালাও উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা মনোমোহা নৃত্য আৰু সংগীতে অনুষ্ঠানটোক বিশেষ সাংস্কৃতিক মাত্ৰা প্ৰদান কৰে। প্ৰদৰ্শনীত ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীলতা, কল্পনাশক্তি আৰু বিষয়বস্তু উপস্থাপনৰ দক্ষতা বিশেষভাৱে পৰিলক্ষিত হয়। বিভিন্ন আৰ্হি আৰু শিল্পকৰ্মৰ জৰিয়তে তেওঁলোকে উত্তৰ প্ৰদেশৰ চহকী সাংস্কৃতিক পৰিচয় আৰু ঐতিহাসিক পৰম্পৰাক দৰ্শনাৰ্থীৰ সন্মুখত আকৰ্ষণীয়ভাৱে দাঙি ধৰে। প্ৰদৰ্শনীখন চাবলৈ বিদ্যালয়খনৰ বিভিন্ন শ্ৰেণীৰ অভিভাৱকৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট সমাগম ঘটে। অভিভাৱক আৰু শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাৰ শলাগ লৈ তেওঁলোকক উৎসাহিত কৰে। বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কলা, সংস্কৃতি আৰু সৃষ্টিশীল অভিব্যক্তিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে দেশৰ বৈচিত্ৰ্যময় সাংস্কৃতিক ঐতিহ্যৰ সৈতে তেওঁলোকক পৰিচিত কৰোৱাই এই প্ৰদৰ্শনীৰ মূল উদ্দেশ্য। অধ্যয়নৰ সৈতে কলাক সংযুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক নিজৰ প্ৰতিভা আৰু সৃষ্টিশীল সামৰ্থ্য প্ৰকাশৰ সুযোগ দিয়াৰ ক্ষেত্ৰতো অনুষ্ঠানটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

প্ৰতিষ্ঠাপক ৰোযেশ্বৰ হাজৰিকাৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ জী-জোঁৱাই চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাৰ দান



অসম বাৰ্তা, উজনী মাজুলী, ৩০ ছেপ্টেম্বৰ ঃ গ্ৰন্থ সংগ্ৰহ আৰু অধ্যয়নৰ অভ্যাস সৃষ্টিৰ উদ্দেশ্যে মাজুলী মহাবিদ্যালয়ে ২০১৬ চনৰ ৮ অক্টোবৰৰ পৰা ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' নামৰ ব্যতিক্ৰমী কাৰ্যসূচীত স্বেচ্ছাই অংশ গ্ৰহণ কৰি শুভাকাংক্ষীসকলে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যাই ইতিমধ্যে পঁইত্ৰিশ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। এই সমাজহৈতেষী কাৰ্যসূচীত আন্তৰিকতাৰে ভাগ লৈ কালি গুৱাহাটীৰ কাহিলীপাৰা নিবাসী সমাজকৰ্মী, তথা মহাবিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী ৰোযেশ্বৰ হাজৰিকাৰ জী-জোঁৱাই চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাই পিতৃৰ স্মৃতিত তেওঁলোকৰ ব্যক্তিগত পুথিভঁৰালৰ সমুদায় গ্ৰন্থৰ উপৰিও সেইসমূহ সংৰক্ষণৰ বাবে আলমিৰা কিনিবলৈ ত্ৰিশ হাজাৰ টকা দান হিচাপে আগবঢ়ায়। বিগত সময়ছোৱাত মহাবিদ্যালয়খনিয়ে সম্পন্ন কৰি অহা গ্ৰন্থ দান কাৰ্যসূচীৰ বাৰ্তা পাই বৰুৱা-দম্পতীয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সৈতে যোগাযোগ কৰি মহাবিদ্যালয়খনিলৈ গ্ৰন্থ আৰু আলমিৰা দান কৰাৰ ইচ্ছাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰিয়ে কালি মহাবিদ্যালয়ৰ বি. ভক. আই টি বিভাগৰ কৰ্মচাৰী ৰাজীৱ দত্তই গুৱাহাটীৰ কাহিলীপাৰাস্থিত চিত্ৰলেখা হাজৰিকা বৰুৱা আৰু হেড়ম্ব প্ৰসাদ বৰুৱাৰ বাসগৃহৰ পৰা মহাবিদ্যালয় পৰিয়ালৰ হৈ এই গ্ৰন্থ আৰু অনুদানৰ চেক গ্ৰহণ কৰে। আজি গ্ৰন্থসমূহ মহাবিদ্যালয় অনাৰ পাছতে বিশিষ্ট সমাজসেৱী লোক দুগৰাকীয়ে প্ৰদৰ্শন কৰা বদান্যতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ উদ্দেশ্যে দুপৰীয়া ১২ বজাৰ পৰা মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত এখন বিশেষ সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে আঁত ধৰা সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাই প্ৰদৰ্শন কৰা মহানুভৱতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অনাগত সময়তো মহাবিদ্যালয়খনিলৈ তেওঁলোকে সৰ্বতোপ্ৰকাৰৰ সহযোগিতা আগ বঢ়াব বুলি আশা কৰে। লগতে বহুমূলীয়া গ্ৰন্থৰাজি উপহাৰৰ জৰিয়তে মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ উপকাৰ সাধনৰ বাবে চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাই কৰা মহান প্ৰয়াসৰ শলাগ ল'বলৈ ভাষাৰ অভাৱ বুলি মন্তব্য কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, মুখ্য সহায়ক উৎপল বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকি গ্ৰন্থদাতাৰ এনে মহান পদক্ষেপক বিশেষভাৱে প্ৰশংসা কৰে। চিত্ৰলেখা বৰুৱা আৰু হেড়ম্ব প্ৰসাদ বৰুৱাৰ এই বদান্যতাত মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, গড়মূৰ সত্ৰাধিকাৰ পৰমানন্দদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিৎ মহন্ত, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, মহাবিদ্যালয় মহিলা কোষৰ সভানেত্ৰী ড° ৰূপজ্যোতি বৰা, নাৰী সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, ৰামধনু শতদল শাখাৰ সভাপতি ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, টুনীনদী সুৰক্ষা আৰু উন্নয়ন সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে ধন্যবাদ জনাইছে।

ডিব্ৰুগড়ত আগন্তুক দুৰ্গাপূজা উপলক্ষে জিলা প্ৰশাসনৰ সুৰক্ষিত আৰু শৃংখলাবদ্ধ প্ৰস্তুতিৰ পৰ্যালোচনা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, আই.এ.এছ.ৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আগন্তুক দুৰ্গাপূজা উপলক্ষে সুৰক্ষিত, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ উদযাপনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ বিভিন্ন স্থানৰ দুৰ্গাপূজা কমিটিৰ প্ৰতিনিধিসকলৰ লগতে জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া আৰু আৰক্ষী বিষয়া, স্বাস্থ্য, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড, জলসম্পদ, অভ্যন্তৰীণ জল পৰিবহণ তথা অন্যান্য সংশ্লিষ্ট বিভাগসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে। বৈঠকত উৎসৱৰ বিভিন্ন দিশ, যেনে- যান-বাহন ব্যৱস্থাপনা, ভিৰ নিয়ন্ত্ৰণ, ৰাজহুৱা সুৰক্ষা, জৰুৰী কালীন প্ৰস্তুতি, পৰিষ্কাৰ-পৰিচ্ছন্নতা, বিদ্যুৎ যোগান আৰু অন্যান্য অত্যাৱশ্যকীয় ব্যৱস্থাৱলী সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। পূজা কমিটিসমূহৰ প্ৰতিনিধি আৰু সদস্যসকলেও তেওঁলোকৰ সমস্যা তথা প্ৰয়োজনীয়তাসমূহ উত্থাপন কৰে, যিবোৰ বৈঠকত আলোচনা কৰা হয় আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰয়োজনীয় নিৰ্দেশনা আৰু সমাধান আগবঢ়ায়। আলোচনাৰ অন্তত, প্ৰচলিত ধৰ্মীয় ৰীতি-নীতি আৰু নিয়মসমূহলৈ লক্ষ্য ৰাখি ২১ অক্টোবৰ ২০২৬ তাৰিখে দুৰ্গাপূজাৰ প্ৰতিমা বিসৰ্জন দিয়াৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। লগতে বিহিত প্ৰক্ৰিয়া অনুসৰি পূজা উদযাপনৰ বাবে প্ৰয়োজনীয় অনুমতিসমূহ ১২ অক্টোবৰ ২০২৬ৰ ভিতৰত প্ৰদান কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হয়। জিলা প্ৰশাসনে সকলো পূজা কমিটিক প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰাৰ বাবে নিৰ্ধাৰিত পথসমূহ সমূচিতভাৱে মানি চলিবলৈ আৰু জিলা প্ৰশাসন তথা আৰক্ষী কৰ্তৃপক্ষই জাৰি কৰা সময়সীমা আৰু অন্যান্য নিৰ্দেশনা পালন কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও, বিসৰ্জন শোভাযাত্ৰাত কেৱল প্ৰতিমা কঢ়িয়াবলৈ অনুমতি প্ৰাপ্ত নিৰ্দিষ্ট সংখ্যক ব্যক্তিয়েহে অংশগ্ৰহণ কৰাটো নিশ্চিত কৰিবলৈ কমিটিসমূহক পৰামৰ্শ দিয়া হয়। ৰাজহুৱা সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, আই.এ.এছ.-এ কয় যে দুৰ্গাপূজা আনন্দ আৰু ভক্তিৰ উৎসৱ যদিও সুৰক্ষাক সকলোৱে প্ৰাথমিকতা দিয়া উচিত; বিশেষকৈ বয়োজ্যেষ্ঠ, মহিলা আৰু শিশুসকলৰ নিৰাপত্তাৰ প্ৰতি বিশেষ ধ্যান দিয়াটো অতি আৱশ্যক। উৎসৱ যাতে শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে সম্পন্ন হয় আৰু উৎসৱৰ সময়ছোৱাত যাতে কোনো অপ্ৰীতিৰোগক পৰিস্থিতি বা অপ্ৰত্যক্ষিত দুৰ্ঘটনা সংঘটিত নহয়, তাৰ বাবে সকলো পক্ষকে একত্ৰিত হৈ কাম কৰি ডিব্ৰুগড়ক এক উজ্জ্বল দৃষ্টান্ত হিচাপে গঢ়ি তুলিবলৈ জিলা আয়ুক্ত গৰাকীয়ে আহ্বান জনায়। বৈঠকত শব্দযন্ত্ৰ আৰু লাউডস্পীকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত অনুমোদিত শব্দৰ মাত্ৰা আৰু সময়সীমাকে ধৰি নিৰ্ধাৰিত নীতি-নিয়মসমূহ কটকটীয়াভাৱে পালন কৰাৰ উপৰিও অন্যান্য সকলো সুৰক্ষা তথা নিয়ন্ত্ৰণমূলক দিশ মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে পূজা কমিটিসমূহৰ প্ৰতিনিধি আৰু সকলো অংশগ্ৰহণকাৰীক ধন্যবাদ জ্ঞাপন কৰে আৰু সমগ্ৰ ডিব্ৰুগড় জিলাতে দুৰ্গাপূজা সুৰক্ষিত, শান্তিপূৰ্ণ আৰু সমন্বয়মূলকভাৱে উদ্‌যাপন নিশ্চিত কৰিবলৈ জিলা প্ৰশাসন আৰু আৰক্ষীৰ সৈতে নিৰন্তৰ সহযোগিতা আৰু সমন্বয় ৰক্ষা কৰিবলৈ অনুৰোধ জনায়।

২০২৭ৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব মিছন চাৰিআলিত নিৰ্মিয়মান ফ্লাই অভাৰৰ নিৰ্মাণকাৰ্য্য ঃ অভিভাৱক মন্ত্ৰী বিশ্বজিৎ দৈমাৰী



অসম বাৰ্তা, তেজপুৰ সদৰ, ৩০ ছেপ্টেম্বৰ ঃ তেজপুৰৰ মিছন চাৰিআলিত নিৰ্মিয়মান ফ্লাই অভাৰৰ নিৰ্মাণকাৰ্য্য ২০২৭ৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি তেজপুৰত সাংবাদিকৰ আগত সদৰি কৰিছে শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী বিশ্বজিত দৈমাৰীয়ে। মন্ত্ৰী গৰাকীয়ে আজি তেজপুৰৰ কনভেনচন চেণ্টাৰত শোণিতপুৰ জিলা জিলা প্ৰশাসনৰ আহ্বানত অনুষ্ঠিত বিশিষ্ট নাগৰিক সকলৰ লগত জিলাখনৰ উন্নয়ন সম্পৰ্কীয় বিষয়, বৰ্তমান চলি থকা চৰকাৰী আঁচনি আৰু অনাগত সময়ত জিলাখনত গ্ৰহণ কৰিবলগীয়া উন্নয়নমূলক কামৰ পৰ্যালোচনা সভাত সভাপতিত্ব কৰি বৰ্তমান চলি থকা চৰকাৰী আঁচনি সমূহৰ ৰূপায়ণৰ কাম ত্বৰান্বিত কৰা হ'ব বুলি সদৰি কৰে। আনহাতে মুখ্য নিৰ্বাচন আয়ুক্তৰ স্থিতি সন্দৰ্ভত কোনোধৰণৰ মন্তব্য দিবলৈ অস্বীকাৰ কৰা মন্ত্ৰী গৰাকীয়ে নগাঁও লোকসভা উপ নিৰ্বাচনত বিজেপিৰ লগত এই আই ইউ ডি এফৰ লগতহে প্ৰতিদ্বন্দ্বিতা হ'ব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আনহাতে আজিৰ সভালৈ শোণিতপুৰৰ কোনো এটা সাংবাদিক সংগঠনক আমন্ত্ৰণ নকৰা বিষয়টো সাংবাদিক সকলে মন্ত্ৰী গৰাকীৰ দৃষ্টিগোচৰ কৰাত অনাগত সময়ত সাংবাদিক সন্থাক আমন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি ব্যক্ত কৰে। শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে জিলাখনত ৰূপায়ণ হৈ থকা আৰু ৰূপায়ণ কৰিবলগীয়া আঁচনি সন্দৰ্ভত বক্তব্য প্ৰদান কৰা সভাত মন্ত্ৰী অশোক সিংঘল, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, বিধায়কদ্বয় পৃথ্বীৰাজ ৰাভা আৰু ঋতুৰাজ শৰ্মা প্ৰমুখ্যে বিশিষ্ট লোক সকলে অংশ গ্ৰহণ কৰে।

স্বাস্থ্যখণ্ডৰ উন্নয়নৰ লক্ষ্যৰে কোকৰাঝাৰ-বঙাইগাঁৱত মন্ত্ৰী অশোক সিংহল

৫ অক্টোবৰত উদ্বোধন হ'ব বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়

অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৩০ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক শক্তিশালী আৰু গতিশীল কৰাৰ লক্ষ্যৰে আজি কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাত স্বাস্থ্যখণ্ডৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ বিস্তৃত পৰ্যালোচনা কৰে মন্ত্ৰী অশোক সিংহলে। দিনটোৰ কাৰ্যসূচীৰ অংশ হিচাপে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰাৰ লগতে বড়োলেণ্ড প্ৰাদেশিক পৰিষদৰ পাঁচখন জিলাৰ স্বাস্থ্য সেৱাৰ অগ্ৰগতিৰ বুজ লোৱা হয়। একেদৰে অহা ৫ অক্টোবৰত উদ্বোধন হ'বলগীয়া বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ প্ৰস্তুতিৰো পৰ্যালোচনা কৰে মন্ত্ৰীগৰাকীয়ে। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ কাৰ্যকলাপ, ৰোগীৰ বাবে উপলব্ধ সা-সুবিধা, চিকিৎসা সেৱাৰ মান আৰু আন্তঃগাঁথনিৰ বিভিন্ন দিশৰ বুজ লয়। পৰিদৰ্শনকালত ৰোগীসকলক অধিক গুণগত আৰু সহজলভ্য স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত থকা বিভিন্ন সমস্যা আৰু প্ৰয়োজনীয়তাৰ বিষয়েও আলোচনা কৰা হয়। পৰিদৰ্শনৰ পাছত চিকিৎসা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু মুৰব্বী অধ্যাপকসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে। চিকিৎসা শিক্ষাৰ মান উন্নত কৰা, শৈক্ষিক পৰিৱেশ অধিক শক্তিশালী কৰা আৰু মহাবিদ্যালয়খনত উন্নত শৈক্ষিক তথা চিকিৎসা পৰিৱেশ গঢ়ি তোলাৰ বিভিন্ন দিশ সন্দৰ্ভত মত বিনিময়ত আলোচনা কৰা হয়। ইয়াৰ পাছতে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বিভিন্ন বিষয়ক লৈ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ কাৰ্যকলাপ, চিকিৎসা সেৱাৰ মান, আন্তঃগাঁথনি, ৰোগীৰ সুবিধা, মানৱ সম্পদ, ঔষধ-পাতি আৰু চিকিৎসা শিক্ষাৰ সৈতে জড়িত বিষয়সমূহ বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। চিকিৎসা সেৱাৰ মান অধিক উন্নত কৰা আৰু ৰোগীৰ বাবে প্ৰয়োজনীয় সুবিধা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়। ইফালে, বড়োলেণ্ড প্ৰাদেশিক পৰিষদৰ প্ৰেক্ষাগৃহত কোকৰাঝাৰ, চিৰাং, বাক্সা, তামোলপুৰ আৰু ওদালগুৰি জিলাৰ স্বাস্থ্যখণ্ডৰ বিভিন্ন সূচক আৰু স্বাস্থ্য সেৱাৰ অগ্ৰগতি সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মাতৃ আৰু শিশু স্বাস্থ্য, প্ৰাতিষ্ঠানিক প্ৰসৱ, টিকাকৰণ, চিকিৎসা সেৱাৰ মান, স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি, মানৱ সম্পদ, ঔষধ-পাতি আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ উপলব্ধতাকে ধৰি বিভিন্ন বিষয় পৰ্যালোচনা কৰা হয়। স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত থকা সমস্যা আৰু প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰি সময়মতে সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰতো বৈঠকে গুৰুত্ব আৰোপ কৰা হয়। ৰাইজৰ বাবে স্বাস্থ্যসেৱা অধিক সহজলভ্য আৰু গুণগত কৰি তোলা, স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু উপলব্ধ সম্পদৰ সঠিক ব্যৱহাৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। আনহাতে, মন্ত্ৰীগৰাকীয়ে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰি অহা ৫ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। চিকিৎসা মহাবিদ্যালয়খনৰ বিভিন্ন ভৱন, চিকিৎসা সেৱাৰ আন্তঃগাঁথনি, নিৰ্মাণকাৰ্যৰ অগ্ৰগতি আৰু উদ্বোধনী অনুষ্ঠানৰ সৈতে জড়িত প্ৰস্তুতিৰ কাম-কাজ পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ পাছত সংশ্লিষ্ট বিষয়াসকলৰ সৈতে অনুষ্ঠিত পৰ্যালোচনা সভাত উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি, নিৰ্মাণকাৰ্যৰ অগ্ৰগতি, চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা আৰু অন্যান্য আনুষংগিক বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। উদ্বোধনৰ পূৰ্বে বাকী থকা কাম-কাজসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ লগতে চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশনা প্ৰদান কৰা হয়। কোকৰাঝাৰত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম ৰয়, বিটিচি স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৱহাচাত বসুমতাৰী, বড়োলেণ্ড প্ৰাদেশিক পৰিষদৰ প্ৰধান সচিব মুকেশ চাহু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ডাঃ পি. অশোক বাবু, কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ অতুল বড়ো, বিটিচিৰ স্বাস্থ্য বিভাগৰ সঞ্চালক ডাঃ নিলো ব্ৰহ্মসহ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। বঙাইগাঁৱত অনুষ্ঠিত পৰ্যালোচনা সভাত জিলা আয়ুক্ত সত্যৰঞ্জন চহৰীয়া, জ্যেষ্ঠ জিলা আৰক্ষী অধীক্ষক মোমল মাহাতো, বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ হাবমেন ফেৰংকসহ সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

বৰ্ষাপাৰাত ৰানৰ বৰষুণ ঃ তচ্‌নচ্‌

সংখ্যক এদিনীয়া শতক সম্পূৰ্ণ কৰে, যি এজন ভাৰতীয় অধিনায়ক হিচাপে দ্ৰুততম শতকৰ অভিলেখ। ইয়াৰ পিছত তেওঁ আৰু অধিক আত্মবিশ্বাসেৰে খেলি ১১৭টা বলত ২০০ ৰানৰ স্পৰ্শ কৰে। গীলৰ এই ইনিংছত খেলপথাৰৰ কেউফালে চাৰি-ছিক্সাৰৰ বৰষুণ নামি পৰে। সমগ্ৰ ষ্টেডিয়াম উলাহ-উৎসাহেৰে মুখৰিত হৈ পৰে। এদিনীয়া ক্ৰিকেটৰ ইতিহাসত ৰান চেজ কৰাৰ সময়ত দ্বি-শতক অৰ্জন কৰা বিশ্বৰ মাত্ৰ দ্বিতীয়জন বেটাৰ হিচাপে তেওঁ পৰিগণিত হয়। ইয়াৰ উপৰি গীলৰ এদিনীয়া ক্ৰিকেট কেৰিয়াৰত এইটো দ্বিতীয় দ্বি-শতক। ২০২৩ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে তেওঁ ২০৮ ৰান সংগ্ৰহ কৰিছিল। এই সাফল্যৰ লগে লগে তেওঁ ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাৰ (তিনিটা দ্বি-শতক) পিছত একাধিক এদিনীয়া দ্বি-শতক অৰ্জন কৰা দ্বিতীয়জন ভাৰতীয় বেটাৰ হিচাপে পৰিগণিত হয়। ভাৰতীয় দলৰ নেতৃত্বৰ গুৰুদায়িত্ব কান্ধত লৈ শুভমন গীলে খেলা এই ইনিংছে ক্ৰিকেট জগতত তেওঁৰ আধিপত্য পুনৰ প্ৰমাণ কৰিলে। বৰ্ষাপাৰাৰ দৰ্শকে আজি এনে এক ঐতিহাসিক ইনিংছ প্ৰত্যক্ষ কৰি উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে।

বৰ্ষাপাৰাৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মঞ্চত

খেলপথাৰত ধাৰাভাষ্য আৰম্ভ কৰিয়েই তেওঁ অসমৰ স্বাভিমান জগাই তোলা শ্লোগানৰ স্মৃতি চাৰি বিশিষ্ট শিল্পী জুবিন গাৰ্গক সশ্ৰদ্ধ স্মৰণ কৰে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ দৰে এখন বৃহৎ মঞ্চত স্থানীয় সংস্কৃতি তথা এজন লোকপ্ৰিয় শিল্পীক এনেদৰে সন্মান জনোৱাটোৱে খেলখনৰ পৰিৱেশ আৰু অধিক আনন্দময় কৰি তোলে। জুবিন গাৰ্গ কেৱল এজন গায়ক বা শিল্পী নাছিল- তেওঁ অসমীয়া জনজীৱনৰ হৃদয়ত চিৰকাললৈ ঠাই লোৱা এক আৱেগ আছিল। তেওঁৰ মধুৰ কণ্ঠ আৰু গানে অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অৱদান অপূৰ্ব। ৰবি শাস্ত্ৰীয়ে দেশ-বিদেশৰ লাখ লাখ দৰ্শকে উপভোগ কৰা সেই গ্ল'বেল মঞ্চত জুবিন গাৰ্গৰ নাম উচ্চাৰণ কৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগীতপ্ৰেমীৰ হৃদয় স্পৰ্শ কৰি গ'ল। ক্ৰিকেট আৰু সংগীত দুটা ভিন্ন মাধ্যম; কিন্তু দুয়োটা একেলগে মিলি গ'লে মানুহৰ মাজত গভীৰ সম্প্ৰীতি আৰু আৱেগৰ সৃষ্টি হয়। বৰ্ষাপাৰা ষ্টেডিয়ামত ৰবি শাস্ত্ৰীৰ মুখে উচ্চাৰিত সেই কেইটামান শব্দই স্থানীয় দৰ্শকৰ মনত নতুন উলাহৰ সঞ্চাৰ কৰাৰ লগতে খেলপথাৰৰ পৰিৱেশটো আৰু অধিক আৱেগিক কৰি তুলিছিল। আমাৰ বিবেচনাত, খেলৰ দৰে আন্তঃৰাষ্ট্ৰীয় ইভেণ্টত স্থানীয় সংস্কৃতি আৰু জনপ্ৰিয় ব্যক্তিসকলক এনেদৰে শ্ৰদ্ধা জনোৱা হয়, তেতিয়া খেলখনৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ আৰু গভীৰ হয়। বৰ্ষাপাৰাৰ এই এদিনীয়া মেচখনে ক্ৰিকেটৰ উত্তেজনা সজীৱ কৰি ৰখাৰ লগতে অসমৰ কৃষ্টি-সংস্কৃতি আৰু প্ৰতিভাক বিশ্বৰ দৰবাৰত নতুন পৰিচয় দিলে। ৰবি শাস্ত্ৰীৰ এই সৰু কিন্তু তাৎপৰ্যপূৰ্ণ পদক্ষেপে প্ৰমাণ কৰে যে মহান শিল্পীসকলৰ কৰ্মৰাজি কোনো এটা সীমাৰ ভিতৰত আৱদ্ধ নাথাকে; তেওঁলোকৰ স্মৃতি চিৰদিনৰ বাবে মানুহৰ মনত সাঁচ বহুৱাই থাকে।

সাম্প্ৰদায়িক মেৰুকৰণৰ ৰাজনীতি

এতিয়া নগাঁও পুনৰুদ্ধাৰৰ লক্ষ্যৰে সংখ্যালঘু ভোটাৰৰ মাজত সক্ৰিয় হৈ পৰিছে। শাসক দলৰ অভিযোগ অনুসৰি, সংখ্যালঘু ৰাইজক কংগ্ৰেছৰ বিধায়ক-সাংসদে কোনো সুবিধা দিয়া নাই। মুখ্যমন্ত্ৰীকে ধৰি বিজেপিৰ নেতাসকলে কেইবাখনো নিৰ্বাচনী সভাত দাবী কৰে যে ৰকিবুল হুছেইনে চৰকাৰী আঁচনিৰ ধন নিজে খায়; আছিফ নাজাৰে ৰাস্তা-ঘাট, মথাউৰি নিৰ্মাণ বা খহনীয়া ৰোধ কৰিব নোৱাৰে। তেওঁলোকৰ মতে, কংগ্ৰেছৰ শাসনকালত টকা নিদিয়াকৈ কোনেও চাকৰি পোৱা নাছিল। বিজেপিৰ এনে অভিযোগৰ সমান্তৰালকৈ কংগ্ৰেছেও শাসক দলৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন কৰিছে। নগাঁৱত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয়, "আমি মহিলাক অপমান কৰা দল আৰু চৰকাৰক আমাৰ মহিলাসকলক ভোট দিবলৈ ক'ম নেকি? অসমৰ ৰাইজ দুখীয়া হ'ব পাৰে, কিন্তু প্ৰত্যেকৰে স্বাভিমান আছে। আমি স্বাভিমান সমুখত ৰাখি বিজেপিৰ কুকৰ্ম আৰু অপৰাধৰ প্ৰতিশোধ ল'ম।" জাগীৰোডত অনুষ্ঠিত নিৰ্বাচনী সভাত তেওঁ মন্তব্য কৰে, "অসমৰ ৰাইজে কোনো বিজেপি মন্ত্ৰীক ভয় নকৰে। বিজেপিয়ে হিন্দু-মুছলিম মেৰুকৰণ কৰি নিৰ্বাচন জিকি আহিছিল। কিন্তু আজিৰ নৱপ্ৰজন্মই এই হিন্দু-মুছলিমৰ ৰাজনীতি নাকচ কৰিছে। যুৱসমাজ, মহিলা সমাজ আৰু বয়োজ্যেষ্ঠসকলো মেৰুকৰণৰ ৰাজনীতি বাদ দি কংগ্ৰেছৰ প্ৰতি আকৃষ্ট হৈছে; কাৰণ কংগ্ৰেছৰ শাসনকালত সকলোৱে শান্তি আৰু ভাতৃত্ববোধেৰে বসবাস কৰিছিল।" ধিঙৰ বাটমাৰীত বুধবাৰে অনুষ্ঠিত এখন নিৰ্বাচনী সভাত গৌৰৱ গগৈয়ে কয় যে ৰাইজৰ সাংবিধানিক অধিকাৰ, স্বাৰ্থ আৰু প্ৰকৃত উন্নয়নৰ দাবীক আগত ৰাখিয়েই কংগ্ৰেছে এই নিৰ্বাচনী সংগ্ৰাম আৰম্ভ কৰিছে। বাটমাৰীৰ ৰাইজে প্ৰদৰ্শন কৰা মৰম, আস্থা আৰু সমৰ্থনে দলৰ যাত্ৰাক অধিক শক্তিশালী কৰি তুলিছে বুলি উল্লেখ কৰি তেওঁ শিৰামণি বৰাক বিপুল ভোটত জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। প্ৰচাৰ সভাখনত কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত বক্তৃতা আগবঢ়ায় সাংসদ ইমৰাণ মাছুদে। তেওঁ শাসক পক্ষৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ স্বাৰ্থত ৰাইজক ওলাই আহিবলৈ আহ্বান জনায়। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত সাংসদ ইমৰাণ মাছুদে কয় যে সমগ্ৰ দেশতে এতিয়া ন্যায় আৰু অধিকাৰৰ যুঁজ চলিছে। এই যুঁজখন প্ৰত্যক্ষ কৰি তেওঁ নিশ্চিত যে নগাঁও সমষ্টিৰ পৰা সমগ্ৰ দেশলৈ এক সুস্পষ্ট বাৰ্তা প্ৰেৰণ হ'ব। ৰাহুল গান্ধীয়ে দেশৰ সাধাৰণ দৰিদ্ৰ জনতা, মুছলমান, অন্যান্য সংখ্যালঘু আৰু আদিবাসীসকলৰ স্বাৰ্থ তথা অধিকাৰ সুৰক্ষিত কৰিবলৈ যি সংগ্ৰামৰ অগনি প্ৰজ্বলিত কৰিছে, নগাঁৱৰ এই নিৰ্বাচনে সেই সংগ্ৰামক অধিক শক্তি যোগাব। সাম্প্ৰদায়িক ৰাজনীতিক তীব্ৰ ভাষাৰে সমালোচনা কৰি সাংসদগৰাকীয়ে স্পষ্টকৈ কয় যে সাম্প্ৰদায়িকতা মুছলমানৰ হওক বা হিন্দুৰ, কোনো ধৰণৰ সাম্প্ৰদায়িকতাই দেশৰ বাবে শুভ নহয়। সাম্প্ৰদায়িকতাৰ নামত ভোট বিচৰা সুবিধাবাদী শক্তিসমূহ এইবাৰ ৰাইজৰ আদালতত সম্পূৰ্ণৰূপে মুখঠেকেচা খাবলৈ বাধ্য হ'ব বুলিও তেওঁ মন্তব্য কৰে। কিমান ভোটৰ ব্যৱধানত জয়ী হ'ব বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মাছুদে কয় যে এয়া স্থানীয় ভোটাৰ ৰাইজৰ সিদ্ধান্ত; কিন্তু নিৰ্বাচনী পৰিৱেশ অত্যন্ত ইতিবাচক আৰু কংগ্ৰেছ প্ৰাৰ্থীগৰাকী বিপুল ভোটত বিজয়ী হ'ব। উল্লেখ্য, নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছে বটদ্ৰৱা সমষ্টিৰ প্ৰাক্তন বিধায়িকা শিৰামণি বৰাক প্ৰাৰ্থী কৰিছে। আনহাতে বিজেপিয়ে প্ৰাক্তন আইএএছ বিষয়া দেৱাশিস শৰ্মাক প্ৰাৰ্থী কৰিছে। এই নিৰ্বাচনত এআইইউডিএফৰ সভাপতি, প্ৰাক্তন সাংসদ তথা বৰ্তমান বিন্নাকান্দি সমষ্টিৰ বিধায়ক বদৰুদ্দিন আজমলেও প্ৰতিদ্বন্দ্বিতা কৰিছে। সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা এই সমষ্টিত তিনিওটা দলৰ বাবে সমীকৰণ কিছু জটিল হৈ পৰিছে। আজমলৰ প্ৰতিদ্বন্দ্বিতাই কংগ্ৰেছৰ কিছু বেকফুটলৈ ঠেলি পঠিয়াব পাৰে বুলি একাংশ ৰাজনৈতিক বিশ্লেষকে মত পোষণ কৰিছে। কিন্তু বিজেপিক সংখ্যালঘু-বিৰোধী দল হিচাপে প্ৰতিষ্ঠা কৰিবলৈ কংগ্ৰেছ আৰু এআইইউডিএফে প্ৰয়াস কৰি আহিছে; সেই দিশৰ পৰা সংখ্যালঘু ভোটাৰে বিজেপিক ভোট দিয়ে নে নিদিয়ে, সেয়াও লক্ষ্য কৰিবলগীয়া হ'ব। ইতিমধ্যে বিজেপিয়ে সংখ্যালঘু ৰাইজক চৰত মাটিৰ পট্টা, অৰুণোদয় আঁচনি আদি প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া দেখা গৈছে। আনহাতে কংগ্ৰেছে অভিযোগ কৰিছে যে বিজেপিয়ে সংখ্যালঘুৰ ওপৰত অত্যাচাৰ চলাইছিল আৰু উচ্ছেদৰ জৰিয়তে সংখ্যালঘু ৰাইজক গৃহহীন কৰি তুলিছিল। অহা ৬ অক্টোবৰত এই উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ফলাফল ৯ অক্টোবৰত ঘোষণা কৰা হ'ব।

উজনি চিয়াং বহুমুখী প্ৰকল্পক লৈ

জীৱন, জীৱিকা আৰু পৰিৱেশ সুৰক্ষাৰ প্ৰতি সম্ভাব্য ভাবুকিৰ দিশটো গুৰুত্বসহকাৰে বিবেচনা কৰা প্ৰয়োজন। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ অবিচ্ছেদ্য অংগ হিচাপে চিয়াং নদী অসমলৈ বৈ অহাৰ লগে লগে ইমান বৃহৎ পৰিসৰত পানী সংৰক্ষণ আৰু নিয়ন্ত্ৰণৰ সৈতে জড়িত প্ৰকল্প এটাই নামনিৰ অঞ্চলত বিধ্বংসী প্ৰভাৱৰ ভাবুকি কঢ়িয়াই আনিছে। প্ৰকল্পটোৰ প্ৰাৰম্ভিক কাম আৰম্ভ হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ এনে আশংকা প্ৰকাশ কৰে। শইকীয়াই দাবী জনোৱা অনুসৰি, প্ৰকল্পটোৰ প্ৰভাৱ মূল্যায়নৰ বাবে এক স্বতন্ত্ৰ আৰু অসমভিত্তিক বৈজ্ঞানিক মূল্যায়ন প্ৰয়োজন। ইয়াৰ লগতে নদীৰ প্ৰবাহ, বানৰ স্তৰ, খহনীয়া, কৃষি, জীৱিকা আৰু জৈৱ বৈচিত্ৰ্যৰ ওপৰত প্ৰকল্পটোৰ প্ৰভাৱ সূক্ষ্মভাৱে অধ্যয়ন কৰিব লাগিব। তেওঁ লগতে কয় যে ভূমিকম্প, ভূমিস্খলন বা অত্যধিক বৰষুণৰ ফলত মথাউৰি ছিগিলে বা জৰুৰী অৱস্থাত পানী এৰি দিলে অসমৰ কোনখন জিলা প্লাৱিত হ'ব, সেয়া চিনাক্ত কৰিবলৈ বিশদ মেপিং আৰু জৰুৰীকালীন কাৰ্য পৰিকল্পনা থাকিব লাগিব। পূব হিমালয় অতি ভূমিকম্পপ্ৰৱণ অঞ্চল হোৱাৰ বাবে প্ৰকল্পটোৰ সুৰক্ষা ব্যৱস্থাৰ স্বতন্ত্ৰ তদন্ত ভূমিকম্প বিশেষজ্ঞ আৰু ভূতত্ত্ববিদসকলে কৰিব লাগিব বুলিও তেওঁ আহ্বান জনায়। শইকীয়াই উল্লেখ কৰে, "ব্ৰহ্মপুত্ৰই অধিক পলসৰ বোজা কঢ়িয়াই লৈ ফুৰে। এই বৃহৎ প্ৰকল্পই পলসৰ প্ৰবাহত বাধাৰ সৃষ্টি কৰিলে অসমৰ নদীদ্বীপ, চৰ, জলাশয় আৰু কৃষিভূমিত কি প্ৰভাৱ পৰিব, সেয়া নিৰ্ণয় কৰিবলৈ দীৰ্ঘম্যাদী অধ্যয়ন কৰিব লাগিব।" তেওঁ এই প্ৰকল্পৰ বাবে অসম চৰকাৰে কোনো সন্মতি বা 'আপত্তিহীন প্ৰমাণপত্ৰ' (NOC) দিছে নে নাই সেয়া ৰাজহুৱা কৰিবলৈও দাবী জনায়। ইয়াৰ উপৰিও অৰুণাচলৰ নামনি অঞ্চলৰ ৰাইজ আৰু বিশেষজ্ঞৰ সৈতে অৰ্থপূৰ্ণ আলোচনা অনুষ্ঠিত কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে। লগতে, বৰষুণৰ মাত্ৰা, পানী নিষ্কাশনৰ পৰিমাণ আৰু জলাশয়ৰ স্তৰ সম্পৰ্কীয় তথ্য অসমৰ সৈতে ভাগ-বতৰা কৰাৰ বাবে আইনী ব্যৱস্থা আৰু স্বয়ংক্ৰিয় সতৰ্কবাণী ব্যৱস্থা থাকিব লাগিব বুলিও শইকীয়াই উল্লেখ কৰে। তেওঁ কয়, "অসম আৰু অৰুণাচল প্ৰদেশ চৰকাৰে চিয়াং-ব্ৰহ্মপুত্ৰ অৱবাহিকাত এই প্ৰকল্প আৰু অন্যান্য প্ৰস্তাৱিত প্ৰকল্পৰ সম্ভাৱনীয় বিপদ, সুবিধা আৰু সুৰক্ষা ব্যৱস্থাৰ বিশদ বিৱৰণ দি এখন 'শ্বেতপত্ৰ' প্ৰকাশ কৰিব লাগে।" উন্নয়ন বা জলবিদ্যুৎ প্ৰকল্পৰ বিৰোধী নহয় বুলি স্পষ্ট কৰি দেৱব্ৰত শইকীয়াই কয়, "যি প্ৰকল্পৰ প্ৰভাৱে ৰাজ্যৰ সীমা অতিক্ৰম কৰি লাখ লাখ লোকৰ জীৱনলৈ ভাবুকি কঢ়িয়াই অনাৰ লগতে ব্ৰহ্মপুত্ৰৰ দৰে গুৰুত্বপূৰ্ণ নদী ব্যৱস্থাৰ বাবেও কোনো চূড়ান্ত সিদ্ধান্ত লোৱাৰ পূৰ্বে বৈজ্ঞানিক নিৰীক্ষণ, স্বচ্ছতা আৰু সুৰক্ষা নিশ্চিত কৰাটো অতি প্ৰয়োজনীয়।" তেওঁ এই বিষয়ত ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালসকলৰ হস্তক্ষেপ বিচৰাৰ লগতে অসমৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা আৰম্ভ কৰিবলৈও অনুৰোধ জনাইছে। উল্লেখ্য, ১১ হাজাৰ মেগাৱাট শক্তিৰ এই জলবিদ্যুৎ প্ৰকল্পক লৈ অৰুণাচল প্ৰদেশতো বিতৰ্ক অব্যাহত আছে। জলবিদ্যুৎ উৎপাদনৰ উপৰিও চিয়াং-ব্ৰহ্মপুত্ৰ অৱবাহিকাত পানী সংৰক্ষণ আৰু ব্যৱস্থাপনা, বান নিয়ন্ত্ৰণ আৰু দীৰ্ঘম্যাদী জল সুৰক্ষাৰ বহল প্ৰেক্ষাপটত এই প্ৰকল্পৰ বিষয়ে আলোচনা কৰা হৈছে বুলি বিষয়াসকলে জনাইছে।

কাটাৰৰ ব্যৱসায়ীক ভাৰতৰ সৈতে

ব্যৱসায়ী সংঘৰ ঘূৰণীয়া মেজমেলত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ভাৰতৰ শক্তিশালী অৰ্থনৈতিক বিকাশ, বৰ্ধিত বিনিয়োগ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত ৯ হাজাৰ ৪৫০ কোটিৰো অধিক ডলাৰৰ অভিলেখ পৰিমাণৰ মুঠ প্ৰত্যক্ষ বিদেশী বিনিয়োগ (FDI) সম্পৰ্কে আলোকপাত কৰে। লগতে জাপানৰ এটা credit rating সংস্থাই অলপতে ভাৰতৰ দীৰ্ঘম্যাদী ৰেটিং উন্নত কৰা বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰী সীতাৰমণে কাটাৰৰ বিদেশ বাণিজ্য দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° আহমদ বিন মহম্মদ অল ছইদক সাক্ষাৎ কৰে। সাক্ষাৎকালত তেওঁলোকে আন্তঃগাঁথনি, খাদ্য সুৰক্ষা, ভেষজ, পেট্ৰ' ৰাসায়নিক, শিক্ষা, স্বাস্থ্য সেৱা আৰু ষ্টাৰ্টআপকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সুযোগ সম্পৰ্কে আলোচনা কৰে। আলোচনাকালত বিত্তমন্ত্ৰী সীতাৰমণে কাটাৰ আৰু পাৰস্য উপসাগৰীয় অঞ্চলৰ অন্য দেশসমূহৰ সৈতে হৰমুজ প্ৰণালীৰে অবাধ সামুদ্ৰিক পৰিবহণ আৰু ব্যৱসায়কে ধৰি স্বাভাৱিক বাণিজ্য বাহাল কৰাত গুৰুত্ব আৰোপ কৰে।

নিৰ্বাচন আয়োগৰ পক্ষত

অসমৰ বিভিন্ন জিলাত সংবাদমেল সম্বোধন কৰি বিজেপি নেতাসকলে কংগ্ৰেছৰ অভিযোগ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি অভিহিত কৰিছে। লগতে তেওঁলোকে নিৰ্বাচন আয়োগৰ দৰে সাংবিধানিক সংস্থাৰ ওপৰত আস্থা অটুট ৰখাৰ আহ্বান জনাইছে। যোৰহাটত অনুষ্ঠিত সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কংগ্ৰেছ নেতৃত্বক তীব্ৰ সমালোচনা কৰে। তেওঁৰ অভিযোগ, কংগ্ৰেছ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে নিৰ্বাচন আয়োগকে ধৰি দেশৰ বিভিন্ন সাংবিধানিক আৰু স্বতন্ত্ৰ প্ৰতিষ্ঠানৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি জনসাধাৰণৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰিব বিচাৰিছে। অৱশ্যে এনে অপচেষ্টাক ৰাইজে নাকচ কৰি আহিছে বুলিও তেওঁ দাবী কৰে। ইভিএম প্ৰসংগত ৰাহুল গান্ধীক লক্ষ্য কৰি মাৰ্ঘেৰিটাই কয়, "২০২৪ চনত পৰাজিত হোৱাৰ সময়ত তেওঁ ইভিএমক ব্লেক বক্স বুলি অভিহিত কৰিছিল। কিন্তু নিজে ৰায়বেৰেলীত জয়ী হ'লে বা তেওঁৰ ভগ্নীয়ে কেৰালাত জয়ী হ'লে সেই ইভিএমেই ভাল হৈ পৰে। অৰ্থাৎ কৰ্ণাটকত জয়ী হ'লে ভাল, কিন্তু অসমত জয়ী হ'লে ব্লেক বক্স।" ৰাফেল, দেশৰ ন্যায়পালিকা, কেগৰ প্ৰতিবেদন তথা সামৰিক অভিযান সম্পৰ্কত ৰাহুল গান্ধীৰ পূৰ্বৰ মন্তব্যও তেওঁ উল্লেখ কৰি কংগ্ৰেছ নেতাগৰাকীক সমালোচনা কৰে। তেওঁ লগতে কয়, "নিৰ্বাচন আয়োগে প্ৰেছ বিবৃতিৰ জৰিয়তে নিজৰ স্থিতি স্পষ্ট কৰি কৈছে যে সকলো সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছে। তাত কংগ্ৰেছে কোৱাৰ দৰে কোনো অন্তৰ্দ্বন্দ্ব নাই।" স্বতন্ত্ৰ সংস্থা এটাৰ ওপৰত উঠা অভিযোগৰ বিৰুদ্ধে বিজেপিয়ে চাফাই গোৱা সম্পৰ্কত তেওঁ কয় যে গণতন্ত্ৰক শক্তিশালী কৰাৰ স্বাৰ্থত বিজেপিয়ে এই বিষয়ত মাত দিছে। শিৱসাগৰৰ বিজেপি কাৰ্যালয়ত ৰাজ্যসভাৰ সাংসদ যোগেন মহনে সংবাদমেল সম্বোধন কৰি বিৰোধী কংগ্ৰেছক সমালোচনা কৰে। তেওঁৰ অভিযোগ, কংগ্ৰেছে ভাৰতৰ নিৰ্বাচন আয়ুক্তসকলৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি দেশৰ পৰিস্থিতি উত্তাল কৰিব বিচাৰিছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিজৰ স্থিতি স্পষ্ট কৰাৰ পিছত কংগ্ৰেছৰ অভিযোগৰ বিশ্বাসযোগ্যতা লৈ প্ৰশ্ন উত্থাপন হৈছে বুলি তেওঁ মন্তব্য কৰে। ইভিএম সন্দৰ্ভত কংগ্ৰেছৰ প্ৰশ্নক সমালোচনা কৰি যোগেন মহনে কয়, "নিৰ্বাচনত ইভিএম ব্যৱহাৰৰ সিদ্ধান্ত কংগ্ৰেছ চৰকাৰৰ সময়তেই গ্ৰহণ কৰা হৈছিল। এই ইভিএমৰ জৰিয়তেই ৰাহুল গান্ধী জয়ী হৈছিল। ইভিএমৰ জৰিয়তেই বিভিন্ন ৰাজ্যত কংগ্ৰেছৰ চৰকাৰ আছে। অসমতো গৌৰৱ গগৈ, ৰকিবুল হুছেইন ইভিএমৰ জৰিয়তেই জয়ী হৈছে।" তেওঁৰ মতে, কংগ্ৰেছ তথা বিৰোধীয়ে বিভিন্ন ধৰণে জনতাক বিপথে পৰিচালিত কৰি আহিছে। নলবাৰী জিলা বিজেপি কাৰ্যালয়ত টিহু সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সংবাদমেল সম্বোধন কৰি বিৰোধীক লক্ষ্য কৰি লয়। তেওঁ ইভিএম আৰু নিৰ্বাচন আয়োগৰ সন্দৰ্ভত বিৰোধীৰ অভিযোগ ভিত্তিহীন বুলি দাবী কৰে। তেওঁ কয়, "কংগ্ৰেছ নিৰ্বাচনত জয়ী হ'লে ইভিএম ভাল, কিন্তু পৰাজিত হ'লে ইভিএম বেয়া।" পাটোৱাৰীয়ে লগতে কয় যে নিৰ্বাচন আয়োগৰ তিনিওগৰাকী আয়ুক্তই ইতিমধ্যে এছআইআৰ সম্পৰ্কীয় বিতৰ্কত নিজৰ স্থিতি স্পষ্ট কৰিছে। তেওঁৰ অভিযোগ, বিৰোধীয়ে ৰাজনৈতিক স্বাৰ্থত এনে অভিযোগ উত্থাপন কৰি আছে আৰু এইবোৰ সম্পূৰ্ণ ভিত্তিহীন। সমান্তৰালকৈ নগাঁৱৰ কঠীয়াতলিত সংবাদমেল সম্বোধন কৰি কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই নিৰ্বাচন আয়োগ আৰু বিজেপিৰ বিৰুদ্ধে উত্থাপিত অভিযোগ খণ্ডন কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজৰ প্ৰসংগ উত্থাপন কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে দায়বদ্ধতাৰে কাম কৰি আহিছে। তেওঁ কয়, "নিৰ্বাচন আয়োগৰ বিৰুদ্ধে যি অভিযোগ উঠিছে, সেয়া সম্পূৰ্ণৰূপে ভিত্তিহীন। বিৰোধীয়ে ৰাজনীতিৰ দোকানখন খুলি ৰাখিবলৈ এইবোৰ কথা কৈ আছে।" সংবাদমেলত তেওঁ কংগ্ৰেছ নেতা ৰাহুল গান্ধীকো তীব্ৰ সমালোচনা কৰে। উল্লেখ্য, এছআইআৰ আৰু নিৰ্বাচন আয়োগ সম্পৰ্কে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ মাধ্যমত প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছতে বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰে। তাতেই বিষয়টো সীমাবদ্ধ হৈ নাথাকি এতিয়া ৰাজনৈতিক ৰূপ লৈছে। বিষয়টোক লৈ কংগ্ৰেছ আৰু বিজেপিৰ মাজত ৰাজনৈতিক বাক-বিতণ্ডা তীব্ৰতৰ হৈছে। কংগ্ৰেছে নিৰ্বাচন আয়োগৰ কাৰ্যপ্ৰণালী আৰু এছআইআৰক লৈ প্ৰশ্ন উত্থাপন কৰি প্ৰতিবাদ অব্যাহত ৰখাৰ বিপৰীতে বিজেপিয়ে নিৰ্বাচন আয়োগৰ শেহতীয়া স্পষ্টীকৰণক আধাৰ হিচাপে লৈ বিৰোধীৰ অভিযোগ নস্যাৎ কৰাৰ প্ৰয়াস চলাইছে।

৬ অক্টোবৰত সংসদৰ পৰা নিৰ্বাচন

সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ২ অক্টোবৰৰ পৰা দেশজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰো ঘোষণা কৰা হয়। এই সন্দৰ্ভত ইণ্ডিয়া ব্লকৰ চিপিআই(এম)ৰ সাংসদজন ব্ৰিট্টাছে কয়, "৬ অক্টোবৰত ইণ্ডিয়া ব্লকৰ সকলো সাংসদে সংসদৰ পৰা নিৰ্বাচন আয়োগৰ কাৰ্যালয়লৈ প্ৰতিবাদী সমদল কৰিব। লগতে বিষয়টোৰ সন্দৰ্ভত আমি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ম। প্ৰতিখন ৰাজ্য আৰু জিলাত নিৰ্বাচন আয়োগৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হ'ব।" বৈঠকৰ অন্তত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত টিএমচিৰ সাংসদ অভিষেক বেনাৰ্জীয়ে কয়, "সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত দুজন নিৰ্বাচন আয়ুক্তই পৃথকে পৃথকে মন্তব্য কৰিছে। তেওঁলোকৰ কথা মিল নাই। এছআইআৰৰ জৰিয়তে সকলোতে অনিয়ম হৈছে, কিন্তু পশ্চিমবংগত অধিক হাৰত অনিয়ম সংঘটিত হৈছে।" আৰজেডিৰ নেতা তেজস্বী যাদৱে কয়, "এছআইআৰ বিহাৰৰ পৰা আৰম্ভ হৈছিল। য'ত য'ত নিৰ্বাচন অনুষ্ঠিত হৈছে, তাতে এছআইআৰ আৰম্ভ হৈছে। 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ বাতৰিয়ে প্ৰমাণ কৰে যে বিহাৰ আৰু পশ্চিমবংগত অনিয়ম আৰু অবৈধ ব্যৱস্থাৰে নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। আমি পূৰ্বৰ পৰাই এই দাবী উত্থাপন কৰি আহিছো।" তেওঁ লগতে কয়, "মুখ্য নিৰ্বাচন আয়োগক সুৰক্ষা দিবলৈ নতুনকৈ আইন প্ৰস্তুত কৰা হৈছে, এছআইআৰৰ জৰিয়তে ভোটাৰ তালিকাৰ অন্তৰ্ভুক্তিৰ নিয়ম সলনি কৰা হৈছে। মুখ্য নিৰ্বাচন আয়োগৰ নিয়োগ প্ৰক্ৰিয়াত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ যি ভূমিকা আছিল, তাক আঁতৰাই কেবিনেট মন্ত্ৰীক অন্তৰ্ভুক্ত কৰিছে মোদী চৰকাৰে।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহক কটাক্ষ কৰি তেজস্বী যাদৱে লগতে কয়, "জ্ঞানেশ কুমাৰ নামমাত্ৰ নিৰ্বাচন আয়ুক্ত হৈ আছে। প্ৰকৃত কাম কৰিছে প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে। এই সত্য ঢাকি ৰাখিব নোৱাৰি; আগন্তুক দিনত সত্য পোহৰলৈ আহিব।" চিপিআইশ্চএম-এলৰ নেতা দীপাংকৰ ভট্টাচাৰ্যই কয়, "নিৰ্বাচন আয়োগৰ বিৰুদ্ধে উত্থাপন হোৱা অভিযোগসমূহৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰা হ'ব। ২ অক্টোবৰৰ পৰা এসপ্তাহ ধৰি দেশৰ প্ৰতিটো ব্লক পৰ্যায়ত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আমি ইতিমধ্যে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি বিষয়টোৰ সন্দৰ্ভত এখন স্মাৰক পত্ৰ প্ৰদান কৰিম।" ইফালে বুধবাৰে অনুষ্ঠিত ইণ্ডিয়া ব্লকৰ বৈঠকত ছয়টা দাবী উত্থাপন কৰা হয়। দাবীসমূহ হৈছে- আগন্তুক নিৰ্বাচনসমূহত এছআইআৰৰ পূৰ্বৰ ভোটাৰ তালিকা ব্যৱহাৰ কৰা, আগন্তুক নিৰ্বাচনসমূহত ইভিএমৰ পৰিৱৰ্তে বেলট পেপাৰৰ জৰিয়তে ভোটগ্ৰহণ কৰা, এছআইআৰৰ প্ৰতিটো পৰ্যায়ত সম্পূৰ্ণ স্বচ্ছতা নিশ্চিত কৰা, সমষ্টি আৰু বুথভিত্তিক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি, কৰ্তন আৰু সংশোধনৰ তথ্য ৰাজহুৱা কৰা, কোনো বৈধ ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়াৰ পূৰ্বে যথাযথ জাননী, কাৰণ আৰু ফলপ্ৰসূ আপত্তিৰ সুযোগ দিয়া, প্ৰশাসনিক ব্যৰ্থতা, অপৰ্যাপ্ত নথি-পত্ৰ বা সজাগতাৰ অভাৱৰ ফলত হোৱা নাম কৰ্তনৰ পৰা যোগ্য ভোটাৰক সুৰক্ষা দিয়া। উল্লেখ্য, এই বৈঠকৰ সিদ্ধান্ত অনুসৰি আগন্তুক ৬ অক্টোবৰত ইণ্ডিয়া ব্লকৰ সাংসদসকলে সংসদৰ পৰা নিৰ্বাচন আয়োগৰ কাৰ্যালয়লৈ প্ৰতিবাদী সমদল কৰাৰ লগতে ২ অক্টোবৰৰ পৰা দেশজুৰি প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰাৰ কথা ঘোষণা কৰা হৈছে।

শিলচৰত এম্বুলেঞ্চ ৰখাই মুখ্যমন্ত্ৰীৰ

গৰাকীয়ে ৰোগীগৰাকী আৰু তেওঁৰ পৰিয়ালবৰ্গৰ ওচৰত আন্তৰিকতাৰে ক্ষমা বিচাৰিছে। সামাজিক মাধ্যমত এটা পোষ্টৰ জৰিয়তে তেওঁ কয় যে জৰুৰীকালীন চিকিৎসাৰ প্ৰয়োজন হোৱা কোনো ৰোগীৰ জীৱনতকৈ মুখ্যমন্ত্ৰীৰ যাত্ৰাই কেতিয়াও অগ্ৰাধিকাৰ লাভ কৰিব নোৱাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিয়ে যে সাধাৰণ নাগৰিকৰ যাতায়াত তথা জৰুৰীকালীন সেৱা যাতে মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাবে কোনো কাৰণতে ব্যাহত নহয়, সেই সন্দৰ্ভত তেওঁৰ নিৰ্দেশ স্পষ্ট। কনভয় চলাচলৰ ক্ষেত্ৰত নিৰাপত্তাজনিত প্ৰট'কল মানি চলাটো জৰুৰী যদিও, তাৰ বাবে সাধাৰণ ৰাইজ বা এম্বুলেঞ্চৰ দৰে জৰুৰী বাহনৰ চলাচলত বাধা সৃষ্টি হ'ব নালাগে বুলি তেওঁ উল্লেখ কৰে। ঘটনাটোৰ বাবে দায়ী লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়াৰ লগতে সমগ্ৰ ঘটনাৰ তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। তেওঁৰ নিৰ্দেশৰ পিছতে চাৰিজন আৰক্ষীক নিলম্বন কৰা হৈছে। নিলম্বিত হোৱা আৰক্ষী কেইজন হৈছে - SI বিজয় গোস্বামী, SI শিৱশংকৰ দাস, জোৱান জহুৰুল ইছলাম আৰু কাওছাৰ আহমেদ বৰভূঁইয়া। মুখ্যমন্ত্ৰীয়ে লগতে সকীয়াই দিয়ে যে মুখ্যমন্ত্ৰীৰ কনভয়ৰ চলাচল সন্দৰ্ভত জাৰি কৰা সকলো নিৰ্দেশ আখৰে আখৰে আৰু সম্পূৰ্ণৰূপে পালন কৰিব লাগিব। কোনো বিষয়াই বা ব্যক্তিয়ে এই নিৰ্দেশ উলংঘা কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই ঘটনাৰ পুনৰাবৃত্তি যাতে নহয়, তাৰ বাবে সংশ্লিষ্ট সকলো পক্ষক কঠোৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য, ৩০ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শিলচৰ ভ্ৰমণৰ প্ৰস্তুতিৰ অংশ হিচাপে প্ৰশাসনে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। এই ঘটনাৰ লগে লগে ভিআইপি কনভয়ৰ যাতায়াতৰ নিয়ম, বিশেষকৈ পথত এম্বুলেঞ্চৰ দৰে জৰুৰীকালীন বাহন থাকিলে সেইসমূহক অগ্ৰাধিকাৰ দিয়াৰ বিষয়টো পুনৰ চৰ্চালৈ আহিছে। জনস্বাৰ্থত জৰুৰীকালীন সেৱাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজনীয়তা এই ঘটনাই পুনৰ সোঁৱৰাই দিছে।

বাণিজ্য, প্ৰতিৰক্ষা, শক্তি আৰু

সন্দৰ্ভত এক্সত পোষ্ট কৰি জনায়, "ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে ফলপ্ৰসূ আলোচনা হ'ল। আমি বাণিজ্য, প্ৰতিৰক্ষা, শক্তি, গুৰুত্বপূৰ্ণ প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ পৰ্যালোচনা কৰিলোঁ। আমাৰ ব্যাপক গোলকীয় কৌশলগত অংশীদাৰিত্ব আগুৱাই নিয়াৰ বাবে ঘনিষ্ঠ যোগাযোগ বজাই ৰখাত আমি সহমতত উপনীত হৈছোঁ। লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰতো আমি মত বিনিময় কৰিলোঁ; ইয়াৰ ভিতৰত গোলকীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধিৰ বাবে চলি থকা প্ৰচেষ্টাসমূহো অন্তৰ্ভুক্ত।" প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ট্ৰাম্পৰ মাজত এই বাৰ্তালাপ এনে এক সময়ত সংঘটিত হৈছে, যেতিয়া ভাৰত আৰু আমেৰিকাই গোলকীয় যোগান শৃংখল, প্ৰতিৰক্ষা প্ৰযুক্তিৰ যুটীয়া বিকাশ, কৃত্ৰিম বুদ্ধিমত্তা, পৰিষ্কাৰ আৰু পৰম্পৰাগত শক্তিৰ বাণিজ্য আদি ক্ষেত্ৰত পাৰস্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি কৰি আহিছে। আগন্তুক সময়ত ভাৰত আৰু আমেৰিকাৰ মাজত বাণিজ্যিক আলোচনাক নতুন দিশ দিয়াৰ ক্ষেত্ৰতো এই বাৰ্তালাপ যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

চৰকাৰী-প্ৰাদেশীকৃত বিদ্যালয়ত

কোনোভাৱে সমীচীন নহয়। শিক্ষামন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত দিয়া বাৰ্তাত লিখিছে যে বিদ্যালয় শিক্ষা বিভাগে চৰকাৰী বা প্ৰাদেশীকৃত বিদ্যালয়লৈ কোনো ব্যক্তিৰ প্ৰৱেশ ৰোধ কৰি কোনো জাননী বা পৰিপত্ৰ জাৰি কৰা নাই। এই সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি সত্য নহয়। তেওঁ লগতে উল্লেখ কৰে যে অভিভাৱক আৰু নাগৰিকসকলক বিদ্যালয়লৈ স্বাগতম জনোৱা হয়; তেওঁলোকে গঠনমূলক পৰামৰ্শ আগবঢ়াব পাৰে। অৱশ্যে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অক্ষুণ্ণ ৰখাটো সকলোৰে দায়িত্ব। ইপিনে, এই ঘটনাৰ লগত সংযোগ ৰাখি শিক্ষা বিভাগে নুৰুল হুছেইন নামৰ এজন চিআৰচিচিৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। বিদ্যালয় পৰিদৰ্শকৰ নাম আৰু পদবী ব্যৱহাৰ কৰি অনুমোদনবিহীন বাৰ্তা প্ৰচাৰ কৰাৰ অভিযোগত এই জাননী জাৰি কৰা হৈছে বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়েও আজি সামাজিক মাধ্যমত এটা পোষ্ট কৰি এই বিষয়ত স্পষ্টীকৰণ দিছে। পোষ্টত কোৱা হৈছে-চৰকাৰী বা প্ৰাদেশীকৃত বিদ্যালয়লৈ অহাত কোনো বাধা নাই। শেহতীয়াকৈ অসম চৰকাৰৰ শিক্ষা বিভাগৰ নামত সামাজিক মাধ্যম তথা কিছু সংবাদ মাধ্যমে এনে এক নিৰ্দেশনা প্ৰচাৰ কৰিছে, যাৰ ফলত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। অসম চৰকাৰৰ শিক্ষা বিভাগে তেনেধৰণৰ কোনো নিৰ্দেশনা জাৰি কৰা নাই। এই ভুৱা প্ৰচাৰৰ লগত জড়িতসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ইতিমধ্যে নিৰ্দেশনা জাৰি কৰা হৈছে। উল্লেখ্য, ক'কৰোচ্চ জনতা পাৰ্টীৰ (চিজেপি) নেতৃত্বত চলা চৰকাৰী বিদ্যালয় পৰিদৰ্শনৰ পিছতে এই বিতৰ্কই গা কৰি উঠিছিল। চিজেপিৰ কেন্দ্ৰীয় নেতা আশুতোষ ৰাংকাৰ নেতৃত্বত এটা দলে ৰাজ্যৰ কেইবাখনো স্থানত চৰকাৰী বিদ্যালয় পৰিদৰ্শন কৰে আৰু বিদ্যালয়সমূহৰ আন্তঃগাঁথনি তথা অন্যান্য দুৰ্বলতাৰ বিষয়ত আলোকপাত কৰে। মিৰ্জাত বিদ্যালয় ভ্ৰমণৰ সময়ত চিজেপি কৰ্মী আৰু তেওঁলোকৰ বিৰোধী একাংশৰ মাজত বাকবিতণ্ডাৰো সূত্ৰপাত ঘটে। চিজেপিৰ অভিযোগ অনুসৰি তেওঁলোকক বাধা দিয়া দলটো বিজেপিৰ গুণ্ডাবাহিনী আছিল। এই সংঘাতৰ পিছতেই একাংশ সংবাদ মাধ্যমে প্ৰকাশ কৰে যে শিক্ষা বিভাগে মৌখিক নিৰ্দেশনা জাৰি কৰি অনুমতি অবিহনে বিদ্যালয়ত প্ৰৱেশত বাধা দিছে। বিদ্যালয় চলি থকাৰ সময়ত অনুমতি অবিহনে ফটো বা ভিডিঅ' সংগ্ৰহ কৰিব নোৱাৰিব বুলিও সেই নিৰ্দেশনাত উল্লেখ আছে বুলি দাবী কৰা হয়। কিন্তু শিক্ষা বিভাগে এইবোৰ দাবী অসত্য বুলি স্পষ্ট কৰিছে। শিক্ষা বিভাগৰ মতে, অভিভাৱক আৰু সাধাৰণ নাগৰিকে বিদ্যালয় পৰিদৰ্শন কৰিব পাৰে, গঠনমূলক পৰামৰ্শ আগবঢ়াব পাৰে; কেৱল পাঠদানৰ স্বাভাৱিক পৰিৱেশ যাতে ব্যাহত নহয়, তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন। বিভাগে তেনে কোনো জাননী জাৰি কৰা নাই বুলি স্পষ্ট হোৱাৰ পিছত এই বিষয়ত সৃষ্টি হোৱা বিভ্ৰান্তি দূৰ হোৱাৰ আশা প্ৰকাশ কৰা হৈছে।

অস্ত্ৰোপচাৰ কক্ষত লাইটৰ অভাৱত

পোহৰৰ অভাৱৰ বাবে অস্ত্ৰোপচাৰ স্থগিত ৰখা হৈছিল। ৰোগীৰ পৰিয়ালৰ সদস্যসকলে কৈছিল যে নিৰ্ধাৰিত দিনা চিকিৎসালয়ৰ চিকিৎসকসকলে অস্ত্ৰোপচাৰ থিয়েটাৰত পৰ্যাপ্ত অ'টি লাইটৰ অভাৱৰ বাবে অস্ত্ৰোপচাৰ কৰিব পৰা নাছিল আৰু ইয়াক স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। ৰেজেকে কয় যে ইয়াৰ ফলত তেওঁৰ ভাতৃৰ শাৰীৰিক আৰু মানসিক সমস্যা বৃদ্ধি পাইছে আৰু তেওঁৰ অৱস্থাৰ অৱনতি হোৱাৰ আশংকা আছে। পৰিয়ালৰ সদস্যসকলে চিকিৎসা সুবিধাৰ এনে মৌলিক অভাৱক গুৰুতৰ বুলি অভিহিত কৰিছে আৰু সমস্যাটো সোনকালে সমাধান কৰিবলৈ আৰু প্ৰয়োজনীয় সঁজুলি যোগান ধৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। অস্ত্ৰোপচাৰ কক্ষত সঠিক পোহৰ, উচ্চ-মানদণ্ডৰ অস্ত্ৰোপচাৰ চাকি আৰু জৰুৰীকালীন বৈদ্যুতিক বেকআপ থকাটো অত্যাৱশ্যকীয় যাতে অৰ্থোপেডিক, গেষ্ট্ৰোইনটেষ্টাইনেল আৰু অন্যান্য অস্ত্ৰোপচাৰ প্ৰক্ৰিয়াবোৰ সুৰক্ষিতভাৱে সম্পন্ন কৰিব পৰা যায়। চিকিৎসালয়ৰ কৰ্মচাৰী আৰু জিলা স্বাস্থ্য বিভাগৰ প্ৰতিনিধিসকলৰ পৰা এতিয়ালৈকে কোনো তাৎক্ষণিক নিশ্চিতি পোৱা হোৱা নাই। স্থানীয় লোক আৰু সামাজিক সংগঠনসমূহেও বিষয়টো বিবেচনা কৰিবলৈ দাবী জনাইছে আৰু কৈছে যে সৰু চহৰ আৰু গ্ৰাম্য অঞ্চলৰ চৰকাৰী চিকিৎসালয়ত সঁজুলিৰ অভাৱে ৰোগীসকলৰ জীৱন আৰু স্বাস্থ্যৰ ওপৰত পোনপটীয়াকৈ প্ৰভাৱ পেলায়। স্বাস্থ্য বিশেষজ্ঞসকলে আঙুলিয়াই দিছে যে অ'টি লাইটৰ দৰে প্ৰাথমিক সুবিধাৰ অনুপস্থিতিয়ে যিকোনো অস্ত্ৰোপচাৰৰ আশংকা বৃদ্ধি কৰে আৰু এনে সমস্যাৰ দ্ৰুত কাৰিকৰী আৰু প্ৰশাসনিক সমাধানৰ প্ৰয়োজন। পৰিয়ালৰ সদস্যসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ কৰিছে যে মঙ্গলবাৰে অসামৰিক চিকিৎসালয়ত কেৱল প্ৰয়োজনীয় পোহৰে নহয়, সঠিক জৰুৰীকালীন সঁজুলি আৰু বেকআপ নিশ্চিত কৰিবলৈ জিলা স্বাস্থ্য বিভাগক নিৰ্দেশ দি আৰু বিলম্বিত অস্ত্ৰোপচাৰ সোনকালে কৰিবলৈ সুবিধা কৰি দিয়ক। পৰিয়ালৰ লোকে চিকিৎসালয় কৰ্তৃপক্ষক ভৱিষ্যতে এনে বাধাৰ পুনৰাবৃত্তি হ'বলৈ নিদিবলৈ অনুৰোধ জনাইছে।

মাত্ৰ ৫ ঘণ্টাত সম্ভৱ হ'ব শিলচৰৰ পৰা

শিলচৰৰ পৰা শিলিগুড়িলৈ যাত্ৰা মাত্ৰ ১৩ ঘণ্টাত সম্পন্ন কৰিব পৰা যাব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰিছে। তেওঁ জনোৱা মতে, কেন্দ্ৰীয় চৰকাৰে শিলিগুড়ি—শিলচৰ এক্সপ্ৰেছ কৰিডৰ প্ৰকল্পৰ কাম আগবঢ়াই নিছে। এই এক্সপ্ৰেছ কৰিডৰ নিৰ্মাণৰ বাবে ৮২,০০০ কোটি টকা ব্যয় হ'ব। ইয়াৰ ফলত ৰাইজে অতি সোনকালে সুবিধাজনক যাতায়াতৰ সুযোগ লাভ কৰিব। শিলচৰত অনুষ্ঠিত এক সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত লিখিছে, "আগন্তুক বছৰতে শিলচৰৰ পৰা গুৱাহাটীলৈ যাত্ৰা মাত্ৰ ৫ ঘণ্টাত আৰু শিলচৰৰ পৰা শিলিগুড়িলৈ যাত্ৰা ৰ ঘণ্টাত সম্পূৰ্ণ হ'ব। শিলিগুড়ি—শিলচৰ এক্সপ্ৰেছ কৰিডৰৰ নিৰ্মাণ কাম চলি থকাৰ বাবে অসম্ভৱো সম্ভৱপৰ হৈ উঠিব।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, "ভাৰত চৰকাৰে এই ঘাইপথ নিৰ্মাণৰ বাবে ৮২, ০০০ কোটি টকা ব্যয় কৰিছে। অনাগত বছৰবোৰত শিলচৰৰ পৰা গুৱাহাটীৰ যাত্ৰা মাত্ৰ ৫ ঘণ্টাত আৰু শিলচৰৰ পৰা শিলিগুড়িৰ যাত্ৰা ১৩ ঘণ্টাত সম্পন্ন হ'ব।" ইপিনে, শিলচৰত খোৱাপানীৰ সমস্যা সম্পৰ্কতো মুখ্যমন্ত্ৰীয়ে এক্সত উল্লেখ কৰে, "শিলচৰত বিশুদ্ধ খোৱাপানী, উন্নত পথ, কাৰ্যক্ষম নলা-নৰ্দমা ব্যৱস্থা আৰু সুৰক্ষিত পথৰ বাবে কাম কৰা হ'ব। শিলচৰ টাউনত হোৱা কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সমগ্ৰ চহৰখনৰ দৈনিক জীৱনযাত্ৰা উন্নত কৰাৰ বাবে এক সৰ্বাংগীণ পৰিকল্পনা প্ৰস্তুত কৰি থকা হৈছে।" উল্লেখ্য, শিলিগুড়ি—শিলচৰ এক্সপ্ৰেছ কৰিডৰ প্ৰকল্পই অসমৰ বৰাক উপত্যকাক ৰাজ্যৰ অন্যান্য অঞ্চল তথা উত্তৰবংগৰ সৈতে অধিক নিবিড়ভাৱে সংযুক্ত কৰাৰ লগতে বাণিজ্য, পৰ্যটন আৰু সাধাৰণ ৰাইজৰ চলাচলত নতুন গতি আনিব বুলি আশা কৰা হৈছে।

এছিয়ান গেমছত ভাৰতৰ সোণালী

পদক হস্তগত কৰে। একেদৰে ছাহিল যাদৱ আৰু চিকিতা তনিপাৰ্থীয়ে কম্পাউণ্ড মিক্সড শাখাৰ ফাইনেলত কোৰিয়াক শ্বুট-অফত পৰাভূত কৰি সোণৰ পদক লাভ কৰে। এই জয়ৰ সুবাদত ছাহিল আৰু চিকিতাই কোটা ব্যৱস্থাৰ অধীনত ২০২৮ চনত অনুষ্ঠিত হ'বলগীয়া অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ মহিলা কম্পাউণ্ড আৰ্চাৰী দলে চীনক পৰাজিত কৰি স্বৰ্ণ পদক অৰ্জন কৰে। জ্যোতি সুৰেখা ভেন্নম, চিকিতা তনিপাৰ্থী আৰু প্ৰথিকা প্ৰদীপেৰে গঠিত ভাৰতীয় দলটোৱে ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বীক ২৩৮-২৩৪ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। উল্লেখযোগ্য যে ভাৰতে ২০২৩ চনত হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছৰ মহিলাৰ কম্পাউণ্ড শাখাতো স্বৰ্ণ পদক অৰ্জন কৰিছিল। ইপিনে, শ্বুটিঙত নিৰু ঢাণ্ডা আৰু কাইনন চেনাইৰ যুটীয়ে মিক্সড ট্ৰেপ শাখাৰ দলীয় শিতানত স্বৰ্ণ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। আনহাতে, প্ৰিয়া ঘনঘাছে আজি বক্সিঙৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ ছেমিফাইনেলত চীনৰ য়াং চেংগুৰ হাতত পৰাজিত হয়। অৱশ্যে ছেমিফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত তেওঁ ব্ৰঞ্জৰ পদক লাভ কৰে।

এছিয়ান গেমছৰ ফাইনেলত

বিৰুদ্ধে গুৰুত্বপূৰ্ণ জয় সাব্যস্ত কৰে। ৰূপৰ পদক নিশ্চিত হোৱাৰ পিছত ২৭ বছৰীয়া লাভলীনাই শুকুৰবাৰে স্বৰ্ণ পদকৰ বাবে চীনৰ এছিয়ান চেম্পিয়ন বাও ঝিয়িৰ বিৰুদ্ধে যুঁজিব। ২০২৬ চনৰ এছিয়ান গেমছত এইখনেই হ'ব তেওঁৰ তৃতীয় আৰু অন্তিম মেচ। ইয়াৰ পূৰ্বে লাভলীনাই সদ্য সমাপ্ত কমনৱেলথ গেমছ ২০২৬ত ৰূপৰ পদক লাভ কৰিছিল। স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত সেই প্ৰতিযোগিতাত তেওঁ মহিলাৰ ৭৫ কেজি বক্সিং শাখাত ৰানাৰ্ছ-আপ হৈছিল। এতিয়া এছিয়ান গেমছৰ ফাইনেলত উপনীত হৈ লাভলীনাই ৰাজ্য তথা দেশৰ বাবে নতুন গৌৰৱৰ আশা সৃষ্টি কৰিছে।

কামৰূপত তথ্য জনাৰ অধিকাৰ আইন সন্দৰ্ভত সামৰ্থ্য বৃদ্ধি কার্যসূচীত উপস্থিত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰী

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৩০ ছেপ্টেম্বৰ ঃ স্বচ্ছতা, সজাগ নাগৰিকত্ব আৰু ফলপ্ৰসূভাৱে তথ্য প্ৰদানৰ গুৰুত্ব ওপৰত গুৰুত্ব আৰোপ কৰি মঙ্গলবাৰে কামৰূপ জিলাৰ লোক তথ্য বিষয়া (Public Information Officers—PIOs) সকলৰ বাবে তথ্য জনাব অধিকাৰ আইন, ২০০৫ (RTI Act, 2005) সন্দৰ্ভত এখন সামৰ্থ্য বৃদ্ধি কার্যসূচী অনুষ্ঠিত হৈ যায়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত অসম ৰাজ্যিক তথ্য আয়োগ আৰু গুৱাহাটীৰ SKYE Legal Partnersৰ সহযোগত সংহত জিলা আয়ুক্ত কার্যালয়ৰ, সভাকক্ষত এই কার্যসূচী অনুষ্ঠিত হয়। কার্যসূচীৰ মূল উদ্দেশ্য আছিল লোক তথ্য বিষয়াসকলৰ মাজত তথ্য জনাৰ অধিকাৰ আইনখনৰ বিভিন্ন বিধান আৰু ব্যৱহাৰিক প্ৰয়োগ সম্পৰ্কে বুজাবুজি অধিক শক্তিশালী কৰা, যাতে তেওঁলোকে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত অহা বিষয়সমূহ অধিক ফলপ্ৰসূভাৱে পৰিচালনা কৰিব পাৰে আৰু ৰাজস্বৰা প্ৰশাসনত অধিক স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰাত অৰিহণা যোগাব পাৰে। অংশগ্ৰহণকাৰীসকলক আদৰণি জনাই কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এনে সামৰ্থ্য বৃদ্ধি কার্যসূচী নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ গুৰুত্ব ওপৰত আলোকপাত কৰে। জিলা আয়ুক্ত গৰাকীয়ে কয় যে নিৰন্তৰ শিক্ষাগ্ৰহণ আৰু প্ৰশিক্ষণে বিষয়াসকলক কৰ্মক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন প্ৰত্যাহ্বান অধিক ফলপ্ৰসূভাৱে মোকাবিলা কৰাত সহায় কৰিব। লগতে জিলা আয়ুক্ত গৰাকীয়ে আশা প্ৰকাশ কৰে যে অংশগ্ৰহণকাৰীসকলে কার্যসূচীৰ অধিবেশনসমূহৰ পৰা উপকৃত হোৱাৰ লগতে লাভ কৰা জ্ঞান নিজ নিজ কার্যালয়ত ফলপ্ৰসূভাৱে তথ্য জনাৰ অধিকাৰ আইনৰ প্ৰয়োগ কৰিব পাৰিব। অসম ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে এই কার্যসূচীত উপস্থিত থাকি সজাগ নাগৰিক সমাজ আৰু নাগৰিকক তথ্য জনাব অধিকাৰৰ গুৰুত্ব ওপৰত আলোকপাত কৰে। মুখ্য তথ্য আয়ুক্তগৰাকীয়ে শাসন ব্যৱস্থাত গোপনীয়তাৰ সংস্কৃতিৰ পৰা অধিক মুকলি আৰু স্বচ্ছ ব্যৱস্থালৈ হোৱা পৰিবৰ্তনৰ বিষয়ে উল্লেখ কৰে। মুখ্য তথ্য আয়ুক্তগৰাকীয়ে লগতে উল্লেখ কৰে যে জনসাধাৰণৰ একাংশৰ মাজত অনলাইন RTI পৰ্টেল সন্দৰ্ভত সজাগতা এতিয়াও সীমিত, যাৰ ফলত মধ্যস্থতাকাৰীৰ ভূমিকা আৰু ভুল তথ্যৰ প্ৰচাৰৰ সম্ভাৱনা সৃষ্টি হ'ব পাৰে। বর্তমান সময়ত ডিজিটেলভাৱে সৃষ্টি আৰু পৰিবৰ্তিত দৃশ্যমান সমলৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ প্ৰসংগ উল্লেখ কৰি মুখ্য তথ্য আয়ুক্তগৰাকীয়ে সঠিক আৰু প্ৰামাণিক তথ্যৰ প্ৰতি সজাগতা তথা তেনে তথ্য লাভৰ সুবিধাৰ গুৰুত্ব ওপৰত গুৰুত্ব আৰোপ কৰে। কার্যসূচীৰ কাৰিকৰী অধিবেশনসমূহত অংশগ্ৰহণকাৰী সকলক তথ্য জনাৰ অধিকাৰ আই নখনৰ বিভিন্ন বিধানৰ ব্যৱহাৰিক দিশ সম্পৰ্কে অৱগত কৰা হয়। অসম ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমীৰ ছাত্ৰ সকলে পৰিচালনা কৰে। অসম ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমীৰ অধ্যক্ষ ডঃ হিমাংশু ৰঞ্জন নাথে তথ্যৰ অধিকাৰ আইনখনৰ ধাৰা ৮, ৯ আৰু ১০ সম্পৰ্কে আলোচনা কৰে। আনহাতে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা মৱ্ৰুৰ ৰৱাণীয়ে আইনখনৰ ব্যৱহাৰিক ৰূপায়ণৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে আলোচনা কৰে। কার্যসূচীৰ অংশ হিচাপে এখন মত-বিনিময়মূলক অধিবেশনও অনুষ্ঠিত হয়। এই অধিবেশনত অংশগ্ৰহণকাৰী লোক তথ্য বিষয়াসকলে সমল ব্যক্তিসকলৰ সৈতে পোনপটীয়াভাবে মত-বিনিময় কৰাৰ লগতে বিভিন্ন বিষয়ত সন্তোষকৰ বিচাৰে আৰু তথ্য জনাৰ অধিকাৰ আইনখন ৰূপায়ণৰ ক্ষেত্ৰত সম্মুখীন হোৱা ব্যৱহাৰিক সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। মঙ্গলবাৰৰ এই সামৰ্থ্য বৃদ্ধি কার্যসূচীত অতিৰিক্ত জিলা আয়ুক্তদ্বয় ক্ৰমে আদিত্য গগৈ আৰু মণিকা ৰবগোহাঁই, সহকাৰী আয়ুক্তসকল, চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৱৰী বিষয়াসকল আৰু অন্যান্য সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী সকলে অংশগ্ৰহণ কৰে।

নাও সুৰক্ষা ব্যৱস্থাক লৈ মৰিগাঁও জিলা দুর্যোগ ব্যৱস্থাপনা কর্তৃপক্ষৰ বৈঠকত জিলা আয়ুক্তৰ গুৰুত্বপূর্ণ নির্দেশনা



অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ ছেপ্টেম্বৰ ঃ নাও সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আজি মৰিগাঁও জিলা আয়ুক্তৰ কার্যালয়ৰ সম্মিলন কক্ষত জিলা দুর্যোগ ব্যৱস্থাপনা কর্তৃপক্ষ (DDMA)-ৰ এখন পর্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত অধ্যক্ষতা কৰে মৰিগাঁও জিলাৰ জিলা আয়ুক্ত সৃষ্টি সিঙে। বৈঠকত নাও যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে অনুমোদনবিহীনভাবে নাও চলাচল ৰোধ কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে জিলাখনত চলাচল কৰা যন্ত্ৰচালিত নাওসমূহৰ নিয়মীয়াকৰণ আৰু পঞ্জীয়ন নিশ্চিত কৰিবলৈ সংশ্লিষ্ট কর্তৃপক্ষক নির্দেশ দিয়ে। লগতে নাওসমূহত যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ উপৰি পর্যাপ্ত সংখ্যক লাইফ জেকেট উপলব্ধ থকা আৰু ইয়াৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত নির্ধাৰিত নীতি-নিয়ম উলংঘা কৰি অনুমোদনবিহীনভাবে চলাচল কৰা নাওৰ বিৰুদ্ধে এজাহাৰ (FIR) দাখিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। একেদৰে অবৈধভাবে চলাচল কৰা দেশীয় নাওসমূহ জব্দ কৰাৰ বাবেও নির্দেশনা দিয়া হয়। নিজ নিজ অধিক্ষেত্ৰৰ নাওঘাটসমূহত পঞ্চায়তসমূহে নিয়মীয়াকৈ তদাৰকী চলাই কোনো অনুমোদনবিহীন বা অসুৰক্ষিত নাও চলাচলৰ তথ্য সংশ্লিষ্ট কর্তৃপক্ষক অৱগত কৰিবলৈ নির্দেশ দিয়া হয়। জিলা প্ৰশাসনে নাও চলাচলৰ ক্ষেত্ৰত সুৰক্ষা বিধি উলংঘনৰ বিৰুদ্ধে 'শূন্য সহনশীলতা' (Zero Tolerance) নীতি পুনৰ দৃঢ়তাৰে প্ৰকাশ কৰে। লগতে নদীপথেৰে সুৰক্ষিত আৰু দুর্ঘটনামুক্ত যাতায়াত নিশ্চিত কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতা কামনা কৰে। পর্যালোচনা বৈঠকত জিলা পৰিষদৰ মুখ্য কার্যবাহী বিষয়া সত্যজিৎ চেতিয়া, অতিৰিক্ত জিলা আয়ুক্ত ৰাকেশ ডেকা, জিলা দুর্যোগ ব্যৱস্থাপনা কর্তৃপক্ষৰ জিলা প্ৰকল্প বিষয়া ৰঞ্জু শর্মাৰ লগতে অসামৰিক প্ৰশাসন আৰু আৰক্ষী বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

আদানি এনার্জি চলিউচনৰ কনিষ্ঠ অভিযন্তা ৰৰঙাবাৰীৰ অংকুমণি ৰৰুৱাক গ্ৰেপ্তাৰ হেলেম আৰক্ষীৰ

গহপুৰত স্মাৰ্ট মিটাৰ সংস্থাপনত বৃহৎ কেলেংকাৰী

প্ৰায় ৭০ লাখ টকাৰ কেলেংকাৰীত অংকুমণি ৰৰুৱা পুনৰ ৫ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ

অসম বার্তা, গহপুৰ, ৩০ ছেপ্টেম্বৰ ঃ অসম পাৱাৰ ডিষ্ট্ৰিবিউচন কোম্পানী লিমিটেডৰ অধীনত গহপুৰ উপ-সমণ্ডলত স্মাৰ্ট মিটাৰ সংস্থাপনক কেন্দ্ৰ কৰি সংঘটিত হোৱা এক বৃহৎ বিত্তীয় খেলিমেলি আৰু কেলেংকাৰীৰ ঘটনা শেহতীয়াভাবে পোহৰলৈ আহিছে। এই সংক্ৰান্তত আদানি এনার্জি চলিউচন লিমিটেডৰ ডিভিজনেল হেড'সুৰেশ দালাইয়ে দাখিল কৰা এক লিখিত এজাহাৰৰ ভিত্তিত হেলেম আৰক্ষী থানাত জামিনিহীন ধাৰাত ৰুজু কৰা হৈছে এই গোচৰ। অভিযোগ অনুসৰি, আদানি এনার্জি চলিউচনৰ সহযোগী তৃতীয় পক্ষৰ সংস্থা 'বিধি কৰ্পোৰেচন'ৰ জৰিয়তে নিয়োজিত ক'ন্ট্ৰাক্টৰ অভিযন্তা ৰৰঙাবাৰীৰ অংকুমণি ৰৰুৱাই এই বৃহৎ জালিয়াতি সংঘটিত কৰিছে। ২০২৩ চনৰ ১৪ ছেপ্টেম্বৰত আদানি এনার্জি চলিউচনৰ সহযোগী প্ৰতিষ্ঠান 'এন ই স্মাৰ্ট মিটাৰিং লিমিটেড'ক তেজপুৰ, মঙলদৈ আৰু উত্তৰ লক্ষ্মীমপুৰ সমেতএৰা প্ৰায় ৭.৭ লাখ গ্ৰাহক সামৰি স্মাৰ্ট মিটাৰ সংস্থাপনৰ ঠিকা প্ৰদান কৰা হৈছিল। কোম্পানীটোৰ এক আভ্যন্তৰীণ তদন্ত আৰু ক্ষেত্ৰভিত্তিক পৰীক্ষণত ধৰা পৰে যে সংস্থাপনকাৰীসকলৰ নামত ভুৱা আধাৰ কার্ড প্ৰস্তুত কৰি কোম্পানীৰ 'ৱৰ্ক ফ'ৰ্চ মেনেজমেণ্ট' (WFM) এপ্লিকেচনত ল'গ-ইন ক্ৰিডেন্সিয়েল সৃষ্টি কৰা হৈছিল। এই এপ্-কেচনৰ চৰকাৰী ৰেকৰ্ড অনুসৰি অভিযুক্ত অভিযন্তা অংকুমণি ৰৰুৱাই ১, ৮৬২টা গ্ৰাহকৰ স্মাৰ্ট মিটাৰ আৰু ৪০টা ডিটিআৰ (DTR) স্মাৰ্ট মিটাৰ সংস্থাপন কৰা বুলি দেখুৱাইছিল। কিন্তু গ্ৰাহকৰ চৌদ্দ আৰু ডিটিআৰ স্থানত ক্ষেত্ৰভিত্তিক পৰীক্ষণ চলোৱাৰ পিছত প্ৰকৃততে এই মিটাৰসমূহ সংস্থাপন কৰা হোৱা নাছিল বুলি পোহৰলৈ আহে। ইফালে, অভিযুক্ত অংকু মণি ৰৰুৱাৰ বাসগৃহত বিভাগীয়ভাবে চলোৱা তলাচীত ৫টা স্মাৰ্ট মিটাৰ, ৮০টা এছএমচি (SMC) ৰ আৰু প্ৰায় ৫, ০০০টা নতুন কোম্পানীৰ সীল-মোহৰ লগোৱা খালী বাকচ উদ্ধাৰ কৰা হয়। যিবোৰ সামগ্ৰী মজুত থকাৰ সন্দর্ভত তেওঁ কর্তৃপক্ষক বিপথে পৰিচালিত কৰিছিল। এনেদৰে ভুৱা নথি প্ৰস্তুত কৰা আৰু কোম্পানীৰ সামগ্ৰী আত্মসাৎ কৰাৰ ফলত প্ৰায় ৭০, ০০, ০০০/- (সত্তৰ লাখ) টকাৰ লোকচান হোৱা বুলি এজাহাৰত উল্লেখ কৰা হৈছে। এই আধাৰ কার্ড জালিয়াতি, চৰকাৰী ৰেকৰ্ড বিকৃতকৰণ আৰু কোম্পানীৰ সম্পত্তি চুৰিৰ সন্দর্ভত হেলেম আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতা (BNS) ৰ ধাৰা 316(2)/318(4)/337/340(2)/316(5) ৰ অধীনত ৮১/২০২৬ নম্বৰৰ এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। ইয়াৰ পিছত হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ চিতলাৰ নেতৃত্বত চলোৱা এক অভিযানত কালি গ্ৰেপ্তাৰ হয় অংকুমণি ৰৰুৱা। ধৃত অংকুমণি ৰৰুৱা হেলেম আৰক্ষী থানাৰ অন্তর্গত ৰৰঙাবাৰীৰ বাটচুক নিবাসী উত্তম ৰৰুৱাৰ পুত্ৰ। আজি তেওঁক গহপুৰ মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰি অধিক তথ্য উদঘাটনৰ বাবে পুনৰ ৫ দিনৰ বাবে জিম্মাত লয় হেলেম আৰক্ষীয়ে। উল্লেখযোগ্য যে- ধৃত অংকুমণি ৰৰুৱা এগৰাকী মহা ঠগ প্ৰবঞ্চক। ইয়াৰ পূৰ্বেও তেওঁ ঠগ প্ৰবঞ্চনা আৰু জালিয়াতিৰ অভিযোগত অভিযুক্ত হৈছিল। জানিব পৰা মতে ইয়াৰ পূৰ্বেও এক ঠগ প্ৰবঞ্চনাৰ কেলেংকাৰীত গহপুৰ আৰক্ষী থানাৰ গোচৰ নং ২৮৪/২০১৬ ৰ অধীনত তেতিয়াৰ ভাৰতীয় দণ্ডবিধিৰ ৪২০/৪৭১ ধাৰাত ঠগ প্ৰবঞ্চনা আৰু জালিয়াতিৰ মাস্টাৰ মাই ণ্ড অংকুমণি ৰৰুৱাই আইনগত ভাৱে উপযুক্ত শাস্তি পোৱাৰ কামনা কৰিছে স্থানীয় বাইজৰ লগতে এজাহাৰকাৰী কর্তৃপক্ষই।

লাহৰীঘাটৰ ৰৰালীমাৰীত আজি বিজেপিৰ বিশাল প্ৰচাৰ সভাত দেৱাশিষৰ প্ৰচাৰ চলালে বিশ্বজিৎ দৈমাৰী আৰু দিলীপ শইকীয়াই

যদি গৌৰৰ গগৈয়ে আঁঠুকাঢ়ি সংখ্যালঘু ভোটাৰক এহেজাৰবাৰ ক্ষমা খোজে বিজেপিয়েও এবাৰ খোজিব ঃ দিলীপ শইকীয়া



অসম বার্তা, ভৰাগাঁও, ৩০ ছেপ্টেম্বৰ ঃ নগাঁও লোক সভাৰ উপ- নির্বাচনৰ দিন যিমানেই চমু চাপিছে সিমানেই ৰাজনৈতিক বাকযুদ্ধ তুংগত হৈ পৰিছে। আজি মৰিগাঁও জিলাৰ ৫৩ নং লাহৰীঘাট বিধান সভা সমষ্টিৰ অন্তর্গত ৰৰালিমাৰী ৰজাবত বিজেপিৰ এক বৃহৎ ৰাজনৈতিক সভাত উপস্থিত থাকে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ বিশ্বজিত দৈমাৰী। পাচ সহস্ৰাধিক লোক উপস্থিত থকা সভাখনত উপস্থিত হৈয়ে দীলিপ অভিভূত হয়। তেওঁ ভাষণ প্ৰসঙ্গত কয় যে- ৰৰালিমাৰীত মই ট্ৰেইলাৰ চাবলৈহে আহিছিলো, কিন্তু দেখুৱাই ছবিখন উপভোগ কৰিবলৈ নাজিৰাৰ বোলছবি গৃহত উপস্থিত হয় ৰাজ্যসভাৰ সাংসদ যোগেন মহন। বোলছবিখন চোৱাৰ অন্তত সাংসদ গৰাকীয়ে সংবাদ মাধ্যমৰ জৰিয়তে অসমবাসীৰ প্ৰতি এক বিশেষ আহ্বান জনায়। তেওঁ কয় যে, অসমীয়া চিনেমা জগতখনক অধিক শক্তিশালী কৰিবলৈ প্ৰতিজন দৰ্শকে ছবিগৃহলৈ আহি অসমীয়া ছবি চোৱা উচিত। ই য়ে চিনেমাখনৰ লগত জড়িত কলা-কুশলীসকলক কাম কৰাৰ বাবে প্ৰচুৰ অনুপ্ৰেৰণা যোগাব বুলি তেওঁ মত প্ৰকাশ কৰে।

অসমীয়া বোলছবি 'NRC' চাবলৈ নাজিৰা বোলছবি গৃহত উপস্থিত ৰাজ্যসভাৰ সাংসদ যোগেন মহন

অসম বার্তা, গোলেকী, ৩০ ছেপ্টেম্বৰ ঃ যোৰা ২৫ ছেপ্টেম্বৰত সমগ্ৰ ৰাজ্যৰ বোলছবিগৃহসমূহত শুভমুক্তি লাভ কৰিছে চর্চিত অসমীয়া বোলছবি 'NRC - নলপাৰাৰ ৰাম চন্দ্ৰ'। বোদ্ধাৱত বৰাৰ এক আঞ্চলিক তথা আকর্ষণীয় কাহিনীৰ ওপৰত আধাৰিত এই ছবিখনে সমাজৰ বিভিন্ন বাস্তৱ ঘটনাৰ প্ৰতিচ্ছবি সুন্দৰকৈ ফুটি তুলিছে। মুক্তিৰ পিছৰে পৰা ছবিখনে অসমৰ দৰ্শকৰ মাজত ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, নিজৰ কৰ্মব্যস্ততা আৰু ৰাজনৈতিক কার্যসূচীৰ মাজতো ব্যক্তিক্ৰমী প্ৰতিশ্ৰুতি

মাকুমৰ ৰাজগড় আলি চাহ বাগিচাৰ নলাত অর্ধগলিত অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ

অসম বার্তা, মাকুম, ৩০ ছেপ্টেম্বৰ ঃ মাকুমৰ ৰাজগড় আলি চাহ বাগিচাৰ এটা নালাত অর্ধগলিত অৱস্থাত এজন অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আজি পুৱা ভাগত বাগিচাখনত চাহপাত ছিঙিবলৈ অহা এগাকীশ শ্ৰমিকে নলাটোত মৃতদেহটো প্ৰত্যক্ষ কৰে। শ্ৰমিকসকলে বিষয়টো স্থানীয় গাঁও সুৰক্ষা বাহিনীক অৱগত কৰাত গাঁও সুৰক্ষা বাহিনীয়ে স্থানীয় লাংকাছী আৰক্ষী চকীত খবৰ দিয়ে। খবৰ লাভ কৰি লাংকাছী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰেমেশ শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, মৃতদেহটোৰ পৰিচয় নিশ্চিত হোৱা নাই। ঘটনাটোক কেন্দ্ৰ কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

কুশবাৰী তৃতীয় খণ্ডত ভয়ানক অগ্নিকাণ্ড

প্ৰায় পাঁচ লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত

অসম বার্তা, অভয়াপুৰী, ৩০ ছেপ্টেম্বৰ ঃ মেৰেলচৰ থানাৰ অন্তর্গত কুশবাৰী তৃতীয় খণ্ডত যোৱা নিশা সংঘটিত হোৱা ভয়ানক অগ্নিকাণ্ডত ওৰাছাব আলী আৰু আয়েন উদ্দিন নামৰ দুটা পৰিয়ালৰ দুটা বাসগৃহ সম্পূর্ণ কপে ভস্মীভূত হোৱাৰ লগতে আৰু এটা ঘৰ আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়। পৰিয়াল সূত্ৰে জানিবলৈ দিয়া মতে ঘৰ খনত বৈদ্যুতিক তাৰত চৰ্ট চাৰ্কীট হৈ এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। পৰিয়ালৰ লোকে জুই দাউ দাউকৈ জ্বলি উঠা দেখা পাই চিঞৰ-বাখৰ কৰাত গঞা ৰাইজে লগে-লগে ঘটনা স্থলীত উপস্থিত হৈ জুই নুমাৰলৈ সক্ষম হয়। যাৰ বাবে অধিক ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা পৰে পৰিয়াল দুটা। অগ্নিকাণ্ডত ঘৰ-দুৱাৰ, গুৰুত্বপূর্ণ নথি-পত্ৰ, উৎপাদিত শস্য, এখন পালছাৰ বাইক সহ হাঁহ-কুকুৰা আদি কৰি প্ৰায় পাঁচ লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হয়।

ডিব্ৰুগড়ৰ লাহোৱাল মোহনবাৰী বাইপাছত ভয়ংকৰ পথ দুর্ঘটনাত থিতাতে এজনৰ মৃত্যু

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ লাহোৱাল মোহনবাৰী বাইপাছত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুর্ঘটনা। তীব্ৰবেগী মাৰুতী বাহনখনে চাই কেল আবোহীক মহটিয়াই নিয়াৰ ফলত ঘটনাস্থলীতে এজন লোকৰ কৰুণ মৃত্যু ঘটে আৰু আন এজন যুৱক গুৰুতৰভাবে আহত হয়। প্ৰাপ্ত খবৰ অনুসৰি, এএছ ২৩ এএম ৩৪৪৫ নম্বৰৰ এখন মাৰুতী আল্টো কে-টেন বাহন তিনিচুকীয়াৰ পৰা ডিব্ৰুগড়লৈ দ্ৰুতগতিত আহি আছিল। ঠিক সেই সময়তে মোহনবাৰী বাইপাছৰ সমীপত চাইকেলেৰে যাত্ৰা কৰি থকা দুজন যুৱকক বাহনখনে পিছফালৰ পৰা তীব্ৰবেগত মহতীয়াই নিয়ে। দুর্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে এজন চাইকেল আৰোহীৰ ঘটনাস্থলীতেই মৃত্যুক আকোৱালি লয়। ই ফালে, দুর্ঘটনাটোত গুৰুতৰভাবে আহত হোৱা আনজন যুৱকক স্থানীয় লোক আৰু আৰক্ষীৰ সহযোগত তাৎক্ষণিকভাবে উদ্ধাৰ কৰি অতি সংকটজনক অৱস্থাত ডিব্ৰুগড় ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। বর্তমান তেওঁৰ অৱস্থা অতিশয় সংকটজনক বুলি জানিব পৰা গৈছে। দুর্ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগেই মোহনবাৰী আৰক্ষী চকীৰ এটা দল তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হয় আৰু পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনি উদ্ধাৰ কার্য চলায়। আৰক্ষীয়ে দুর্ঘটনা সংঘটিত কৰা মাৰুতী বাহনখন জব্দ কৰাৰ লগতে ইয়াৰ চালকজনৰ সন্ধানত তদন্ত আৰম্ভ কৰিছে। বর্তমানলৈকে নিহত তথা আহত যুৱক দুজনৰ প্ৰকৃত পৰিচয় লাভ কৰা হোৱা নাই যদিও আৰক্ষীয়ে তেওঁলোকৰ পৰিচয় উদ্ধাৰৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই মর্মান্তিক দুর্ঘটনাই স্থানীয় অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে।

শীঘ্ৰেই একক বদলিৰ আদেশ

হৈছে। অতি সোনকালে একক বদলিৰ আদেশ প্ৰকাশ পাব। বদলি প্ৰক্ৰিয়া চলি থকা সময়ত যুক্তিকৰণ প্ৰক্ৰিয়া বন্ধ ৰাখিবলগীয়া হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে বদলি সম্পূর্ণ হো�ৱাৰ পিছত পুনৰ যুক্তিকৰণ আৰম্ভ কৰা হ'ব। যুক্তিকৰণৰ সময়ত যিবোৰ বিদ্যালয়ত শিক্ষকৰ সংখ্যা কম, সেই বিদ্যালয়সমূহৰ বিষয়টো বিশেষভাবে বিবেচনা কৰা হ'ব বুলিও তেওঁ স্পষ্ট কৰে। ইয়াৰ লগতে PGT আৰু GT শিক্ষকক লৈ এটা বিশেষ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কথা ঘোষণা কৰি শিক্ষামন্ত্ৰীয়ে কয় যে PGT শিক্ষক নিযুক্তি এবাৰ কৰা হ'ল। সেই SOP অনুসৰিয়েই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। বিষয়ভিত্তিকভাবে ৰ ৮০ অনুপাতত PGT শিক্ষক নিযুক্তি কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। আনহাতে, VB-G RAM G আঁচনিৰ অধীনত শিক্ষানুষ্ঠানসমূহৰ চৌদৰ দেৱাল নির্মাণৰ কাম শীঘ্ৰেই আৰম্ভ হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে ঘোষণা কৰে। এই আঁচনিত অধীনত চলিত বর্ষত প্ৰায় ২, ৫০০খন বিদ্যালয়ৰ চৌহদৰ দেৱাল নির্মাণৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে। তেওঁ কয় যে ৰাজ্যত প্ৰায় ৪৫, ০০০খন বিদ্যালয় আছে, যিবোৰ ২৬, ০০০খন গাঁৱত অবস্থিত। সেয়েহে সকলো বিদ্যালয়তে একে সময়তে কাম সম্পন্ন কৰা সম্ভৱ নহয়। "এদিনতে গোটেইখন নহ'ব। আমি মিছন মোডত কাম কৰি আছোঁ।" বুলি উল্লেখ কৰি তেওঁ পর্যায়ক্ৰমে বিদ্যালয়সমূহৰ চৌহদৰ দেৱাল নির্মাণৰ কাম আগবঢ়াই নিয়াৰ কথা স্পষ্ট কৰে।

প্ৰবাসী অসমীয়া তন্ময় ফুকনৰ

তন্ময় ফুকন তৃতীয় দিনাৰ বাবে সাক্ষ্য প্ৰদানৰ উদ্দেশ্যে ফাষ্টট্ৰেক আদালতত উপস্থিত হয়। অভিযুক্ত অমৃতপ্ৰভা মহন্ত, সিদ্ধার্থ শর্মা আৰু শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাই তন্ময় ফুকনক জেৰা কৰে। অবশ্যে সময়ৰ অভাৱত অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাৰ দ্বাৰা জেৰা প্ৰক্ৰিয়া সম্পূর্ণ হৈ নুঠিল। সেয়েহে আদালতে প্ৰবাসী অসমীয়া তন্ময় ফুকনক কাইলৈ পুনৰ আদালতত হাজিৰ হ'বলৈ নির্দেশ দিছে। আজিৰ জেৰা প্ৰক্ৰিয়া আৰু পৰাৰ পিছত সংবাদ মাধ্যমৰ আগত তন্ময় ফুকনে কয় যে আদালতে প্ৰতিটো দিশ সুক্ষ্মভাবে বিবেচনা কৰি আছে। ইপিনে, আজি গুৱাহাটী উচ্চ ন্যায়ালয়ত অভিযুক্তদ্বয় ক্ৰমে অমৃতপ্ৰভা মহন্ত আৰু পৰেশ বৈশ্যৰ জামিন আবেদনৰ পৃথকে পৃথকে শুনানি অনুষ্ঠিত হয়। উচ্চন্যায়ালয়ৰ ন্যায়াধীশ প্ৰাঞ্জল দাস বিচাৰপীঠত অনুষ্ঠিত অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনৰ শুনানিত বিশেষ লোক অধিবক্তা জিয়াউৰ কামাৰে জুবিন গার্গৰ মৃত্যু সন্দর্ভত বিস্তৃত তথ্য দাঙি ধৰে। অৱশ্যে আজিও শুনানি সম্পূর্ণ নোহোৱাত আদালতে কাইলৈ অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনখনৰ পুনৰ শুনানিৰ দিন ধার্য কৰে। আনহাতে, উচ্চন্যায়ালয়ৰ ন্যায়াধীশ চামিমা জাহানৰ বিচাৰপীঠত হোৱা শুনানিত চৰকাৰী পক্ষই অভিযুক্ত পৰেশ বৈশ্যৰ জামিন আবেদনৰ ভিত্তিত যুক্তি প্ৰদর্শনৰ বাবে সময় বিচাৰে। সেই অনুসৰি আদালতে ১৫ অক্টোবৰ পৰবর্তী দিন ধার্য কৰে।

ওদালগুৰি জিলা বিজেপি সংবাদমেল

কংগ্ৰেছসহ বিৰোধী দলসমূহে দেশক অস্থিৰ, বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ ৰচিছে ঃ বিকন চন্দ্ৰ ডেকা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩০ ছেপ্টেম্বৰ ঃ চিজেপি, কংগ্ৰেছ আৰু বিৰোধী ৰাজনৈতিক দলসমূহে উপ নিৰ্বাচনক কেন্দ্ৰ কৰি বিজেপিৰ বিৰুদ্ধে অপপ্ৰচাৰ, বিভ্ৰান্তিমূলক তথ্য প্ৰচাৰ প্ৰসাৰ কৰা বাবে ওদালগুৰি জিলাৰ টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই পানেৰী ফুলকুচিস্থিত তেখেতৰ আৱাসগৃহত এক সংবাদ মেল সম্বোধন কৰি তেখেতে কয় কংগ্ৰেছ আৰু চিজেপিৰ দৰে বিজেপি বিৰোধী অপশক্তিসমূহে ভাৰতীয় গণতন্ত্ৰক অস্থিৰ কৰিব চেষ্টা কৰিছে। গণতান্ত্ৰিক ব্যৱস্থাটোকে উপলুঙা কৰিছে। এই অপ শক্তিসমূহে ভাৰতৰ নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণ বিচাৰি দেশখনক অস্থিৰ কৰাৰ ষড়যন্ত্ৰ ৰচিছে। এই বিৰোধী অপ শক্তিসমূহে যিবোৰ বিষয় উত্থাপন কৰিছে সেই বিষয়বোৰ সম্পূৰ্ণ মনেসজা, ভিত্তিহীন অভিযোগ। দেশবাসীয়ে বিৰোধীৰ ভিত্তিহীন কথাত প্ৰভাৱান্বিত নহয়। বিৰোধীয়ে উল্লেখ কৰাৰ দৰে এছ আই আৰ সম্পূৰ্ণ গণতান্ত্ৰিক ব্যৱস্থাৰ মাজেৰে নিয়ম ভিত্তিত হৈছিল। বিএলঅ, ইআৰঅ আদি বিষয়াৰ দ্বাৰা এক শুদ্ধ প্ৰক্ৰিয়াৰ মাজেৰে এছ আই আৰ দাখিল কৰিছিল। এই চিষ্টেমটোত কেতিয়াও প্ৰভাৱান্বিত কৰিব নোৱাৰে। এছ আই আৰৰ যে কোনো ভুল নাই সেয়া উচ্চতম ন্যায়ালয়ে মান্যতা প্ৰদান কৰিছে। এছ আই আৰ সম্পৰ্কত বিৰোধীয়ে কৰা অভিযোগৰ কোনো মূল্য নাই। এছ আই আৰ সম্পৰ্কীয় সিদ্ধান্ত সমূহ সৰ্ব সন্মতি ক্ৰমে যে লোৱা হৈছিল সেই সম্পৰ্কে মুখ্য নিৰ্বাচনী বিষয়াসহ তিনিও গৰাকীয়ে ৰাজহুৱা কৰিছে। এই সংক্ৰান্তত কংগ্ৰেছে কৰা মন্তব্যৰ কোনো মূল্য নাই। কংগ্ৰেছ আৰু বিৰোধী ৰাজনৈতিক দলসমূহে দেশক অস্থিৰ, বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ ৰচিছে। নিৰ্বাচন আয়ুক্তই সম্পূৰ্ণ দায়িত্ব সহকাৰে কাম কৰিছে। কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কোৱাৰ দৰে ইভিএম কেতিয়াও ব্লেক ব'হ'ব নোৱাৰে। ইভিএমক ব্লেক বক্স বুলি কৈ ভাৰতীয় গণতন্ত্ৰক অপমানিত কৰিছে। য'ত নিৰ্বাচনত কংগ্ৰেছ সহ বিৰোধী দল বিজয়ী হয় তাত ইভিএমৰ ওপৰত অভিযোগ নাথাকে। য'ত বিৰোধী দল নিজিকে তাত ইভিএমক ব্লেক বক্স বুলি কয়। এয়া হ'ল বিৰোধী দলৰ নীতি। বিজেপি চৰকাৰৰ সম্পৰ্কত বিৰোধী নেতা ৰাহুল গান্ধীয়ে যিবোৰ অভিযোগ কৰি থাকে সেইবোৰ সত্য সত্যতাৰ প্ৰমাণ কৰিব নিবিচাৰে। বৰঞ্চ সেইবোৰৰ সত্য সত্যতাৰ পৰা তেওঁ আঁতৰি ফুৰে। কোনো তথ্য নোহোৱাকৈ শাসকীয় দল বিজেপিৰ বিৰুদ্ধে ৰাহুল গান্ধীয়ে অভিযোগ কৰে। সেইবোৰ ৰাহুল গান্ধীয়ে আদালতত গৈ প্ৰমাণ কৰিব নোৱাৰে। ৰাহুল গান্ধীয়ে হিট এণ্ড ৰাণ টেকনিক পলিচিৰে বিৰোধী দলৰ নেতাৰ ভূমিকা পালন কৰে। এই অভিযোগ বিধায়ক বিকন চন্দ্ৰ ডেকাৰ। কংগ্ৰেছে গণতন্ত্ৰৰ কথা ক'বই নালাগে। দেশৰ জৰুৰীকালীন অৱস্থাত কংগ্ৰেছে গণতন্ত্ৰক হত্যা কৰিছিল। ২০১৪ চনৰ পৰা দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক যি গতিৰে আগুৱাই নিছে সেয়া পৃথিৱীৰ মানচিত্ৰত ভাৰতৰ স্থান উজ্জ্বল। এনেস্থলত বিৰোধীৰ মন্তব্যৰ কোনো মূল্য নাই। আনহাতে চিজেপি সম্পৰ্কত বিকন চন্দ্ৰ ডেকাই কয় চিজেপি আচলতে কংগ্ৰেছ আৰু বিৰোধী দলৰ সৃষ্টি। চিজেপিৰ অভিজিৎ দিপকে আমেৰিকাৰ পৰা খেদাখোৱা ব্যক্তি। কোকৰোছ যাৰ নামেই পৰিচয়, এন্ধাৰত জন্ম হোৱা বস্তু। পোহৰ দেখিলেই এন্ধাৰলৈ দৌৰ মাৰে, এন্ধাৰত থাকি কেনেকৈ সমাজখনক পোহৰ কৰিব, গতিকে তেনেকুৱা এটা কোকৰোছ সংগঠনে কেতিয়াও ৰাইজৰ উন্নতি কৰিব নোৱাৰে। তেখেত আৰু কয় আমাৰ ইয়াত চিজেপি ৰ প্ৰয়োজন নাই। আছু, এবছুকে ধৰি যথেষ্ট ছাত্ৰ সংগঠন আৰু জাতীয় সংগঠন আছে। তেওঁলোকেই বহুত কাম কৰি আছে আৰু চিজেপিক যদি কোনোবাই আদৰি ল'ব বিচাৰে তেতিয়া নিজৰ জাতিক লাট মাৰি দিয়াৰ নিচিনা হ'ব বুলি সংবাদমেলত বিধায়ক বিকন চন্দ্ৰ ডেকাই মন্তব্য কৰে ওদালগুৰি জিলা বিজেপিৰ সংবাদ কোষৰ আহ্বায়ক কনেশ্বৰ ডেকাই আঁত ধৰা সংবাদমেলত জিলা বিজেপিৰ সভাপতি অজয় কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰে। সংবাদ মেলত ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত চৰকাৰ, খালিং দুৱাৰ মণ্ডল বিজেপিৰ সভাপতি ৰেখা ৰাণী বড়া উপস্থিত থাকে।

ডিব্ৰুগড়ৰ এলেন ইনষ্টিটিউটত স্ক'লাৰশ্বিপ বাতিলক লৈ উত্তপ্ত পৰিস্থিতি

মুখ্যমন্ত্ৰীয়ে প্ৰত্যাহাৰ কৰিলে বিতৰ্কিত জাননী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ আগশাৰীৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি প্ৰতিষ্ঠান 'এলেন ইনষ্টিটিউট'ত শিক্ষাৰ্থীৰ স্ক'লাৰশ্বিপ হ্ৰাস আৰু বাতিল কৰাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নামভৰ্তিৰ সময়ত দিয়া প্ৰতিশ্ৰুতি ভংগ কৰি প্ৰতিষ্ঠানখনে অতিৰিক্ত মাচুল দাবী কৰাৰ অভিযোগ তুলি ক্ষুব্ধ অভিভাৱকসকলে প্ৰতিষ্ঠানটোৰ কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে এই উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ পিছতে শিক্ষাৰ্থীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সমগ্ৰ বিতৰ্কৰ অৱসান ঘটায়। অভিভাৱক সকলৰ অভিযোগ অনুসৰি, এলেনৰ স্ক'লাৰশ্বিপ পৰীক্ষাত তেওঁলোকৰ সন্তানসকলে ৯৫ শতাংশ পৰ্যন্ত নম্বৰ লাভ কৰাৰ ভিত্তিত ৯০-৯৫ শতাংশ পৰ্যন্ত স্ক'লাৰশ্বিপ লাভ কৰি নামভৰ্তি কৰিছিল। নামভৰ্তিৰ সময়তে নিৰ্ধাৰিত সম্পূৰ্ণ মাচুল পৰিশোধ কৰাৰ পিছত ২-৩ এপ্ৰিলৰ পৰাই নিয়মীয়া শ্ৰেণী পাঠদান আৰম্ভ হৈছিল। কিন্তু তাৰ বহু দিনৰ পিছত, অৰ্থাৎ ২৪ মে'তহে তেওঁলোকক অৱগত কৰা হয় যে ১৩ মাৰ্চত জাৰি কৰা এক মেম'ৰেণ্ডামৰ ভিত্তিত স্ক'লাৰশ্বিপৰ হাৰ সলনি কৰা হৈছে। স্ক'লাৰশ্বিপ হ্ৰাস কৰাৰ ফলত একাংশ শিক্ষাৰ্থীৰ পৰা ৮০ হাজাৰৰ পৰা ১ লাখ টকা পৰ্যন্ত অতিৰিক্ত মাচুল দাবী কৰা হৈছে বুলি অভিভাৱকসকলে অভিযোগ তোলে। হঠাৎ গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি অভিভাৱক সকলে কয় যে যদি এই সিদ্ধান্ত বাতিল কৰা নহয়, তেন্তে তেওঁলোকে ৰাজপথলৈ ওলাই আহি আন্দোলন কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান আৰু প্ৰয়োজন সাপেক্ষে আইনী ব্যৱস্থা গ্ৰহণ কৰিব। ইপিনে, ইয়াৰ প্ৰতিক্ৰিয়াত অসম ৰাজ্যিক যুৱ আয়োগৰ তৰফৰ পৰা জনোৱা হৈছিল যে ডিব্ৰুগড়, যোৰহাট আৰু তেজপুৰস্থিত এলেন প্ৰতিষ্ঠানত বিপিএল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই নীতি তৈয়াৰ কৰা হৈছে, যাৰ জৰিয়তে ৰেচন কাৰ্ড থকা প্ৰায় ৭৮ গৰাকী শিক্ষাৰ্থীক ১০০ শতাংশ স্ক'লাৰশ্বিপ প্ৰদান কৰা হৈছে। লগতে এপিএল শিক্ষাৰ্থীৰ ক্ষেত্ৰত স্ক'লাৰশ্বিপ ৬০ আৰু ৪০ শতাংশলৈ সংশোধন কৰা হৈছিল। অন্যহাতে আজি আন এখন সংবাদমেল সম্বোধন কৰি অসম ৰাজ্যিক যুৱ আয়োগৰ সদস্য ডাঃ ভাস্কৰ পাপুকন গগৈয়ে এই সমগ্ৰ প্ৰসংগত চৰকাৰৰ চূড়ান্ত সিদ্ধান্ত ঘোষণা কৰে। তেওঁ প্ৰকাশ কৰে যে অসম ৰাজ্যিক যুৱ আয়োগৰ ফালৰ পৰা পূৰ্বৰ স্ক'লাৰশ্বিপ ব্যৱস্থাটো 'ৰেশ্যনেলাইজ' (পুনৰ্বিন্যাস) কৰিবলৈ এই জাননী জাৰি কৰা হৈছিল যদিও ই প্ৰকাশ পাওঁতে প্ৰায় ছমাহ পলম হোৱাৰ বাবে শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত ব্যাপক অসন্তুষ্টিৰ সৃষ্টি হৈছিল। সোমবাৰৰ উত্তপ্ত পৰিস্থিতি আৰু অভিভাৱকসকলৰ উদ্বেগৰ কথা দোহাৰি ডাঃ ভাস্কৰ পাপুকন গগৈয়ে অসম ৰাজ্যিক যুৱ আয়োগৰ অধ্যক্ষ তৰংগ গগৈ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এক জৰুৰী আৰু গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। এই আলোচনাৰ পিছতেই শিক্ষাৰ্থীসকলৰ ভৱিষ্যত আৰু স্বাৰ্থলৈ লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তাৎক্ষণিকভাৱে উক্ত বিতৰ্কিত জাননীখন বাতিল কৰাৰ নিৰ্দেশ প্ৰদান কৰে। বিশেষকৈ শিক্ষাৰ্থীসকলে পূৰ্বৰ দৰেই কোনো বাধা নোহোৱাকৈ স্ক'লাৰশ্বিপৰ সুবিধা লাভ কৰি থাকিব পাৰিব। শিক্ষাৰ্থীসকলৰ পৰা প্ৰতিষ্ঠানে কোনো ধৰণৰ অতিৰিক্ত মাচুল আদায় দিব নোৱাৰিব। শিক্ষাৰ্থীসকলে পূৰ্বৰ নিয়ম আৰু নিৰ্দেশ অনুসৰিয়েই নিজৰ পঢ়া-শুনা নিৰ্বিঘ্নে চলাই যাব পাৰিব। চলিত বৰ্ষত স্ক'লাৰশ্বিপ নীতিৰ কোনো ধৰণৰ সংস্কাৰ বা পুনৰ্বিন্যাস কৰা নহ'ব। পৰৱৰ্তী সময়ত এই সন্দৰ্ভত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনা কৰিহে প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। চৰকাৰৰ এই ত্বৰান্বিত আৰু সময়োপযোগী পদক্ষেপে এলেন ইনষ্টিটিউটৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত স্বস্তি ঘূৰাই আনিছে।

গোলাঘাটত প্ৰধান শিক্ষয়িত্ৰী উষাৰাণি দেৱীৰ অৱসৰ উপলক্ষে বিদায় সম্বৰ্ধনা



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩০ ছেপ্টেম্বৰ ঃ সুদীৰ্ঘ ৩০ বছৰ শিক্ষকতাৰ চাকৰিত নিয়োজিত হৈ কণ কণ শিশু সকলক শিক্ষাৰ পোহৰেৰে আলোকিত কৰি তোলা গোলাঘাট নগৰৰ এখন আগশাৰীৰ চৰকাৰী শিক্ষানুষ্ঠান কুমাৰপট্টি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন অতিক্ৰম কৰা প্ৰধান শিক্ষয়িত্ৰী উষাৰাণী দেৱীয়ে আজি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে আজি বিদ্যালয় চৌহদত অনুষ্ঠিত কৰা হয় এখন বিদায় সভাৰ। বিদ্যালয়খনৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্গেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গোলাঘাট পৌৰপতি পৌৰপতি দুলুমণি বৰববা, উপ পৌৰপতি সীমান্ত বৰা, ২ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্যা হালিমা চিদ্দিকা, কেইবাখনো বিদ্যালয়ল শিক্ষক শিক্ষয়িত্ৰী সকল উপস্থিত থাকে। সভাত শিক্ষক শিক্ষয়িত্ৰী তথা অভিভাৱক, ছাত্ৰ ছাত্ৰীয়ে বিদায়ী প্ৰধান শিক্ষয়িত্ৰী উষাৰণি দেৱীক ফুলাম গামোচা, গছপুলি, কিতাপৰ টোপোলাৰে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। ছাত্ৰ ছাত্ৰীৰ অতিকে জনপ্ৰিয় শিক্ষয়িত্ৰী উষাৰাণি দেৱীৰ অৱসৰ গ্ৰহণ কৰাক লৈ দুখত ভাগি পৰিছে বিদ্যালয়খনৰ অন্যান্য শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে।

স্ক'ৰপিঅ' বাহনে মহতিয়াই নিলে দুই বাইক আৰোহীক, থিতাতে নিহত দুজন

গোলাঘাট মেৰাপানী পথৰ ফৰকাটিঙৰ চকৰধৰাত ভয়ংকৰ পথ দুৰ্ঘটনা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩০ ছেপ্টেম্বৰ ঃ গোলাঘাট মেৰাপানী সংযোগী পথৰ ফৰকাটিঙৰ চকৰধৰাত কালি সন্ধিয়াৰ ভাগত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। গোলাঘাটৰ পৰা ফৰকাটিঙৰ দিশে আহি থকা এখন চলন্ত বাইকত এখন স্কৰপিঅ' বাহনে খুন্দা মৰাৰ ফলত ঘটনাস্থলীতে নিহত হয় দুই বাইক আৰোহীৰ। নিহত দুজন হৈছে ফৰকাটিং ১ নং তিৰুৱাল গাঁৱৰ মণ্টু কুমাৰ নাথ (৩৮) আৰু ৰিংকু নাথ (৫১)। দুয়োগৰাকী সমন্ধত ককায়েক ভায়েক বুলি জানিব পৰা গৈছে। নিহত মণ্টু কুমাৰ না আই চি আই চি আই বেংকৰ নুমলীগড় শাখাৰ প্ৰবন্ধক হিচাপে কৰ্মৰত আছিল। আনহাতে মৃত ৰিংকু নাথ নুমলীগড় শোধনাগাৰৰ কৰ্মৰত আছিল। দুৰ্ঘটনাতো ইমানেই ভয়ংকৰ আছিল যে একে দিশেৰে গৈ থকা স্ক'ৰপিঅ' বাহনখনে প্ৰচণ্ড জোৰেৰে বাইকখনত খুন্দা মাৰি বহু দূৰ চোঁচৰাই লৈ গৈছিল। জানিব পৰা মতে, দুয়োজনেই কাম কাজ সামৰি গোলাঘাটৰ পৰা ফৰকাটিংস্থিত নিজা ঘৰলৈ বাইকেৰে গৈ আছিল। দুৰ্ঘটনাৰ পাছত দুয়োজনকে ততাতৈয়াকৈ গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে দুয়োজনকে মৃত বুলি ঘোষণা কৰে। আজি দুয়োৰে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ অন্তত শৱদেহ ফৰকাটিঙৰ নিজা বাসভৱনলৈ লৈ অনা হয় আৰু এক শোকাকুল পৰিৱেশত অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখ্য যে মৃত মণ্টু কুমাৰ নাথে মৃত্যুৰ সময়ত পত্নী, পিতৃ মাতৃক এৰি যোৱাৰ লগতে ৰিংকু নাথে পত্নী, পুত্ৰ আৰু কন্যা সন্তানক ইহ সংসাৰত এৰি গৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি জনৈক তালুকদাৰৰ স্কৰ'পিঅ' বাহনে সংঘটিত কৰে এই মৰ্মান্তিক দুৰ্ঘটনাটো। ইফালে আজি স্থানীয় ৰাইজে দুৰ্ঘটনা সংঘটিত কৰা বাহনৰ গৰাকীক চিনাক্ত কৰি অতি শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবীত মৃতদেহ লৈ ফৰকাটিং আৰক্ষী চকী ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে মৃতকৰ পৰিয়ালৰ লোকে ফৰকাটিং আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।

বৰগাং শংকৰদেৱ শিশু নিকেতনত বন্দেমাতৰণ অনুষ্ঠান

অসম বাৰ্তা, জিনজিয়া, ৩০ ছেপ্টেম্বৰ ঃ বিদ্যা ভাৰতী শিক্ষা সংস্থানৰ দ্বাৰা পৰিচালিত বিদ্যালয় সমূহত ভাৰতৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে ২৫, চেপ্তেম্বৰত দেশজুৰি অনুষ্ঠিত হোৱা নমামি ভাৰতৰ বিশেষ অনুষ্ঠান বৰগাং শংকৰদেৱ শিশু নিকেতনতো অনুষ্ঠিত হয়। বিদ্যালয়ৰ উপাধ্যক্ষ মিতু বৰুৱাই আতধৰা অনুষ্ঠানত বিদ্যা ভাৰতীৰ বিদ্যৎ পৰিষদৰ উত্তৰ পূৰ্বাঞ্চলৰ অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। তাৰ পিছত বিদ্যালয় ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী, পৰিচালনা সমিতিৰ বিষয় ববীয়া তথা অভিভাৱকৰ উপস্থিতিত বন্দে মাতৰম পৰিবেশন কৰা হয়। বন্দেমাতৰম্ পৰিবেশনৰ পিছতেই হিতেন্দ্ৰ নাথ গোস্বামীয়ে বন্দে মাতৰম ৰাষ্ট্ৰীয় গীতৰ তাৎপৰ্য সম্পৰ্কে বক্তব্য প্ৰদান কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মধুসুদন উপাধ্যায়, সমাজ কৰ্মী ক্ষীৰোদ দাস, বিহুলী প্ৰেছক্লাৱৰ সভাপতি ভুবন লুইটেল সহ বহু গণ্যমান্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰে।

গোলকগঞ্জৰ মটেৰঝাৰত গৰু চোৰৰ সন্দেহত চাঞ্চল্য

অসম বাৰ্তা, গোলকগঞ্জ, ৩০ ছেপ্টেম্বৰ ঃ ধুবুৰী জিলাৰ গোলকগঞ্জৰ মটেৰঝাৰত আজি পুৱাই গৰু চোৰৰ সন্দেহত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। নিশা গৰু চুৰি কৰি আনি থকা অৱস্থাত এজন যুৱকক স্থানীয় ৰাইজে সোধা-পোছা কৰাক কেন্দ্ৰ কৰি পৰিস্থিতি উত্তপ্ত হৈ পৰে। জানিব পৰা মতে, পুৱতি নিশা মটেৰঝাৰ অঞ্চলত এজন যুৱকে এটা গৰু লৈ গৈ থকা অৱস্থাত স্থানীয় ৰাইজৰ সন্দেহ হয়। ৰাইজে যুৱকজনক গৰুটোৰ বিষয়ে সোধা-পোছা কৰাত তেওঁ গৰুটো কিনি অনা বুলি জানিবলৈ দিয়ে। কিন্তু তেওঁৰ কথাত সন্দেহ প্ৰকাশ কৰি অধিক লোক ঘটনাস্থলীত সমবেত হোৱাত পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হৈ পৰে। পৰিস্থিতিয়ে অধিক ভয়াৱহ ৰূপ লোৱাৰ আশংকাত যুৱকজনৰ পিতৃ ভোলাই ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনক লগত লৈ যায়। যুৱকজনৰ নাম ছিৰাজ, চাপৰ বালাজান গাঁৱৰ বুলি জানিব পৰা গৈছে। গৰু চুৰিকাণ্ডক লৈ পুনৰ আতংক আৰু চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

নাজিৰাত অ' এনজিচিৰ বিৰুদ্ধে শিৱসাগৰ জিলা গণ সংগঠনসমূহৰ যৌথ সংগ্ৰামী মঞ্চৰ অৱস্থান ধৰ্মঘট



অসম বাৰ্তা, নামতি, ৩০ ছেপ্টেম্বৰ ঃ বৰ্তমান অসম তথা ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিত যুৱকসকলৰ কৰ্ম সংস্থাপনৰ বিষয়টোৱে ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। নিবনুৱাসকলৰ কৰ্ম সংস্থাপনৰ বাবে সম্ভাব্য আন্তঃগাঁথনি উন্নয়ন অথবা নতুন শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰা নাই। অন্যহাতে কেন্দ্ৰীয় চৰকাৰে সংস্কাৰমুখী অৰ্থনৈতিক নীতিৰ ঢাক-ঢোল বজাই লাভজনক উদ্যোগ প্ৰতিষ্ঠান সমূহ দেশী-বিদেশী পুঁজিপতি গোষ্ঠীক গতাই দিয়াৰ ব্যৱস্থাৰে নিবনুৱাসকলৰ কৰ্ম সংস্থাপনৰ পথ সম্পূৰ্ণৰূপে বন্ধ কৰিছে। বিগত সময়ছোৱাত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অসম সম্পদৰ অধীনৰ তৈল পথাৰ সমূহত প্ৰচুৰ পৰিমাণৰ তেল, গেছ থকাৰ পাছতো নিগম কৰ্তৃপক্ষই সঠিক নতুন কাৰিকৰী প্ৰযুক্তি প্ৰয়োগ নকৰি উৎপাদন হ্ৰাস হোৱা বুলি অভিযোগ কৰি আহিছে। ভাৰতবৰ্ষৰ নৱৰত্ন কোম্পানী হিচাবে দেশে-বিদেশে খ্যাতি অৰ্জন কৰি অ' এন জি চি কৰ্তৃপক্ষই অসম বিৰোধী চক্ৰ লগ হৈ প্ৰতিষ্ঠানটোক ব্যক্তিগতকৰণ কৰাৰ ষড়যন্ত্ৰত নামি পৰিছে। অন্যহাতে অসম সম্পদৰ আটাইতকৈ লাভজনক গেলেকী তৈল পথাৰখন ব্যক্তিগতকৰণৰ ষড়যন্ত্ৰত নামি পৰিছে। ১৯৬৪ চনত অ' এন জি চিয়ে অসমত তেল-গেছৰ ভাণ্ডাৰ আৱিষ্কাৰ কৰাৰ পৰা বৰ্তমানলৈকে অসমে লাখ-কোটি টকা ৰয়েলিটি লাভ কৰাৰ উপৰিও অসমৰ বহু হাজাৰ লোকে কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯১ চনত নিগমৰ অসম সম্পদৰ স্থায়ী কৰ্মচাৰীৰ সংখ্যা আছিল ১১, ৫০২জন আৰু বৰ্তমান অ' এন জি চি অসম সম্পদত স্থায়ী কৰ্মচাৰীৰ সংখ্যা দুই হাজাৰৰ তললৈ হ্ৰাস পাইছে। অন্যহাতে অ' এন জি চি কৰ্তৃপক্ষই সংস্কাৰমুখী নীতি গ্ৰহণ কৰি উৎপাদন বৃদ্ধিৰ বাবে উচ্চ প্ৰযুক্তিৰ ঢাক-ঢোল বজাই ৰিগসমূহ Man Manage-ment Contact (MMC) জৰিয়তে ব্যক্তিগত খণ্ডত দিয়াৰ ষড়যন্ত্ৰত নামি পৰিছে। অ' এন জি চি অসম সম্পদক ব্যক্তিগতকৰণ কৰিলে অসমৰ অৰ্থনীতিত আঘাত সানিব আৰু সামাজিক স্বাৰ্থ বিঘ্নিত হ'ব। লগতে কৰ্ম সংস্থাপনৰ ব্যৱস্থাও বন্ধ হৈ পৰিব। ২০০১ চনৰ পৰা শিৱসাগৰ জিলা গণ সংগঠনসমূহৰ যৌথ সংগ্ৰামী মঞ্চৰ তৰফৰ পৰা অ' এন জি চিৰ অসম সম্পদত নিযুক্তিৰ দাবীত আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এই আন্দোলন কাৰ্যসূচীত শিৱসাগৰ জিলাৰ কেইবা হাজাৰ যুৱ-ছাত্ৰ শ্ৰমজীবী, কৃষিজীৱী জনগণৰ প্ৰবল প্ৰত্যাহ্বানৰ ফলত অ' এন জি চি ৰ অসম সম্পদত এক হাজাৰ কৰ্মচাৰী আৰু ১২৫০জন অসম বেটেলিয়ানত নিযুক্তি দিবলৈ বাধ্য হৈছিল। নিগমৰ অসম সম্পদৰ অপাৰেচন এলেকাৰ ভিতৰত এইবছৰ ভয়াবহ জল প্ৰলয়ত শিবসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত ১০ লাখতকৈ অধিক লোকৰ সা-সম্পত্তি, ঘৰ-দুৱাৰ, জীৱ-জন্তু আদি সৰ্বস্বান্ত কৰিলে। শতাধিক লোকৰ এই জল প্ৰলয়ত মৃত্যু হ'ল। বাট-পথ সমূহৰ বিস্তৰ ক্ষতিসাধন কৰিলে আৰু বানক্ষতিগ্ৰস্ত লোকসকলক অ' এন জি চি অসম সম্পদৰ কৰ্তৃপক্ষই উপযুক্ত আৰ্থিক সাহায্য প্ৰদান কৰা দাবী উত্থাপন কৰা হৈছে। নিখিল ভাৰত যুব ফেডাৰেচন, নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন, শ্ৰমিক মহাসভা (AITUC) আৰু কৃষক সভাই নিবনুৱা কৰ্ম সংস্থাপন, আন্তঃগাঁথনি, পৰিকল্পনা ও উন্নয়ন, নতুন শিল্প উদ্যোগ প্ৰতিষ্ঠা আৰু প্ৰতিষ্ঠিত শিল্প উদ্যোগৰ খালী পদত নিযুক্তি বিষয়ত গণতান্ত্ৰিক আন্দোলন সংগঠিত কৰি আহিছে। এনে গণতান্ত্ৰিক আন্দোলনৰ অংশ স্বৰূপে দেশৰ লাভজনক উদ্যোগিক প্ৰতিষ্ঠান হিচাপে অ' এন জি চি ৰ পূৰ্বাঞ্চল ক্ষেত্ৰত থলুৱা নিবনুৱা কৰ্ম সংস্থাপন আৰু অঞ্চলটোৰ আৰ্থ সামাজিক উন্নয়নৰ দাবীৰ ভিত্তিত আজি অ' এন জি চি অসম সম্পদৰ নাজিৰাস্থ মুখ্য কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত চি পি আইৰ অসম ৰাজ্যিক পৰিষদৰ সম্পাদক কনক গগৈকে ধৰি ভালেকেইজন বক্তব্য দাঙি ধৰি অ' এন জি চিৰ অসম বিৰোধী নীতিক কঠোৰ সমালোচনা কৰে। শেষত নিশিল ভাৰত কৃষক সভা, নিশিল ভাৰত শ্ৰমিক মহাসভা, নিশিল ভাৰত যুৱ ফেডাৰেচন, ছাত্ৰ ফেডাৰেচন, অসম মহিলা সংঘ, কৃষি শ্ৰমিক সংঘৰ বিষয়ববীয়াৰ স্বাৰত অ' এন জি চি ৰ অসম সম্পদৰ আটাইতকৈ লাভজন গেলেকী তৈলক্ষেত্ৰ ব্যক্তিগতকৰণ বন্ধ কৰা, নিগমৰ অসম সম্পদৰ তৈল ক্ষেত্ৰ আৰু ৰিগসমূহ ব্যক্তিগতকৰণ বন্ধ কৰা অ' এন জি চি অসম সম্পদত খালী হৈ থকা ৯০০০ হেজাৰ খালী পদত থলুৱা নিবনুৱা যুৱক-যুৱতীক শীঘ্ৰে নিযুক্তি দিয়া, উৎপাদন বৃদ্ধিৰ বাবে নতুন তথা উন্নত প্ৰযুক্তিগত নিজা ৰিগ ক্ৰয় কৰি অসম সম্পদক কাৰ্যক্ষম কৰা, অ' এন জি চি অসম সম্পদৰ কৰ্তৃপক্ষই শিৱসাগৰ জিলাৰ বান প্ৰলয়ত সৰ্বস্বান্ত হোৱা ক্ষতিগ্ৰস্ত লোকৰ লগতে বানত ক্ষতিগ্ৰস্ত বাট-পথসমূহ পুনৰ নিৰ্মাণৰ কাৰণে ৫০০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ দাবী জনাই অ' এন জি চি অধ্যক্ষ লৈ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকৰ জৰিয়তে এখনি স্মাৰকপত্ৰ প্ৰদান কৰে।

নগাঁৱৰ স্পৰ্শকাতৰ অঞ্চলত সশস্ত্ৰ বাহিনীৰ সঘন এলেকা আধিপত্য অভিযান

অসম বাৰ্তা, নগাঁও, ৩০ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি জিলাখনত শান্তি-শৃংখলা অটুট ৰখাৰ বাবে প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিছে। জিলাখনৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত আৰক্ষী আৰু চিআৰপিএফ বাহিনীৰ সঘন এলেকা আধিপত্য পদযাত্ৰা অব্যাহত আছে। কালি সন্ধিয়া ফুলগুৰি, বৰভেটি, হেৰাপতি আদি অঞ্চলত চলোৱা পদযাত্ৰাত অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষক আৰু সংশ্লিষ্ট চক্ৰ বিষয়াসকলেও অংশগ্ৰহণ কৰে। বিশেষকৈ নিৰ্বাচনী সভা বা কাৰ্যসূচীৰ সময়ত অপ্ৰীতিকৰ পৰিস্থিতিৰ আশংকা থকা অঞ্চলসমূহত এনে অভিযান অধিক বৃদ্ধি কৰা হৈছে বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। ইয়াৰ লগতে স্পৰ্শকাতৰ অঞ্চলত নিশাৰ পহৰা আৰু আৰক্ষীৰ তহলদাৰীও বৃদ্ধি কৰা হৈছে। নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আন জিলাৰ পৰা অতিৰিক্ত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানো নগাঁও জিলাত মোতায়েন কৰা হৈছে। ইফালে, প্ৰশাসনৰ উদ্যোগত ভ্ৰাম্যমাণ ঘোষণাযন্ত্ৰৰ জৰিয়তে জিলাখনৰ বিভিন্ন প্ৰান্তত সজাগতা অভিযান চলোৱা হৈছে। পাঁচখন বাহনেৰে চলি থকা এই প্ৰচাৰ অভিযানৰ জৰিয়তে আইন-শৃংখলা বজাই ৰখাৰ বাবে ৰাইজৰ সহযোগিতা বিচৰাৰ লগতে হিংসাত্মক কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জানিবলৈ দিয়া মতে, নিৰ্বাচনৰ সময়ছোৱাত কোনো ধৰণৰ হিংসাত্মক কাৰ্যকলাপ সহ্য কৰা নহ'ব। শান্তিপূৰ্ণ আৰু সুশৃংখল পৰিৱেশ বজাই ৰাখিবলৈ প্ৰশাসনে সকলো পক্ষলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে।

মৰাণাস্ত্ৰসহ ডিমাপুৰৰ যুৱক গ্ৰেপ্তাৰ

সৰুপথাৰৰ চুণাজানত আৰক্ষীৰ সফল অভিযান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৩০ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী চুণাজান আৰক্ষী থানাৰ অন্তৰ্গত নাওঘাটত আৰক্ষীয়ে চলোৱা এক গোপন অভিযানত মৰাণাস্ত্ৰসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ গোপনসূত্ৰৰ ভিত্তিত চলোৱা অভিযানত নাগালেণ্ডৰ ডিমাপুৰৰ ৰাখেল শীল (২১) নামৰ যুৱকজনক আটক কৰা হয়। অভিযানকালত তেওঁৰ জিম্মাৰ পৰা দুটাকৈ ৭.৬৫ এম.এম. পিষ্টল, মেগজিন আৰু পাঁচ জাইসজীৱ গুলী উদ্ধাৰ কৰা হয়। ইয়াৰ উপৰি .২২কেলিবাৰৰ দুটাকৈ পিষ্টল, মেগজিনসহ আঠ জাইসজীৱ গুলীও উদ্ধাৰ কৰে আৰক্ষীয়ে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে। অস্ত্ৰসমূহ ক'ৰ পৰা অনা হৈছিল আৰু ইয়াৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

আৱৰ্জনাৰ পৰা সৃষ্টিশীলতা ঃ দলগাঁও কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৱেষ্ট-টু-আৰ্ট কাৰ্যসূচী

অসম বাৰ্তা, মঙলদৈ, ৩০ ছেপ্টেম্বৰ ঃ স্বচ্ছতা হি সেৱা অভিযানৰ অধীনত 'স্বচ্ছতা সে সমৃদ্ধি- আৱৰ্জনাৰ পৰা সৃষ্টিশীলতা' (কাবাড় চে জুগাড়) শীৰ্ষক বিষয়বস্তুক আধাৰ কৰি মঙলবাৰে দলগাঁও কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত এক আকৰ্ষণীয় ৱেষ্ট-টু-আৰ্ট কাৰ্যসূচী আৰু প্ৰদৰ্শনী অনুষ্ঠিত হয়। মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মঙলদৈ সংমণ্ডলৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে আৱৰ্জনা ব্যৱস্থাপনাৰ প্ৰতি সজাগতা সৃষ্টিৰ লগতে পেলনীয়া সামগ্ৰীৰ সৃষ্টিশীল পুনৰ ব্যৱহাৰৰ বাৰ্তা প্ৰদান কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে বিদ্যালয়খনৰ ছাত্ৰীসকলৰ মাজত থিতাতে পেলনীয়া সামগ্ৰীৰে শিল্পকৰ্ম প্ৰস্তুতৰ এক সৃষ্টিশীল প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ছাত্ৰীসকলে বিভিন্ন পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি আকৰ্ষণীয় শিল্পকৰ্ম প্ৰস্তুত কৰি নিজৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিয়ে। বিশেষভাৱে চেনিটেৰী পেডৰ প-াষ্টিকৰ বাকলি পুনৰ ব্যৱহাৰ কৰি আকৰ্ষণীয় আলংকাৰিক ফুল, পেলনীয়া কাৰ্ড ব'ৰ্ডৰ সহায়ত সুন্দৰ গছৰ আৰ্হি আৰু বিভিন্ন সূক্ষ্ম অলংকাৰ প্ৰস্তুত কৰা হয়। ছাত্ৰীসকলৰ এই অভিনৱ সৃষ্টিসমূহে উপস্থিত অতিথি আৰু দৰ্শকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। প্ৰতিযোগিতাৰ লগতে আয়োজন কৰা বিশেষ প্ৰদৰ্শনীত ছাত্ৰীসকলে পেলনীয়া সামগ্ৰীৰে প্ৰস্তুত কৰা বিভিন্ন আপচাইকেলড শিল্পকৰ্ম প্ৰদৰ্শন কৰা হয়। ইয়াৰ জৰিয়তে 'আৱৰ্জনা মানেই পেলাই দিবলগীয়া বস্তু নহয়, সঠিক ব্যৱহাৰৰ জৰিয়তে ইয়াক সম্পদলৈ ৰূপান্তৰ কৰিব পাৰি'- এই বাৰ্তাই বিশেষ গুৰুত্ব লাভ কৰে। অনুষ্ঠানত মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, আই ই চি আৰু এইচআৰডিৰ জিলা সমন্বয়ক, বিডব্লিউচি আৰু শিক্ষা বিভাগৰ খণ্ড সমল ব্যক্তিয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। লগতে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক, ৱাৰ্ডেন, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। এই ব্যতিক্ৰমী কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰীসকলৰ মাজত পৰিৱেশ সুৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৱৰ্জনা পৃথকৰণ, পুনৰ ব্যৱহাৰ আৰু পুনঃচক্ৰীকৰণৰ বিষয়ে সজাগতা বৃদ্ধিৰ লগতে সৃষ্টিশীল চিন্তাধাৰাক উৎসাহিত কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন